www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. (Title) : ASSASS01389

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

‘ শিক্ষাই হ’ল অন্ধকাৰৰ পৰা পোহৰলৈ যোৱা পথ
—— হেলেন কেলাৰ —— ’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

ষষ্ঠ বছৰ ▢ সংখ্যা - ১৪১ ▢ মঙ্গলবাৰ ▢ ১ জুলাই, ২০২৫ চন ▢ ১৬ আহাৰ, ১৯৪৭ শক ▢ VOL - 6 ▢ NO.- 141 ▢ Tuesday ▢ 1st July, 2025 ▢ মূল্য ঃ ১০.০০ টকা ▢ মুঠ পৃষ্ঠা ঃ ৮



এতিয়াৰে পৰা ৰখাব নোৱাৰিব কোনো বাহন

## কাজিৰঙা এলেকাক ন’-পাৰ্কিং জ’ন ঘোষণা

**অসম বাৰ্তা, কলিয়াবৰ, ৩০ জুন ঃ** ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা অনুসৰি কলিয়াবৰ সমজিলা প্ৰশাসনৰ বিশেষ অভিযান। কলিয়াবৰ সমজিলাৰ এলেকাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলৰ অধীনৰ অঞ্চলত এতিয়াৰে পৰা কোনো যান-বাহন পাৰ্কিং কৰিব নোৱাৰিব। বাগৰি, হাৰমতি, কুঠৰী অঞ্চলত থকা হোটেল, ধাবাত অভিযান চলাই সোমবাৰে এই নিৰ্দেশনা জাৰি কৰিছে কলিয়াবৰ সমজিলা প্ৰশাসনে। কলিয়াবৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱাৰ নেতৃত্বত কলিয়াবৰ সমজিলা আৰক্ষী অধীক্ষক, বন ▸▸ ৬ পৃষ্ঠাত

### আজিৰ কলম

## অসমীয়া ভাষাৰ সোৱাদ, বিসংগতি আৰু বানান বিভ্ৰাট



শৰৎ চন্দ্ৰ চিৰিং ফুকন

**মা**নুহৰ মনৰ ভাৱ প্ৰকাশ আৰু বিকাশৰ অপৰিহাৰ্য বাহন বা মাধ্যম হৈছে ভাষা। আমাৰ অসমীয়া ভাষাটো হৈছে অতি মধুৰ, সহজ-সৰল আৰু প্ৰাঞ্জল ভাষা। অসমীয়া ▸▸ ৬ পৃষ্ঠাত

## ৮ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী মোদীয়ে কৰিব উদ্বোধন

# নুমলীগড়ত দেশৰ প্ৰথমটো জৈৱ শোধনাগাৰ

■ 4 হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ ■ 49 KTPA ইথানল উৎপাদনৰ ক্ষমতা





**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ জুন ঃ** বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা দেশৰ প্ৰথমটো প্ৰকল্প উদ্বোধন কৰিব দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সোমবাৰে এই কথা সদৰি কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে, অহা ৮ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা দেশৰ ভিতৰতে প্ৰথমটো প্ৰকল্প নুমলীগড়ত ▸▸ ৬ পৃষ্ঠাত

## অশান্ত মণিপুৰ ! দুৰ্বৃত্তৰ আক্ৰমণত 4 জনৰ মৃত্যু

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ জুন ঃ** পুনৰ অশান্ত মণিপুৰ। সোমবাৰে ৰাজ্যখনৰ চুৰাচান্দপুৰ জিলাত অজ্ঞাত বন্দুকধাৰীয়ে চাৰিজন লোকক গুলীয়াই হত্যা কৰে। আৰক্ষীৰ তথ্য অনুসৰি, চুৰাচান্দপুৰ জিলাৰ মংজাং গাঁৱৰ সমীপত আজি দুপৰীয়া প্ৰায় ২ মান বজাত এই ঘটনা সংঘটিত হয়। মৃতসকলৰ ▸▸ ৬ পৃষ্ঠাত



## জাগুন কথা কাষৰনীত বন্যহস্তীৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩০ জুন ঃ** ডিগবৈ বন সংমণ্ডলৰ অধীনৰ জাগুন বন বিভাগৰ অন্তৰ্গত কথা কাষৰনীত আজি মৃত অৱস্থাত উদ্ধাৰ হয় এটা বন্য হস্তী। কথা সংৰক্ষিত বনাঞ্চলৰ গাতে লাগি থকা কথা কাষৰনী গাঁৱৰ এখন বাৰীত উদ্ধাৰ হয় মৃত হাতীটো। অমূল্য চুতীয়া ▸▸ ৬ পৃষ্ঠাত

কোনো এটা টেলিভিছন চেনেলত এটাও টক শ্ব’ নাই!

## ১৪৫০টা গৰু একেদিনাই কাটি পেলোৱা হ’ল, কোনেও দুখ প্ৰকাশ কৰা দেখা নাই ঃ মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, গোলাঘাট, ৩০ জুন ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা সোমবাৰে দিনজোৰা কাৰ্যসূচীৰে গোলাঘাটত উপস্থিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰত নাটগৃহ উদ্বোধন কৰি চাকি বন্তি জ্বলাই আশিস লয়। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত কয়, যে “২০২১ চনত ভাদ মাহত আঠখেলীয়া নামঘৰলৈ আহিছিলোঁ আৰু ৰাইজৰ লগত ▸▸ ৬ পৃষ্ঠাত



দুৰ্ঘটনাস্থলী ফাৰ্মা কোম্পানীত বহু শ্ৰমিক আবদ্ধ

## তেলেংগানাৰ ফাৰ্মা প্লাণ্টত বিস্ফোৰণ; ৮ গৰাকী নিহত

**অসম বাৰ্তা, নেশ্যনেল ডেস্ক, ৩০ জুন ঃ** আজি তেলেংগানাৰ ছাংগাৰেড্ডীৰ এক ফাৰ্মা প্লাণ্টত সংঘটিত হোৱা বিস্ফোৰণত ৮ জন লোকৰ থিতাতে মৃত্যু হয়। এই দুৰ্ঘটনাত আন বহু লোক আহত হয়। ▸▸ ৬ পৃষ্ঠাত



গৰুখুটিৰ গীৰ গাই দুৰ্নীতিৰ বিৰুদ্ধে গোলাঘাটত উত্তাল প্ৰতিবাদ

## গোলাঘাটত মুখ্যমন্ত্ৰীৰ বাহনলৈ বটল দলিয়ালে কংগ্ৰেছী প্ৰতিবাদকাৰীয়ে



**ষ্টাফ ৰিপ’ৰ্টাৰ, গোলাঘাট, ৩০ জুন ঃ** দুৰ্নীতি, অনিময় আৰু স্বজন-তোষণত জড়িত হৈ পৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাকে প্ৰমুখ্য কৰি বিজেপিৰ নেতা-পালিনেতা। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাত কিছু কাৰ্যসূচী লৈ উপস্থিত হোৱাৰ লগে লগে গোলাঘাট জিলা যুৱ কংগ্ৰেছ কমিটিয়ে উত্তাল প্ৰতিবাদ কৰা দেখা যায়। গোলাঘাট জিলা কংগ্ৰেছ কাৰ্যালয়ৰ সন্মুখৰ জি ডি এছ এ-ৰ ইনড’ৰ ষ্টেডিয়াম উদ্বোধন কৰিবলৈ ১০.৩০ বজাত ▸▸ ৬ পৃষ্ঠাত



আৰক্ষীক গতিয়াই লুকুৱাই থোৱা পিষ্টলেৰে আক্ৰমণৰ চেষ্টা

## বোকাখাতৰ CRPF কেম্পত গ্ৰেনেড বিস্ফোৰণত জড়িত দুই অভিযুক্তক এনকাউণ্টাৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ, বোকাখাট, ৩০ জুন ঃ** বোকাখাতৰ CRPF কেম্পত সংঘটিত হোৱা গ্ৰেণেড বিস্ফোৰণ কাণ্ডই ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ পিছতেই প্ৰশাসনে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰি ঘটনাৰ সৈতে জড়িত লোকসকলক গ্ৰেপ্তাৰ কৰিছিল। ঘটনাৰ ▸▸ ৬ পৃষ্ঠাত

৭০টাৰো অধিক গৰুৰ খুঁটি ভাঙি চুৰমাৰ

## ব্ৰহ্মপুত্ৰ চাপৰিত বন্যহস্তী পালৰ তাণ্ডৱ



**অসম বাৰ্তা, বনগাঁও, ৩০ জুন ঃ** আজি বহু বছৰ ধৰি নদীদ্বীপ মাজুলীৰ বিভিন্ন স্থানত বন্যহস্তীৰ এটি পাল সোমাই গাঁৱে-ভূঞে ত্ৰাসৰ সৃষ্টি কৰাৰ লগতে ঘৰ দুৱাৰ ভাঙি চুৰমাৰ। খেতি খাই নষ্ট কৰা কৰাৰ উপৰিও কেইবাজনো ▸▸ ৬ পৃষ্ঠাত

## চাপানালাৰ বালিজুৰিত ভয়ংকৰ পথ দুৰ্ঘটনা, থিতাতে নিহত মাতৃ-পুত্ৰ

**অসম বাৰ্তা, চামগুৰি/পুৰণিগুদাম, ৩০ জুন ঃ** আজি এক শোকাৱহ পথ দুৰ্ঘটনাই শোকাকুল পৰিবেশৰ সৃষ্টি কৰিছে সমগ্ৰ নগাঁও ▸▸ ৬ পৃষ্ঠাত

সাময়িকভাৱে বন্ধ ঘোষণা কমলাবাৰী-নিমাতী ফেৰী সেৱা

## ভৰা বাৰিষাৰ মাজতো জলপৃষ্ঠ হ্ৰাস ব্ৰহ্মপুত্ৰৰ



**অসম বাৰ্তা, উজনী মাজুলী, ৩০ জুন ঃ** বৰলুইতৰ অস্বাভাৱিক ৰূপক লৈ এতিয়া বিব্যুধিত পৰিবলগীয়া হৈছে অভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ যোৰহাট-মাজুলী জলপথৰ কৰ্তৃপক্ষ। যোৱা ২৫ জুনত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত অফলামুখ ফেৰী ঘাটৰ পৰা ফেৰী চলাচল সাময়িকভাৱে বন্ধ ৰাখিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পিছত এই বাৰ পুনৰ ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ হ্ৰাসৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা কমলাবাৰী ফেৰী ▸▸ ৬ পৃষ্ঠাত

## জাগুনত বনৰক্ষী-চোৰাং চিকাৰীৰ মাজত প্ৰচণ্ড গুলীয়াগুলী; সজীৱ গুলী সহ এজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩০ জুন ঃ** ডিগবৈ বন সংমণ্ডলৰ অধীনৰ জাগুন বন বিভাগৰ দ্বাৰা আজি আটক কৰা হয় এটা চোৰাং চিকাৰী। বনাঞ্চলিক কাৰ্য্যালয়টোৰ অন্তৰ্গত টিংকোপানী সংৰক্ষিত বনাঞ্চলৰ নিমখ পুং নামে ঠাইৰ পৰা নামচিক খণ্ড কাৰ্য্যালয়ৰ এটা তহলদাৰী দলে হাতে লুটে আটক কৰিবলৈ সক্ষম হয় চোৰাং চিকাৰীটোক। বনাঞ্চল খনৰ ভিতৰত নিমখ পুং নামে ঠাইত তিনিজনীয়া চোৰাং চিকাৰীৰ এটা দলে চিকাৰ কৰাৰ ▸▸ ৬ পৃষ্ঠাত





## অখিল ভাৰতীয় সাহিত্য পৰিষদৰ সাহিত্য বৈঠক সম্পন্ন

**অসম বাৰ্তা, বেবেজীয়া, ৩০ জুন ঃ** "অখিল ভাৰতীয় সাহিত্য পৰিষদ,নগাঁও জিলা শাখা সমিতি"ৰ ২৮জুন শনিবাৰে পুৰ্বৰ পৰাই প্ৰচলিত মাহেকীয়া সাহিত্য চৰ্চাৰ অনুষ্ঠানটো সম্পন্ন হয়।স্থায়ী সভাপতি ড° দিলীপ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত কৰা সাহিত্য বৈঠকৰ আৰম্ভণিতে "আজীৱন সভ্য" পদ গ্ৰহণ কৰা সাহিত্যকৰ্মী গুণ কান্ত শৰ্মাক এখন জাতীয় গামোছাৰে আদৰনি জনায়। নগাঁৱৰ হয়বৰগাঁও হাইস্কুলত অনুষ্ঠিত সাহিত্য পাঠৰ অনুষ্ঠানত সম্পাদক নবীন কলিতাই উদ্দেশ্য ব্যাখ্যা কৰে আৰু অন্যান্য অনুষ্ঠানৰ আঁতধৰে। মাহেকীয়া সাহিত্য চৰ্চা অনুষ্ঠানটোত ত্ৰিদীপ লস্কৰ,গুণ কান্ত শৰ্মা, অনিল কুমাৰ শৰ্মা, ডিম্বেশ্বৰ শইকীয়া, চন্দ্ৰ মুদৈ,জ্যোতিময় বৰুৱা, কমল চন্দ্ৰ শৰ্মা, মুকুতা ৰাজা,শোণিত বৰঠাকুৰ, অশোক ৰাম ভট্টাচাৰ্য,ৰঞ্জু মণি ভাগৱতী, গৌৰিবল্লভ গোস্বামী,অৰূপ কুমাৰ গোস্বামী,জোনাকী বৰ্মন বৰা,সুনীল শৰ্মা,নাৰায়ণ কলিতা, প্ৰীতি চৌধুৰী,মঞ্জু দাস ৰাজকুমাৰী,চন্দ্ৰ শইকীয়া আৰু মুনিন্দ্ৰ শইকীয়াই নিজা নিজা স্ব-ৰচিত কবিতা আৰু সাহিত্য প্ৰতিভা উপস্থাপন কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## বাক্সাৰ খৈৰাণী ৰাম মন্দিৰলৈ এম চি এল এৰ চেক প্ৰদান

**অসম বাৰ্তা, বাগানপাৰা, ৩০ জুন ঃ** বাক্সা জিলাৰ খৈৰাণী উপাধ্যায় চুপাৰ অতি প্ৰাচীন মন্দিৰ হ'ল খৈৰাণী উপাধ্যায় চুপাৰ ৰাম মন্দিৰ । খৈৰাণী ৰাইজৰ উপাসনাৰ স্থলী হিচাপে পৰিগণিত ৰাম মন্দিৰটোত ১৯৭৬ চনৰে পৰা প্ৰতিবছৰে শ্ৰীৰাম চন্দ্ৰৰ জন্ম জয়ন্তী ৰাম নৱমী সনাতন ধৰ্মীয় উৎসৱ হিচাপে পালন কৰি আহিছে । এই খৈৰাণী উপাধ্যায় চুপাৰ ৰাম মন্দিৰটোৰ উন্নয়নৰ বাবে ২৫ নং বাগানপাৰা পৰিষদীয় সমষ্টিৰ এম চি এল এ তথা বি টি আৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে দুই লাখ টকাৰ চেক প্ৰদান কৰে । এম চি এল এ কাতিৰাম বড়োৰ পৰা আৰ্থিক অনুদান লাভ কৰাত খৈৰাণী ৰাম মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি দুৰ্গাপ্ৰসাদ গৌতম আৰু সম্পাদক লীলানাথ গৌতম সহিতে সমগ্ৰ খৈৰাণীবাসী ৰাইজে এম চি এল এ কাতিৰাম বড়োৰ ধন্যবাদ জ্ঞাপন কৰে।

# শালকোচা আঞ্চলিক বনাঞ্চলৰ অন্তৰ্গত সৰ্পমাৰী সংৰক্ষিত বনাঞ্চলত বনজ সম্পদৰ নিধন যজ্ঞ

### বনদস্যুক আটক কৰাৰ বিপৰীতে কৰ্তব্যৰত সাংবাদিকক সংৰক্ষিত বনাঞ্চলত প্ৰবেশ নকৰিবলৈ ভাবুকি প্ৰদান বন বিষয়াৰ

**অসম বাৰ্তা, চাপৰ, ৩০ জুন ঃ** যি সময়ত অসমৰ মুখ্যমন্ত্ৰী গৰাকীয়ে অমৃত বৃক্ষ আন্দোলনৰে অসমখন সেউজীয়া কৰিবলৈ বিভিন্ন আঁচনি হাতত লৈছে তেনে সময়ত শালকোচা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ বনাঞ্চলত বনধ্বংস কাৰ্যই প্ৰকৃতিপ্ৰেমী আৰু সচেতন মহলক চিন্তিত কৰিছে। প্ৰাপ্ত অভিযোগ মতে ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ অন্তৰ্গত শালকোচা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ সৰ্পমাৰী পাহাৰত চলিছে বনজ সম্পদৰ নিধন যজ্ঞ। শালকোচা আঞ্চলিক বনাঞ্চলৰ অন্তৰ্গত সৰ্পমাৰী সংৰক্ষিত বনাঞ্চলত নিশা মূল্যবান গছ কাটি তহিলং কৰিছে একাংশ অসাধু লোকে। অভিযোগ মৰ্মে সৰ্পমাৰী বিট কাৰ্যালয়ৰ নিচেই কাষত একাংশ বনদস্যুই শাল, চেগুন আদিৰ দৰে মূল্যবান গছ কাটি তহিলং কৰিছে সংৰক্ষিত বনাঞ্চল খন। বনাঞ্চল খনৰ নিচেই কাষত বিট ফৰেষ্ট থকাৰ পিছত বনজ সম্পদ তহিলং কৰাত চিন্তিত কৰি তুলিছে প্ৰকৃতিপ্ৰেমী ৰাইজক ইপিনে সংৰক্ষিত বনাঞ্চল খনত গছ কটা বাতৰি লাভ কৰি একাংশ সংবাদ কৰ্মী সংবাদ পৰিবেশন কৰাৰ উদ্দেশ্যে সৰ্পমাৰী সংৰক্ষিত বনাঞ্চলত উপস্থিত হয় যদিও শালকোচা বনাঞ্চলিক বিষয়া গৰাকীয়ে নিজৰ দুৰ্বলতা উদঙাই যোৱাৰ ভয়ত সংবাদ কৰ্মী সকলোক ভয় ভাবুকি দিয়াৰ অভিযোগ উঠিছে।বনজ সম্পদ ধ্বংস কৰা বনদস্যু সকলোক কৰায়ত্ত কৰি উপযুক্ত শাস্তি প্ৰদান কৰাৰ বিপৰীতে বনাঞ্চলত সাংবাদিক সোমাব নোৱাৰিব বুলিও ভাবুকি সুৰত ইংগিত দিয়ে। বনাঞ্চল খনক সুৰক্ষা দিয়াত ব্যৰ্থ হোৱা বিষয়া গৰাকী সাংবাদিকক এক প্ৰকাৰ ভাবুকি দিয়া কাৰ্যই চিন্তিত কৰি তুলিছে সচেতন মহলক। উক্ত বিষয়ত উচিত তদন্ত কৰি বিহীত ব্যৱস্থা ল'বলৈ প্ৰশাসনৰ ওচৰত দাবী জনাইছে ৰাইজে।

# লাহৰীঘাটৰ পাভকাটি পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ বৃহৎ কেলেংকাৰী

### জিপিচিয়ে দৰিদ্ৰ হিতাধিকাৰীৰ পৰা সংগ্ৰহ কৰে ধন, জিপিচিক ধন দিলে নিৰ্মাণ কৰিব নালাগে আৱাস গৃহ, জিলা আয়ুক্তৰ হস্তক্ষেপত তদন্তৰ দাবী ভুক্তভোগীৰ

**অসম বাৰ্তা, ভূৰাগাঁও, ৩০ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত পাভকাটি পঞ্চায়তত প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত ব্যাপক কেলেংকাৰী সংঘটিত হোৱাৰ তথ্য পোহৰলৈ আহিছে। পঞ্চায়ত টোত সংঘটিত হৈছে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত বিয়াগোম দুৰ্নীতি। মুখ্যমন্ত্ৰীৰ কঠোৰ সকিয়নীকো বৃদ্ধাংগোষ্ঠ দেখুৱাই দৰিদ্ৰ হিতাধিকাৰীৰ নামত আৱন্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত পাভকাটি গাঁও পঞ্চায়তৰ এজন কৰ্মচাৰীয়ে দালালৰ লগত মিলি ব্যাপক দূৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি পঞ্চায়তটোৰ জিপিচি মোজাম্মিল হকে দৰিদ্ৰ হিতাধিকাৰীক গৃহ আৱন্তিত তালিকাৰ পৰা নাম কৰ্তন কৰাৰ ভয় দেখুৱাই ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন কৰিছে ভোক্তভোগী হিতাধিকাৰীয়ে।অভিযোগ অনুসৰি পঞ্চায়তটোৰ অন্তৰ্গত মলসু গাঁৱৰ তাৰা বানু নামৰ এগৰাকী দৰিদ্ৰ মহিলাৰ নামত আৱন্টিত হৈছিল এটি আৱাস গৃহ। কিন্তু পঞ্চায়তটোৰ জিপিচি মোজাম্মিল হকে দৰিদ্ৰ মহিলা গৰাকীৰ পৰা ২৫ হাজাৰ টকা উৎকোচ সৰকাই নিয়ে। মহিলা গৰাকীয়ে কৰা অভিযোগ মতে তেওঁৰ নামত আৱন্তিত আৱাস গৃহৰ দ্বিতীয় কিস্তিৰ ধন মোকলাই দিয়াৰ পিছত জিপিচি মোজাম্মিল হক আৰু স্থানীয় দালাল নূৰ মহম্মদে ২৫ হাজাৰ টকা লৈ যায়। ২৫ হাজাৰকৈ টকা জিপিচিয়ে লৈ যোৱাত দৰিদ্ৰ মহিলাগৰাকীয়ে গৃহটি নিৰ্মাণ কৰিব পৰা নাই। মোজাম্মিলক এই সন্দৰ্ভত হিতাধিকাৰী গৰাকীয়ে হেছা প্ৰয়োগ কৰাত তেওঁ মহিলা গৰাকীক ঘৰ নবনালেও তেওঁ বাকী টকা পাব বুলি কয়। উপায়বিহীন হৈ ভোক্তভোগী মহিলা গৰাকী সংবাদ মাধ্যমৰ কাষ চাপে। পাভকাটি গাওঁ পঞ্চায়তৰ প্ৰধানমন্ত্ৰী আৱাস গৃহৰ নামত কেলেংকাৰীৰ এয়া এটা উদাহৰণহে। এনেদৰে বহু দৰিদ্ৰ হিতাধিকাৰী চিকাৰ হৈছে মোজাম্মিল এণ্ড কোম্পানীৰ। খহনীয়াত আক্ৰান্ত হৈ মাত্ৰ পঞ্চায়ত টোৰ ১৫ শতাংশ ভূমিহে বাছি আছেগৈ। পঞ্চায়ত টোৰ খহনীয়াগ্ৰস্ত লোক সকলে বিভিন্ন স্হানত গৈ ঘৰ দুৱাৰ সাজি আশ্ৰয় লৈছে। পঞ্চায়ত এলেকাৰ পৰা আতৰি জিলা খনৰ বিভিন্ন স্হানত থকা লোক সকলৰ নামতো আৱন্তন হৈছে প্ৰধান মন্ত্ৰী আৱাস গৃহ। অন্য এক অভিযোগ মতে এনে একাংশ লোকৰ নামত আৱন্তিত গৃহ সমূহ বিক্ৰী কৰা হৈছে। এনেক্ষেত্ৰত পঞ্চায়ত টোত প্ৰধান মন্ত্ৰী আৱাস গৃহ আছনি কেনেদৰে ৰূপায়ন হৈছে বা তাৰা বানুৰ দৰে আন হিতাধিকাৰীয়েও কমিচনৰাজৰ বাবে গৃহ নিৰ্মাণ কৰিব পৰা নাই নেকি, এইক্ষেত্ৰত এক উচ্ছ পৰ্যায়ৰ তদন্ত হলেই সকলো তথ্য পোহৰলৈ আহিব। পঞ্চায়ত টোত প্ৰধান মন্ত্ৰ আৱাস যোঁজনাৰ ক্ষেত্ৰত সংঘটিত হোৱা এনে ভয়ানক দূৰ্নীতিত জিলা আয়ুক্ত গৰাকীৰ হস্তক্ষেপত তদন্ত দাবী কৰিছে তাৰা বানুৰ পৰিয়ালে। এনেক্ষেত্ৰত মৰিগাঁও জিলা আয়ুক্ত গৰাকীৰ পদক্ষেপ কেনে হয় সেয়া লক্ষনীয় হব।

## অসম চৰকাৰৰ বিনামূলীয়া চিকিৎসাই প্ৰাণ বচালে বাক্সাৰ পশ্চিম খাগ্ৰাবাৰীৰ দৰিদ্ৰ পৰিয়ালৰ কিশোৰ কৌশিক দাসৰ

**ষ্টাফ ৰিপৰ্টাৰ, জালাহ, ৩০ জুন ঃ** অসম চৰকাৰৰ বিনামূলীয়া চিকিৎসাই প্ৰাণ বচালে বা'ৰ এগৰাকী দৰিদ্ৰ পৰিয়ালৰ কিশোৰৰ। বা' জিলাৰ জালাহ পশ্চিম খাগ্ৰাবাৰীৰ মেধি চুবাৰ কৌশিক দাস নামৰ কিশোৰ গৰাকীয়ে জটিল ৰোগত আক্ৰান্ত হৈও অহা - যোৱা কৰি আছিল বিদ্যালয়লৈ। অলপ খোজ কাঢ়িলে ভাগৰ অনুভৱ কৰা কিশোৰ গৰাকীৰ শাৰীৰিক অৱস্থা লাহে লাহে শোচনীয় হৈ পৰিছিল। চৰকাৰৰ" ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ " ৰ জৰিয়তে চিকিৎসকৰ দল পশ্চিম খাগ্ৰাবাৰী এম ই স্কুললৈ যোৱাত ধৰাত পৰে কিশোৰ গৰাকীৰ হাওফাওত বিন্ধা হোৱা ৰোগ। জালাহ ব্লক পি এইচ চি ৰ চিকিৎসক ডা: প্ৰানকান্ত ভট্টই কিশোৰ গৰাকীক ৰোগ ধৰা পৰাৰ এদিন পিচতে বা' জিলা চিকিৎসা বিভাগৰ লগত যোগাযোগ কৰি লৈ যায় গুৱাহাটী মেডিকেল কলেজ হাস্পাতাললৈ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সম্পূৰ্ণ বিনামুলীয়াকৈ অস্ত্ৰোপ্ৰচাৰ কৰি কিশোৰ গৰাকীক সুস্থ কৰি তোলে চিকিৎসকে। শনিবাৰে কিশোৰ গৰাকীৰ স্বাস্থ্যৰ বুজ লোৱাৰ কাৰণে তেওঁৰ ঘৰত উপস্থিত হয় চিকিৎসক ডা: প্ৰানকান্ত ভট্টৰ নেতৃত্বত চিকিৎসা কৰ্মীৰ দল। পিতৃয়ে দিন হাজিৰা কৰি পোহপাল দিয়া পৰিয়ালটোৰ কাৰণে পুত্ৰৰ ব্যয়বহুল চিকিৎসা সম্ভৱ নহল হেতেন বুলি মন্তব্য কৰে পিতৃয়ে। একমাত্ৰ চৰকাৰৰ বিনামূলীয়া আচঁনীৰ কাৰণে তেওঁৰ পুত্ৰ আজি সুস্থ হৈ উঠা বুলি মন্তব্য কৰে পিতৃয়ে। অসম চৰকাৰ তথা অসমৰ মুখ্যমন্ত্ৰীৰ কাৰণে আজি পুত্ৰক ঘূৰাই পোৱা বুলি মন্তব্য কৰে মাতৃয়েও।অতি মেধা ছাত্ৰ কৌশিক দাসে চৰকাৰৰ বিনামূলীয়া চিকিৎসাৰ কাৰণে আজি জীৱন ঘূৰাই পোৱা বুলি মন্তব্য কৰে চিকিৎসক ডা: প্ৰানকান্ত ভট্টই ।এনে ব্যয় বহুল চিকিৎসা গৰীৱ পৰিয়ালটোৰ কাৰণে সম্ভৱ হৈ নুথিল হেতেন বুলি মন্তব্য কৰে চিকিৎসকে। অসম চৰকাৰৰ এনে বহু আচঁনীয়ে ৰাজ্যৰ লাখ লাখ গৰীৱ পৰিয়ালৰ লৰা ছোৱালীৰ জীৱন ৰক্ষা কৰা বুলি মন্তব্য কৰে চিকিৎসক ডা: ভট্টই।

## মৰিগাঁও জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ দ্বি-বাৰ্ষিক অধিবেশনৰ সফল সামৰণি

**অসম বাৰ্তা, মৰিগাঁও, ৩০ জুন ঃ** মৰিগাঁও জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ দ্বি-বাৰ্ষিক অধিবেশনখন আজি দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে মৰিগাঁও চহৰৰ পেঞ্চনাৰ ভৱনত অনুষ্ঠিত কৰা হয়। অধিৱেশনৰ পুৱা সন্থাৰ পতাকা উত্তোলন কৰে মৰিগাঁও জিলা পেঞ্চনাৰ সন্থাৰ সভাপতি মিলেশ্বৰ পাতৰে। ইয়াৰ পিছতে বন্তি প্ৰজ্জ্বলন কৰে সাধাৰণ সম্পাদক ৰমেশ চন্দ্ৰ বৰ্মনে আৰু স্মৃতি তৰ্পণ কৰে উপ-সভাপতি ইন্দ্ৰমোহন বৰুৱাই। পুৱাৰ ভাগতে অনুষ্ঠিত অধিৱেশনৰ বিষয় বাছনি সভাখন উদ্বোধন কৰে সত্যব্ৰত বৰঠাকুৰে। এই সভাতে সম্পাদকৰ দ্বি-বাৰ্ষিক প্ৰতিবেদন, হিচাপ পৰীক্ষাৰ প্ৰতিবেদন আদি পাঠ আৰু গ্ৰহণৰ লগতে সাংগঠনিক বিষয়াৰ ওপৰত বিস্তাৰিত ভাবে আলোচনা কৰা হয়। সভাত মিলেশ্বৰ পাতৰ সভাপতি, ৰমেশ চন্দ্ৰ বৰ্মন নেতৃত্বাধীন বৰ্তমানৰ কাৰ্যনিৰ্বাহক সমিতিখনকে আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অধিৱেশনৰ লগত সংগতি ৰাখি দুপৰীয়াৰ ভাগত এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। সভাখন আনুষ্ঠানিক ভাবে উদ্বোধন কৰে প্ৰাক্তন সভাপতি ডাঃ পুনিৰাম পাতৰে। সভাত অসম চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক ডাঃ কমল কুমাৰ বৰা, বিষয়ববীয়া ক্ৰমে হেৰম্বপ্ৰসাদ দাস আৰু গুৰুপ্ৰসাদ মেধি নিৰ্দিষ্ট বক্তা আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যৰ চৰকাৰী পেঞ্চনাৰ সকলৰ অভাব অভিযোগ সমূহৰ ওপৰত বিচাৰ বিশ্লেষণ কৰাৰ লগতে সংগঠনটোৰ সাংগঠনিক কাম কাজ সমূহৰ ওপৰত আলোকপাত কৰে। সভাত সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে অতুল চন্দ্ৰ বৰুৱা, হংসধৰ দাস, মৰিগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি ডাঃ নকুল চন্দ্ৰ বৰুৱা, বিশিষ্ট চিকিৎসক ডাঃ তুলেশ্বৰ নাথ, বিশিষ্ট সমাজকৰ্মী ৰীণা ডেকা, ভুপেন্দ্ৰনাথ বৰদলৈ প্ৰমুখ্য কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## মেৰাপানীত তৈলখাদৰ প্ৰচণ্ড শব্দত ব্যাহত বিদ্যালয়ৰ পাঠদান

**অসম বাৰ্তা, মেৰাপানী, ৩০ জুন ঃ** গোলাঘাট জিলাৰ অসম নগালেণ্ড সীমান্তৰৰ মেৰাপানীত স্থাপন হোৱা তৈল্যখাদৰ পৰা সৃষ্টি হোৱা বিকত শব্দৰ ফলত কাষৰীয়া বিদ্যালয়ৰ পাঠদান ব্যাহত হোৱাৰ অভিযোগ উঠিছে । অভিযোগ অনুসৰি ইয়াৰে তৰানি চুক গাৱত নতুনকৈ স্থাপন হোৱা তৈল্যখাদটোৰ পৰা নিয়মিত ভাৱে সৃষ্টি হোৱা বিকত শব্দত তৈল্য খাদটোৰ নিচেই ওচৰতে থকা তৰানি চুক প্ৰাথমিক বিদ্যালয় খনত শৈক্ষিক দিশত ব্যাঘ্যাত জন্মিছে ।ইয়াৰোপৰিও তৈল্যখাদৰ পৰা নিগৰি ওলোৱা দুগোন্ধই বিদ্যালয়ৰ লগতে প্ৰতিবেশী গাওখনকো প্ৰদুষিত কৰি তুলিছে । আজি বিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী , শিক্ষক আৰু স্থানীয় ৰাইজ একত্ৰিত হৈ তৈল্যখাদটোৰ মুল প্ৰবেশ দ্বাৰত গৈ প্ৰতিবাদ কৰিবলৈ বাধ্য হয় । বিদ্যালয়ৰ শিক্ষক তথা ছাত্ৰ ছাত্ৰী সকলে এই প্ৰতিবেদকক জানিবলৈ দি কয় যে উক্ত তৈল্যখাদটোৰ কাম আৰম্ভ হোৱাৰ দিনৰ পৰাই বিদ্যায়ত ছাত্ৰ ছাত্ৰীক শিক্ষা দান কৰিব পৰা নাই । তৈল্যখাদটোৰ পৰা সৃষ্টি হোৱা প্ৰচণ্ড শব্দৰ ফলত বিদ্যালয়ত ব্যাহত হয় পাঠদান ।আনহাতে তৈল্যখাদটোৰ পৰা নিগৰি ওলোৱা বেয়া গোন্ধৰ ফলত কোনো থাকিব নোৱাৰা অৱস্থা সৃষ্টি হয়। সেয়েহে আজি বিদ্যালয়ৰ তৰফৰ পৰা তৈল্যখাদৰ কৰ্তৃপক্ষক ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছো । অন্যথা হলে গাৱৰ ৰাইজ একত্ৰিত হৈ তৈল্যখাদৰ বিৰুদ্ধে আন্দোলন কৰা হুংকাৰ প্ৰদান কৰা বুলি জানিবলৈ দিয়ে । উল্লেখ্য যে মেৰাপানী অঞ্চলটোত বৰ্তমান ন টা তৈল্যখাদ স্থাপন হৈছে । এই সমূহ তৈল্যখাদৰ ভিতৰত তৰানি চুকত স্থাপন হোৱা তৈল্যখাদটোৰ বিৰুদ্ধে এনে অভিযোগ উত্থাপিত হৈছে ।

## ৰবীন্দ্ৰ ভৱনৰ আধাৰ শিলা, ভূমি পূজনত অংশ গ্ৰহণ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস

### বৰপেটাৰোডত ৰবীন্দ্ৰ ভৱনৰ আধাৰশিলা আৰু ভূমি পূজন অনুষ্ঠান

**অসম বাৰ্তা, বৰপেটাৰোড, ৩০ জুন ঃ** বৰপেটাৰোড কেন্দ্ৰীয় ৰবীন্দ্ৰ স্মৃতি মঞ্চৰ ২৫ বছৰীয়া পুৰণি এটি সপোনে আজি বাস্তৱ ৰূপ লাভ কৰে। বৰপেটাৰোডৰ প্ৰগতি সংঘ প্ৰাঙ্গনত নিৰ্মান হব লগীয়া ৰবীন্দ্ৰ ভৱনৰ আধাৰ শিলা আৰু ভূমি পূজনত অংশ গ্ৰহণ কৰে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে।ৰবীন্দ্ৰ ভৱনৰ আধাৰশিলা অনুষ্ঠানৰ অন্তত ৰবীন্দ্ৰ স্মৃতি মঞ্চৰ সভাপতি ডঞ্জ হীৰালাল কৰ্মকাৰৰ সভাপতিত্বত এখনি উদ্বোধনী সভা অনুষ্ঠিত হয়।য'ত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে ভাষণ প্ৰসংগত কয় যে অসমৰ পোন প্ৰথমবাৰৰ বাবে ৰবীন্দ্ৰ ভৱনৰ প্ৰস্তাৱ অসম বিধানসভাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই উত্থাপন কৰাৰ লগতে তাক সমৰ্থন কৰিছিল সেই সময়ৰ বিধায়ক ভাৰতৰত্ন ভূপেন হাজৰিকা আৰু সাহিত্যিক লক্ষ্যধৰ চৌধুৰীয়ে সমৰ্থন কৰিছিল যাৰ বাবে ১৯৬৭চনৰ চৰকাৰখনে গুৱাহাটীত ৰবীন্দ্ৰ ভৱন নিৰ্মাণ হৈছিল। অসমৰ বাবে এইটো এটা ঐতিহ্যপূৰ্ণ কথা বুলি মন্তব্য কৰা ৰঞ্জিত কুমাৰ দাসে আনহাতে শিল্পীয়ে সদায় ভাৰতীয় চিন্তা ধাৰাৰে সাহিত্য সংস্কৃতি আগুৱাই নিয়ে বুলি মন্তব্য কৰে। উল্লেখযোগ্য দুমহলীয়া ৰবীন্দ্ৰ ভৱনটো যদিও দেখাত সৰু তাৰ বিপৰীতে এই ভৱনটোত প্ৰায় ২৫০ জন মানুহ বহিব পৰা সুবিধা থাকিব। বৰপেটাৰোডত নিৰ্মান হ'বলগীয়া ৰবীন্দ্ৰ ভৱনতো সাহিত্য সংস্কৃতিৰে চৰ্চা হ'ব বুলি তেখেতে মন্তব্য কৰে। উল্লেখযোগ্য যে যোগ্যআজিৰ এই সভাতে আগুন্তক বৰ্ষত সামৰণি পৰিবলগীয়া কেন্দ্ৰীয় ৰবীন্দ্ৰ স্মৃতি মঞ্চৰ ৰূপালী জয়ন্তীৰ সভাপতি হিচাপে ৰঞ্জিত কুমাৰ দাসক, কাৰ্যকৰী সভাপতি হিচাপে বিটিআৰৰ কাৰ্য্যবাহী সদস্য গৌতম দাস, বৰপেটাৰোড পৌৰপতি ৰাজেশ সৰকাৰ আৰু ৰঞ্জিত ৰয়ক মনোনীত কৰাৰ লগতে প্ৰদীপ দেৱনাথক সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়া হয়। ড° হীৰালাল কৰ্মকাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী সভাত বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ সৰকাৰ, উপ-পৌৰপতি সুৰথি সাহা, বৰনগৰ ৰাজহ চক্ৰ বিষয়া নিৰ্মল জ্যোতি শৰ্মা, কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ সাধাৰণ সদস্য প্ৰণৱজ্যোতি বৰ্মন, প্ৰগতি সংঘৰ সভাপতি প্ৰদীপ সাহা,বৰপেটাৰোড শাখা সাহিত্য সভাৰ সভাপতি অৰূপ বায়নসহ কেইবাগৰাকীও বিশিষ্টব্যক্তি উপস্থিত থাকে।

# মাকুমৰ দুটাকৈ স্থানত পথ দুৰ্ঘটনা

**অসম বাৰ্তা, মাকুম, ৩০ জুন ঃ** সমগ্ৰ ৰাজ্যত দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে পথ দুৰ্ঘটনাৰ দৰে ঘটনা । ইয়াৰ মূলতঃ কেইবাটাও কাৰণ। তাৰে ভিতৰত অনিয়ন্ত্ৰিত ভাৱে অধিক গতিত বাহন চলোৱা,পথৰ দুৰৱস্থা,গধুৰ যান বাহনৰ দৌৰাত্ম ইত্যাদি । যান বাহনৰ এই সমস্যা সমূহ এতিয়া ৰোধ কৰিব কোনে ? সেইটোকলৈ ডাঙৰ প্ৰশ্ন হৈছে ।ঠিক তেনে ধৰণেৰে মাকুম বালিজান বাইপাছৰ সমীপত ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ঘটনাৰ বিৱৰণ অনুসৰি ডিগবৈৰ পৰা তিনিচুকীয়া অভিমুখে এ এচ ০৬-এ জি- ৯০৬৩ নম্বৰৰ টি ভি এচ ৰাইডাৰ মটৰ চাইকেল এখনত বাইক আৰোহী দুজনে আহি থকা অৱস্থাত ডিগবৈ অভিমুখে গৈ থকা এ এচ ০১-ই ডি-৬৭১৯ নম্বৰৰ লোক নিৰ্মাণ বিভাগৰ এখন বলেৰো বাহনৰ সৈতে দুৰ্ঘটনাটো সংঘটিত হোৱাত বাইপাছটোৰ কাষতে থকা এটা নলাত বাহন দুখনৰ সৈতে বাইক আৰোহী দুজন আৰু চাৰিচকীয়া বাহনখনত থকা দুগৰাকী মহিলা আৰু চালক জন সোমাই পৰে। ঘটনাস্থলীত মাকুম থানাৰ আৰক্ষী উপস্থিত হৈ গুৰুতৰ ভাৱে আঘাত প্ৰাপ্ত হোৱা বাইক আৰোহী দুজনক ১০৮ সেৱাৰ যোগেদি মাকুম স্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আনহাতে চাৰিচকীয়া বাহনখনৰ আঘাত প্ৰাপ্ত হোৱা দুগৰাকী মহিলাক আৰক্ষীয়ে চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে ঘটনা স্থলীত মাকুম আৰক্ষী উপস্থিত হৈ বাহন দুখন উদ্ধাৰ কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। ইপিনে মাকুম বাইপাছত এ এচ -০১-আৰ চি-৫৪৯০ নম্বৰৰ এখন তীব্ৰ বেগেৰে গৈ থকা ডাম্পাৰে পথৰ কাষত ৰখাই থোৱা এ এচ ০৬- ডব্লিউ-৭১০৬ নম্বৰৰ এখন টাটা টিয়া'গ বাহন এখন খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোৰ ফলত কোনো লোকৰ আঘাত হোৱা নাই যদিও টাটা টিয়া'গ বাহন খনৰ যথেষ্ট ক্ষতি সাধন হয়। টাটা টিয়া'গ বাহনখনৰ গৰাকীয়ে কাকপথাৰ বৰদিৰাকৰ পৰা ডিব্ৰুগড় অভিমুখী আছিল ,বিশেষ কাৰণৰ মাকুম বাইপাছত পাৰ্কিং কৰি ৰাখি থৈ যাওঁতে উক্ত দুৰ্ঘটনাটো সংঘটিত হয় ।ইপিনে তীব্ৰ গতিত থকা ডাম্পাৰ খন চাৰি লেণ্ড যুক্ত পথ নিৰ্মাণকাৰী টি টি চি ইনফ্ৰা কোম্পানীৰ বুলি জানিবলৈ পৰাৰ লগতে ডাম্পাৰ চালকজনে টোপনি ক্ষতি অৱস্থাত ডাম্পাৰ খন চলাইছিল বুলি সংবাদ মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰে । পৰৱৰ্তী পৰ্যায়ত ঘটনা স্থলীত মাকুম আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনা গ্ৰস্ত বাহন দুখন মাকুম আৰক্ষী থানালৈ বুলি লৈ অনা হয়। উল্লেখযোগ্য বিষয় যে টি টি চি ইনফ্ৰা কোম্পানীৰ ডাম্পাৰৰ দুৰ্ঘটনা মাকুমত প্ৰায়ে সংঘটিত হৈ থকাৰ বাতৰিয়ে শিৰোনাম দখল কৰি আহিছে ।

## বাক্সাৰ জালাহত মুখ্যমন্ত্ৰীয়ে ৫ জুলাইত আহিবলগীয়া প্ৰস্তুতিৰ বুজ ল'লৈ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে

**ষ্টাফ ৰিপৰ্টাৰ, জালাহ, ৩০ জুন ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ৫ জুলাই তাৰিখে বা' জিলালৈ আহি হিতাধিকাৰীৰ সকলে কেনেধৰণে চৰকাৰী আঁচনি সমূহ লাভ কৰিবলৈ সক্ষম হৈছে তাৰেই এক পৰ্যালোচনা সভাত অংশ গ্ৰহণ কৰিব হেতুকে আজি কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে জালাহস্থিত বাগানৰ ব্ৰহ্ম কিষান মহাবিদ্যালয়ত আহি উদ্যোক্তা আৰু জিলা প্ৰশাসনৰ সৈতে সুকীয়া আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে সংবাদ মাধ্যমৰ আগত কয়, "অহা ৫ জুলাইত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বা'লৈ আহি অৰুণোদয় আঁচনি, এটি কুলি দুটি পাত, মুখ্যমন্ত্ৰী মহিলা উদ্যমী আঁচনিয়ে হওক এইবোৰ আঁচনি বা' জিলাত কেনেকৈ কাৰ্যকৰী কৰিব পাৰি তাৰ ওপৰত আলোচনাৰ কাৰণে এক সভা সভাত অংশ কৰিব। সিদিনা তেওঁ দিনৰ ১১ বজাত চৰকাৰী আলোচনা সভাত ভাগ ল'ব আৰু আবেলি ২ বজাত জিলাখনৰ জালাহত অনুষ্ঠিত হ'বলগীয়া কাৰ্যকৰ্তাৰ সতে মিলিত হৈ আগন্তুক বিটিআৰ নিৰ্বাচন সম্পৰ্কত আলোচনা কৰিব। য'ত বিজেপি দলৰ প্ৰায় চাৰেতিনি হাজাৰ কাৰ্যকৰ্তা থাকিব।" বিটিচি নিৰ্বাচন সম্পৰ্কত মন্তব্য প্ৰকাশ কৰি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পুনৰ কয়," মই যিহেতু এক সময়ত দলৰ সভাপতি আছিলোঁ। সেই ফালৰ পৰা চাবলৈ গলে আমি এটা সমষ্টিৰ পৰা ৯ টা সমষ্টি পাবলৈ সক্ষম হৈছিলোঁ যিহেতু এই বাৰ বিটিচি নিৰ্বাচনত খুৱ কমেও ১৮ টা সমষ্টিতে বিজেপিয়ে জয় লাভ কৰিবলৈ সক্ষম হম। আৰু বা' জিলাৰ ৫ টা পৰিষদীয় সমষ্টিৰ ৫ টাতেই ভাৰতীয় জনতা পাৰ্টীয়ে জয় লাভ কৰাৰ সম্ভাৱনা আছে। " মন্ত্ৰী ৰণজিৎ কুমাৰ দাসক সংগ দিয়ে বিধায়ক ফণীধৰ তালুকদাৰে।

## বান্দৰৰ তাণ্ডৱ ঃ বছৰ বছৰ ধৰি জীয়াতু ভুগিছে লোণপূৰীয়াৰ ৰাইজে

**অসম বাৰ্তা, গেলেকী, ৩০ জুন ঃ** শিৱসাগৰ জিলাৰ পূৰ্বৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত পুৰণি লোণপুৰীয়া , নুনীয়াপট্টি আদিকে ধৰি ইয়াৰ দাঁতিকাষৰীয়া ভালেকেইখন গাওঁত বিগত বছৰ দিন ধৰি কপিকূলৰ তাণ্ডৱ অব্যাহত আছে । একপ্ৰকাৰে এই অঞ্চলৰ ৰাইজৰ নিদ্ৰা হৰণ কৰি আহিছে এই কপিকূলৰ জাকে। যাৰ বাবে এই অঞ্চল সমূহৰ ৰাইজে আজি বছৰ দিন ধৰি কৰিব পৰা নাই শাক-পাচলিৰ খেতি । তদোপৰি এই অঞ্চলৰ ৰাইজৰ বাৰীত লগা কল,কঠাল,আম আদি ভক্ষণ কৰি গছৰ ফল গছতে শেষ কৰি পেলাই গছ গছনি ভাঙি অনিষ্ট কৰিছে কপিকূলে । জানিব পৰা মতে একাংশ লোকৰ ঘৰৰ ভিতৰত কপিকূল প্ৰৱেশ কৰি খাদ্য সামগ্ৰী খাই অনিষ্ট কৰাৰ উপৰিও খাদ্য প্ৰস্তুত কৰা সামগ্ৰী ভাঙি তছনছ কৰি আহিছে । যাৰ বাবে এতিয়া এই অঞ্চলৰ ৰাইজৰ বাবে বৰ্তমান মূৰৰ কামোৰণি হৈ পৰিছে এই কপিকূল । দৈনিক শ-শ কপিকূল আহি তাণ্ডৱ চলোৱাৰ উপৰিও ৰাইজৰ ঘৰৰ ওপৰত উঠি ঘৰৰ টিন পাট পৰ্যন্ত অনিষ্ট কৰাৰ কথা জানিব পৰা গৈছে । বিগত বছৰ বছৰ ধৰি চলি অহা এই সমস্যা সমাধানৰ বাবে স্থানীয় ৰাইজে শিৱসাগৰ বন বিভাগলৈ সংবাদ মাধ্যমৰ যোগেদি অনুৰোধ জনাইছে ।

## দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সমিতিৰ দ্বি বাৰ্ষিক প্ৰতিনিধি সভা, নতুন কমিটি গঠন

**অসম বাৰ্তা, বকো, ৩০ জুন ঃ** অসমৰ ভূমিপুত্ৰ জনগোষ্ঠী কোচ ৰাজবংশী জনগোষ্ঠী। কামৰূপ জিলাৰ বকোৰ বনগাঁও কেম্পৰ মাৰ্কেটিং কমপ্লেক্সত আজি সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ উদ্যোগত দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী সমিতিৰ দ্বি বাৰ্ষিক প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হয়। আজিৰ এই সভাত প্ৰথমে ৰাতিপুৱা পতাকা উত্তোলন, উত্তোলন কৰে সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সাংগাঠনিক সম্পাদক মিলন কুমাৰ দাসে। ইয়াৰ পিছতে মহাবীৰ চিলাৰায় প্ৰতিছবিত বন্তী প্ৰজ্বলন, প্ৰজ্বলন কৰে দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ সাংগঠনিক সম্পাদক নাৰায়ণ মেধিয়ে। একেলগে প্ৰতিছবিত মাল্যাৰ্পন কৰে,মাল্যাৰ্পন কৰে দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী মহিলা সন্মিলনীৰ সভানেত্ৰী স্বৰ্ণলতা মজুমদাৰে। ইয়াৰ পিছতে আৰম্ভ কৰা হয় প্ৰতিনিধি সভা। সভাত সভাপতিৰ আসন-গ্ৰহণ, সভাপতিত্ত কৰে ভাৰপ্ৰাপ্ত সভাপতি হিমাংশু দাসে, ইয়াৰ পিছতে সভাৰ উদ্দেশ্য বাখ্যাৰ লগতে পুৰণি কমিটি ভংগ আৰু নতুন কমিটি গঠন কৰা হয়। আজিৰ এই নতুন কমিটি খন গঠন কৰাত বাচনি কৰে সভাপতি হিচাপে মিলন কুমাৰ দাসক, উপ সভাপতি ভৱেন দাস, সাধাৰণ সম্পাদক দিপেন দাস, সহ সম্পাদক ৰাতুল দাস, সাংগাঠনিক সম্পাদক বিমল দাস, প্ৰচাৰ সম্পাদক ৰাম কুমাৰ দাস, কাৰ্যালয় সম্পাদক নিপেন তালুকদাৰ, সাংকৃতিক সম্পাদক ৰাজেন দাস। ইফালে আজিৰ এই বাৰ্ষিক প্ৰতিনিধি সভাত উপস্থিত থাকে সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্যকৰী সভাপতি অনুপম দাস, দক্ষিণ কামৰূপ জিলা সমিতিৰ সন্মিলনীৰ কাৰ্যালয় সম্পাদক পবিত্ৰ কুমাৰ দাস, মহিলা সন্মিলনীৰ সভানেত্ৰী স্বৰ্ণলতা মজুমদাৰ, কালছাৰেল ছচায়িতিৰ সভাপতি পংকজবীৰ দাস, সম্পাদক মিন্টু পাটোৱাৰী, বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি পবিত্ৰ কুমাৰ দাস, সম্পাদক অৰবিন্দ দাস, বামুণীগাঁও আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি বিতোপন ৰাজবংশীৰ লগতে , বিপুল তালুকদাৰ, ৰুবুল দাসৰ লগতে দক্ষিণ কামৰূপ জিলা সমিতি, বকো আঞ্চলিক আৰু বামুনীগাঁও আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সমূহ বিষয়ববীয়া।

## জালাহত দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ১২৩ সংখ্যক 'মন কী বাত' অনুষ্ঠানত বিধায়ক ফণীধৰ তালুকদাৰৰ অংশগ্ৰহণ

### দূৰদৰ্শনযোগে উপভোগ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, জালাহ, ৩০ জুন ঃ** দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি দেশবাসীৰ মাজত বিভিন্ন মাধ্যমত প্ৰকাশ কৰা ১২৩ সংখ্যক 'মন কী বাত' অনুষ্ঠানটি আজি ভাৰতীয় জনতা পাৰ্টীৰ বা' জিলাৰ জালাহস্থিত ককলাবাৰী মণ্ডল কাৰ্যালয়ত বুথ সমিতিৰ নেতৃবৃন্দ আৰু ৰাইজে দূৰদৰ্শন যোগে উপভোগ কৰে। ককলাবাৰী মণ্ডলৰ সভাপতি নৱ কুমাৰ দাসে আঁতধৰা অনুষ্ঠানত মানাহ বিধানসভা সমষ্টি অভিভাৱক বিধায়ক ফণীধৰ তালুকদাৰ অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত কয়, " আমি আজি বা' জিলাৰ ১০০ক্ষ্য বুথতেই "মন কী বাত" অনুষ্ঠান শুনিছোঁ । আমি আজি সকলোৱে শুভাগ্য যে প্ৰধানমন্ত্ৰীয়ে প্ৰথমেই বিটিআৰক প্ৰসংসা কৰিছে। বিটিআৰৰ উন্নয়ন, বিকাশ, বিটিআৰ চুক্তিৰ পিছত শান্তি প্ৰতিষ্ঠা হৈছে, বিটিআৰত এতিয়া বোমা বাৰুদ বা গুলীৰ শব্দ নাইকীয়া হৈছে। যাৰফলত এতিয়া বিটিআৰত দিনে নিশাই নিসন্দেহে শান্তিৰে কাম কৰিব পৰা হৈছে।" অহা ৫ জুলাইত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা বা'ৰ ককলাবাৰী পৰিষদিয় সমষ্টিৰ জালাহত অৰুণোদয় আঁচনি, মহিলা উদ্যমিতা আঁচনিকে ধৰি ভিন্ন আঁচনি হিতাধিকাৰীৰ মাজত পোৱা সুবিধা প্ৰদান, ককলাবাৰী ৰাইজৰ সমস্যাৰাজি বুজ লোৱাৰ সমান্তৰালকৈ আগন্তুক বিটিচি নিৰ্বাচনত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰা সন্দৰ্ভত দলীয় ভেটি মজবুত কৰাৰ লক্ষ্যৰে সভাত অংশগ্ৰহণ কৰিব বুলি মানাহ বিধানসভা সমষ্টিৰ অভিভাৱক বিধায়ক ফণীধৰ তালুকদাৰে জানিব দিয়ে। অনুষ্ঠানত ২৭ নং বুথৰ সভাপতি দীপেন নাথৰ লগতে পবিত্ৰ নাথ, কুলেন কুমাৰ নাথ, ৰাজেশ দাস, সত্যজিৎ দাস, ককলাবাৰী মণ্ডলৰ সাধাৰণ সম্পাদক প্ৰণৱ নাথকে আদি কৰি কেবাগৰাকী দলীয় নেতাই অংশগ্ৰহণ কৰে।

## ডিগবৈ মুলিয়াবাৰিস্থিত মহিলা মহাবিদ্যালয়ত ভেৰিয়েণ্ট এডুকেশ্বন বুইল্ডিং ফাউণ্ডেশ্যনৰ কেৰিয়াৰ গাইডেন্স মিট অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, ডিগবৈ, ৩০ জুন ঃ** ডিগবৈ মুলিয়াবাৰিস্থিত মহিলা মহাবিদ্যালয়ত ভেৰিয়েণ্ট এডুকেশ্বন বুইল্ডিং ফাউণ্ডেশ্যনৰ উদ্যোগত আৰু ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সহযোগত কেৰিয়াৰ গাইডেন্স মিট অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰা মহাবিদ্যালয়ৰ ছাত্ৰীৰ আগন্তুক হ'বলগীয়া চৰকাৰী চাকৰি তথা চৰকাৰী প্ৰতিযোগিতামূলক পৰীক্ষাত কেনেদৰে প্ৰস্তুতি চলাব পাৰে, প্ৰস্তুতি চলাই যাতে মহাবিদ্যালয়ৰ ছাত্ৰী সকলে কেনেদৰে ভাল ফলাফল লাভ কৰিব পাৰে সেই বিষয়ে আজিৰ অনুষ্ঠান ভেৰিয়েণ্ট এডুকেশ্বন বুইল্ডিং ফাউণ্ডেশ্যনৰ তিনিচুকীয়া জিলাৰ পৰামৰ্শদাতা জাভেদ আলিয়ে অৱগত কৰে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ জুভিয়েল কলিতা, অধ্যাপক ডঃ পংকজ লোচন গগৈ, অধ্যাপিকা ডঃ নিতামনী বৰদলৈ, অধ্যাপিকা ডঃ প্ৰীতিদল বৰুৱা, সাংবাদিক দীপাংকৰ শৰ্মা, সাংবাদিক জুলন স্বৰ্গীয়াৰী, সাংবাদিক হাছান আখটাৰ ফৰিদ, ছাত্ৰী একতা সভাৰ ষষ্ঠিনা মৰাণ, সাহিবা ৰুকসাৰ খানম, স্নেহা তন্তবাই আৰু লক্ষ্মী চুতীয়াৰ লগতে মহাবিদ্যালয়ৰ প্ৰায় পাঁচ শতাধিক ছাত্ৰী উপস্থিত থাকি পৰিবেশ জীপাল কৰি তোলে।

## সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্ট্ৰাচাৰ্য্যৰ মাতৃ বিয়োগত সমবেদনা জ্ঞাপন অসম উন্নয়ন পৰিষদৰ সভাপতি মৌচুম কুমাৰ উজীৰৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩০ জুন ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা তথা অসম আন্দোলনৰ মুখ্য নেতা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যৰ মাতৃ বীণা ভট্টাচাৰ্য্যই যোৱা ২৪ জুন, মঙ্গলবাৰে ৯৫ বছৰ বয়সত গুৱাহাটী জটিয়াৰ জীয়ৰীৰ ঘৰত ইহলীলা সম্বৰণ কৰে। তেখেতৰ মাতৃ বিয়োগত তেখেতৰ সতীৰ্থ বন্ধু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্তবিশ্ব শৰ্মাকে আদি কৰি ৰাজ্যৰ বিভিন্ন দল সংগঠন, সমাজসেৱী আৰু নাগৰিক সমাজে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে সমবেদনা জ্ঞাপন কৰিছে। ইয়াৰ মাজতে ৰাজ্যৰ আৰ্থ সামাজিক উন্নয়নৰ দিশত একাগ্ৰতাৰে কাম কৰি অহা অসমৰ অন্যতম সামাজিক তথা জাতীয় সংগঠন অসম উন্নয়ন পৰিষদৰ সভাপতি মৌচুম কুমাৰ উজীৰৰ নেতৃত্বত এটা সঁজাতী দলেও কালি ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যৰ বাসগৃহত উপস্থিত হৈ তেখেতৰ মাতৃৰ বিয়োগত শোক প্ৰকাশ কৰি তেখেতৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। অসম উন্নয়ন পৰিষদৰ সভাপতি মৌচুম কুমাৰ উজীৰে শ্ৰদ্ধাঞ্জলিত প্ৰয়াত বীণা ভট্টাচাৰ্য্যৰ সমাজসেৱা, ধৰ্মীয় মূল্যবোধ আৰু সন্তানক সৎপথত আগবঢ়োৱাৰ কথা বিশেষকৈ উল্লেখ কৰে।কালি ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ গৃহত উপস্থিত হৈ তেখেতৰ মাতৃক শ্ৰদ্ধাঞ্জলি জনোৱা ও সমবেদনা জ্ঞাপন কৰা অসম উন্নয়ন পৰিষদৰ সজাতি দলটোত সভাপতি গৰাকীৰ লগত সাধাৰণ সম্পাদক চন্দন বৰদলৈও উপস্থিত আছিল।

### লাহৰীঘাটৰ ধুমকুৰা সমবায় গুডামত জব্দকৃত চৰকাৰী চাউল গাতত পোতা কাণ্ডই সৃষ্টি কৰিছে ৰহস্য

# নৱনিযুক্ত আয়ুক্তই কাৰ্যভাৰ লোৱাৰ পূৰ্বেই গোডামত জব্দকৃত বৃহৎ পৰিমাণৰ চৰকাৰী চাউল পুতি চাউল চোৰক সুৰক্ষা দিয়াৰ চেষ্টাৰ অভিযোগ

**অসম বাৰ্তা, ভূৰাগাঁও, ৩০ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ ধুমকুৰা সমবায় সমিতিৰ গোডামত জব্দকৃত চাউল মঙ্গলবাৰে লাহৰীঘাট যোগান বিভাগৰ নেতৃত্বত নদীৰ পাৰত পোতাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা প্ৰতিক্ৰীয়া বৰ্তমানো অব্যাহত আছে । বিশেষকৈ প্ৰায় আঢ়ৈ বছৰ ধৰি গোডামত জব্দ কৰি ৰখা বিনামুলীয়া চাউল কিয় জিলা আয়ুক্ত গৰাকী বদলি হোৱা মাত্ৰকে নৱনিযুক্ত আয়ুক্ত গৰাকীৰ অজ্ঞাতে ধুমধামেৰে নদীৰ পাৰত পোতা হ'ল তাক লৈ বিভিন্ন জনে সন্দেহৰ আঙুলি টোৱাইছে মৰিগাঁও যোগান বিষয়া জনৈক বায়ন আৰু লাহৰীঘাট সমজিলাৰ যোগান পৰিদৰ্শক মিৰ্জা মাছুদ বিন গালিভলৈ। বহু লোকৰ মতে এয়া গালিভৰ চোৰক সুৰক্ষা দিয়াৰ চেষ্টা তথা পিছ দুৱাৰেদি চাউল চোৰক সাত খুন মাফ কৰাৰ কৌশল নদীৰ পাৰত বস্তাই বস্তাই বগা চাউল পুতি কলা অধ্যায় গাপ দিয়াৰ চেষ্টা কৰিছে বুলি ক্ষেত্ৰত দৰিদ্ৰ হিতাধিকাৰীয়ে ক্ষোভ উজাৰে সংবাদ মাধ্যমৰ সন্মুখত। ক্ষেত্ৰত হিপজুৰ আলী নামৰ লোক জনে কয় যে - সুলভ মূল্যৰ চাউল নষ্ট হোৱা বুলি ফৰেনচিক ৰিপৰ্ট উলিয়াই গোপনে চাউল পুতি যোগান বিভাগে কাঢ়ি খালে এজাক ভোকাতুৰ দৰিদ্ৰৰ মুখৰ ভাত। উল্লেখ্য যে মৰিগাঁও যোগান বিভাগত নিলম্বিত যোগান বিষয়া মতিনুৰ ৰহমান বাহিনীৰ ভুৱা অন্ত্যোদয়া কাৰ্ডৰ ভয়ংকৰ দূৰ্ণীতিৰ দস্তাবেজ, পূৰ্বে দৈনিক অগ্ৰদূত কাকতত সবিস্তাৰে প্ৰচাৰ হৈছিল। অগ্ৰদূতৰ বাতৰিৰ পাছত ঘটনা টোৰ সন্দৰ্ভত সদনতো প্ৰশ্নৰ সন্মুখিন হৈছিল যোগান মন্ত্ৰী। অগ্ৰদূতত তথ্য সহকাৰে ধাৰাবাহিক বাতৰি পৰিবেশনৰ পাছতে প্ৰথমে বদলি আৰু পাছত নিলম্বিত হৈছিল মৰিগাঁও জিলাৰ দূৰ্ণীতিগ্ৰস্ত যোগান বিষয়া মতিনুৰ ৰহমান। কিন্তু মৰিগাঁও যোগান বিভাগক মতিনুৰৰ জ্বৰে এৰিলেও যেন কপনিয়ে এৰা নাই। যাৰ বাবে মতিনুৰৰ সাংগোপাংগই জিলা খনৰ যোগান বিভাগত চলাই গৈছে ইটোৰ পাছত সিটো দূৰ্ণীতি। বৰ্তমানৰ যোগান বিষয়া ৰূপম বায়নৰ কাৰ্যকালত লাহৰীঘাট সমজিলাৰ যোগান পৰিদৰ্শক মিৰ্জা মাশ্বুদ বিন গালিভৰ নেতৃত্বত সংঘটিত হ'ল যোগান বিভাগৰ জব্দকৃত চুৰি চাউল নদীৰ পাৰত বস্তাই বস্তাই পোতাৰ ৰহস্যজনক ঘটনা।ঘটনাৰ বিবৰণী মতে জিলাখনৰ মৈৰাবাৰী লোচনাবড়ী আৰু লাহৰীঘাটৰ ধুমকুৰা সমবায় সমিতিৰ একাংশ এজেণ্টে দৰিদ্ৰ হিতাধিকাৰীৰ নামত আৱন্তিত সুলভ মূল্যৰ বৃহৎ পৰিমাণৰ চাউল আত্মসাৎ কৰি বিক্ৰীৰ বাবে ব্লুপ্ৰিণ্ট ৰচনা কৰিছিল ২০২২ চনত। কিন্তু এই সন্দৰ্ভত তদানিন্তন আৰক্ষী সঞ্চালক প্ৰধান জিপি সিঙে লাভ কৰা এক অভিযোগ মৰ্মে মৰিগাঁও জিলা আয়ুক্তলৈ বিষয় টি তদন্তৰ বাবে মেইল যোগে জনোৱাত তদানিন্তন জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই তদন্ত ঘোষনা কৰিছিল ২০২২ বৰ্ষত। তদন্তৰ অন্তত তদন্তকাৰী বিষয়াৰ প্ৰতিবেদনৰ ভিত্তিত লোচনাবড়ী সমবায় সমিতিৰ নামত আৱন্তিত তথ্য বহিৰ্ভূত ২৬০০ কুইণ্টল, আৰু লাহৰীঘাটৰ ধুমকুৰা সমবায় সমিতিৰ ৫৬৯ কুইণ্টল ৪৭ কেজি চাউল জব্দ কৰা হৈছিল ২৯ ১১ ২০২০ তাৰিখে । ঘটনা টোৰ সৈতে লোচনাবড়ী সমবায় সমিতিৰ ৪৬ জন এজেণ্টেই জৰিত থকা বুলি অভিযোগ আছিল যদিও মাত্ৰ ১৯ জন এজেণ্টৰ তথ্য পাতি পৰীক্ষা কৰি তদানিন্তন যোগান বিষয়াই তদন্ত সামৰিছিল। ৰঙাঘৰৰ আলহি হৈছিল ৯ জনকৈ এজেণ্ট। ইয়াৰ বিপৰীতে ১০ জন এজেণ্টে আত্মগোপন কৰি থাকি লাভ কৰিছিল আগতীয়া জামিন। জি পি সিঙৰ দৃঢ় পদক্ষেপৰ পাছতো মৰিগাও যোগান বিভাগৰ সোপা ঢিলা নীতিৰ বাবে লোচনাবড়ীৰ দূৰ্ণীতিগ্ৰস্ত এজেণ্ট ছাইফুল ইছলামকে প্ৰমোখ্য কৰি কেবাজনো এজেণ্ট সাৰি যায় আৰক্ষীৰ জালৰ পৰা। তেতিয়াৰ পৰা লোচনাবড়ী সমবায় সমিতিৰ ২৬০০ কুইণ্টল জব্দকৃত চাউল লোচনাবড়ী সমবায় সমিতিৰ গোডামত আৰু ৫৬৯ কুইণ্টল ৪৭ কেজি চৰকাৰী চাউল ধুমকুৰা সমবায়ৰ গোডামত ছিল কৰি ৰখা হৈছিল। তাৰ পাছতে চলিছিল সমবায়ৰ গোডামৰ পৰা চাউল চুৰিৰ প্ৰক্ৰিয়া। ২০২৩ চনত ধুমকুৰা সমবায় গোডামৰ চালৰ টিন পাত এৰুৱাই ১৫০ বেগ চাউল গোডামৰ ওপৰেদি চোৰে নিয়া বুলি লাহৰীঘাট থানাত সমবায় কৰ্তিপক্ষই এটি গোছৰ তৰিছিল। ঘৰৰ ছালৰ টিং এৰুৱাই ওপৰেদি ১৫০ বেগ চাউল চোৰে পাৰ কৰি নিয়াৰ দৰে অবিশ্বাস্য ঘটনাৰো কোনো তদন্ত নহল। তাৰ মাজতে পূৰ্বৰ নিলম্বিত যোগান বিষয়া মতিনুৰ ৰহমানৰ দিনতে লোচনাবড়ী সমবায় গোডামৰ জব্দকৃত চাউল পচি গৈছে বুলি পতিয়ন নিয়াই চাউল পোতাৰ চেষ্টা চলিছিল। কিন্তু এনে কাৰ্যত তদানিন্তন জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ সেউজ সংকেট লাভ নকৰিলে যোগান বিভাগে। তদুপৰি স্হানীয় লোকে তেনে কৰিলে ৰাইজৰ সন্মুখতে চাউল ওজন কৰি পুতিব লাগিব বুলি দাবী কৰাত মৰিগাঁও যোগান বিভাগৰ কৌশলী নাটক খন সিমানতে অন্ত পৰিছিল। অৱশেষত সেই একেই কৌশল প্ৰয়োগ কৰি ধুমকুৰা গোডামৰ চাউল নষ্ট হোৱাৰ ফৰেনচিক ৰিপৰ্ট উলিয়াই লাহৰীঘাট সমজিলাৰ যোগান পৰিদৰ্শক মিৰ্জা মাশ্বুদ বিন গালিভে দেখুৱালে বিৰম্বনা। মিৰ্জা মাশ্বুদ বিন গালিভে ফৰেনচিক ৰিপৰ্ট জিলা আয়ুক্ত দেৱাশীষ শৰ্মা মৰিগাঁৱত কাৰ্যনিবাহ কৰি থাকোতেই লাভ কৰে যদিও আয়ুক্ত গৰাকীৰ বদলিৰ নিৰ্দেশৰ কথা জানি অপেক্ষা কৰে সুবৰ্ণ সুযোগৰ বাবে। যোৱা ১৬ জুনত আয়ুক্ত গৰাকী বদলি হোৱা মাত্ৰকে নৱনিযুক্ত জিলা আয়ুক্ত অনামিকা তিৱাৰীলৈ অপেক্ষা নকৰি ১৬ জুনৰ দিনাই ধুমকুৰা সমবায় গোডামত থকা চাউল খিনি নষ্ট কৰাৰ অনুমোদন পত্ৰত ভাৰপ্ৰাপ্ত জিলা আয়ুক্ত গৰাকীৰ চহী লৈ ২৪ জুনত লাহৰীঘাটৰ চেনিমাৰীৰ নদীৰ পাৰৰ দুলাল উদ্দিনৰ মাটিত গাত খান্দি পুতি বগা চাউলৰ কলা অধ্যায় গাপ দিয়াৰ চেষ্টা কৰে। চাউল পোতাৰ সময়ত গালিবৰ সৈতে উপস্হিত আছিল লাহৰীঘাট সম জিলাৰ অতিৰিক্ত আয়ুক্ত প্ৰমোদ শৰ্মা আৰু যোগান পৰিদৰ্শক জিতুল পাঠক। এই বিষয়ে অজ্ঞাত আছিল স্হানীয় আৰক্ষী। যাৰ বাবে তদন্ত কৰিবলৈ গৈ উলুবাৰী আৰক্ষীয়ে চাউল পোতা গাতৰ প্ৰতিবেশী সাধাৰণ লোককহে মাৰ ধৰ কৰি বিৰত্ব পদৰ্শন কৰিছিল। ইফালে চৰকাৰী চাউল পোতাৰ দৰে এটা ঘটনাৰ ভুকে নাপালে লাহৰীঘাট সমজিলাৰ আয়ুক্ত স্বয়ং প্ৰাঞ্জল বৰুৱাই। যোগান পৰিদৰ্শক গালিভক এই সন্দৰ্ভত সোধাত তেওঁ কয় যে - সেইদিনা সম্পুন্ন নীতি নিয়ম ৰক্ষা কৰি ধুমকুৰা সমবায় সমিতিৰ গোডামত জব্দ হৈ থকা ৩০৫ বেগ চাউল গাত খান্দি পোতা হৈছে। তদুপৰি তেওঁ কয় আগন্তুক দিনত চৰকাৰে তেল, চেনী আদিও সুলভ মূল্যত দিব। যাৰ বাবে গোডামৰ প্ৰয়োজন হব। সেইবাবে পচা চাউল বোৰ পুতি গোডাম টো সাজু কৰা হৈছে। গোডামটোত পূৰ্বে জব্দকৃত ৫৬৯ কুইণ্টল ৪৭ কেজি চাউল আছিলনে বুলি সোধাত তেওঁ কয় - এন্দুৰ নিগনিয়ে বহু চাউল নষ্ট কৰা বাবে সিমান চাউল নাই যেন লাগে। তদুপৰি চাউল পোতাৰ আগত জোখ মাফ নাই কৰা বুলি তেওঁ জানিব দিয়ে। কিন্তু ইয়াৰ পৰিবৰ্তে কিমান বস্তা পুতিলে আৰু বস্তা বোৰত কিমানকৈ চাউল আছিল এই সন্দৰ্ভত স্হানীয় প্ৰত্যক্ষদৰ্শীয়ে সংবাদ মাধ্যমত জনোৱা মতে সৰু গাত টোত খুব বেছি ১৫০ টা বস্তা চাউল পোতা হৈছে আৰু বস্তা বোৰৰ বহুততে ৮ - ১০ কেজি মানকৈহে চাউল আছিল। বিভাগীয় বিষয়া আৰু প্ৰত্যক্ষদৰ্শীৰ সম্পুন্ন বিপৰীত মন্তব্যই সমগ্ৰ ঘটনাটো অধিক ৰহস্যজনক কৰি তুলিছে। এনেক্ষেত্ৰত গোডামত থকা জব্দকৃত কিছু চাউল পুতি এন্দুৰ নিগনিৰ ওপৰত দোষ জাপি দি পিছ দুৱাৰেদি বুজন পৰিমাণৰ চাউল বিক্ৰী কৰা হ'ল নেকি বুলি প্ৰশ্ন উত্থাপন কৰিছে বহু লোকে । তদুপৰি কিয় জিলা আয়ুক্ত গৰাকী বদলি হোৱা মাত্ৰকে নৱনিযুক্ত আয়ুক্তলৈ অপেক্ষা নকৰি ইমান ধুমধামেৰে জব্দকৃত চাউল পুতি দৰিদ্ৰৰ মুখৰ ভাত কাঢ়ি খোৱা হ'ল তাক লৈয়ো সন্দেহ ব্যক্ত কৰিছে স্হানীয় লোকে।এনেক্ষেত্ৰত লোচনাবড়ী সমবায় সমিতিৰ গোডামত জব্দকৃত ২৬০০ কুইণ্টল চাউলো বৰ্তমান কেনে অৱস্হাত আছে তাক লৈয়ো সন্দেহ ঘনিভুত হৈছে। কাৰণ বিভিন্ন সময়ত চাউলৰ গোডামৰ পৰা চাউল চোৰ হৈ থকা বুলি অভিযোগ উত্থাপন হৈ আহিছে। এনে ঘটনাৰ পাছত সমগ্ৰ বিষয় টোত নৱনিযুক্ত জিলা আয়ুক্ত অনামিকা তিৱাৰীৰ হস্তক্ষেপ বিছাৰিছে বঞ্চিত হিতাধিকাৰী সকলে। তদুপৰি চৰকাৰী চাউল নষ্ট হলেও সেয়া ওজন নকৰাকৈ নষ্ট কৰাৰ সুযোগ প্ৰদান নকৰিবলৈ জিলা আয়ুক্তক আহ্বান জনাইছে স্হানীয় লোকে। এনেক্ষেত্ৰত জিলা আয়ুক্ত গৰাকীৰ পদক্ষেপ লক্ষনীয় হব।

## মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক গৰিহণা মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩০ জুন ঃ** অসম চৰকাৰৰ এগৰাকী দায়িত্বশীল মন্ৰী জয়ন্তমল্ল বৰুৱাই সাংবাদিকক উদ্দেশ্য কৰি তৰল আৰু অশালীন মন্তব্য কৰা কাৰ্যক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তীব্ৰ ভাষাৰে গৰিহণা দিছে মৰিগাঁও জিলা সাংবাদিক সংস্থাই ।মৰিগাঁও জিলা সাংবাদিক সংস্হাৰ সভাপতি অজিত শৰ্মা আৰু সম্পাদক গুলজাৰিলাল শৰ্মাই মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ এনে কটূ মন্তব্য কৰি কেবল সাংবাদিকক্ষেত্ৰ খনক অপমানিত কৰাই নহয় সামাজিক ক্ষেত্ৰ খনলৈ অশুভ ইংগিত প্ৰদান কৰি মন্ত্ৰী গৰাকীয়ে নিকৃষ্ট মানসিকতাৰ পৰিচয় দাঙি ধৰা বুলি তীব্ৰ সমালোচনা কৰে। মৰিগাঁও জিলা সাংবাদিক সংস্থাই মন্ত্ৰী গৰাকীক ৰাজহুৱাকৈ ক্ষমা খোজাৰ দাবী জনোৱা লগতে ভৱিষ্যতে সাংবাদিকৰ সন্দৰ্ভত এনেধৰণৰ তাচ্ছিল্যসূচক মন্তব্য প্ৰকাশ কৰাৰ পৰা বিৰত থাকিবলৈ সকীয়নী প্ৰদান কৰে। উল্লেখ্য যে ক্ষমতাৰে মূৰত ধৰা লেখীয়া আচৰণ প্ৰকট কৰি মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ইয়াৰ পূৰ্বেও সাংবাদিকৰ সন্দৰ্ভত বিৰূপ মন্তব্য প্ৰকাশ কৰি আহিছে বুলি অভিযোগ উত্থাপন কৰি সংস্থাৰ সভাপতি অজিত শৰ্মাই ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তেওঁৰ একান্ত অনুগামী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা অগণতান্ত্ৰিক আৰু সভ্য সমাজক উদ্বিগ্ন কৰা এনেবোৰ কাৰ্যৰ ক্ষেত্ৰত হস্তক্ষেপ কৰি বাৰন কৰা পদক্ষেপ লোৱাৰ দাবী জনায়। আনহাতে নীতি, আদৰ্শ আৰু গনতান্ত্ৰিক প্ৰমূল্যবোধত বিশ্বাসী বুলি সততে ঘোষণা কৰা বিজেপি দলে সংবাদকৰ্মীক তুচ্ছ তাচ্ছিল্যসূচক মন্তব্য নিজৰ অসহিষ্ণুতা আৰু দাম্ভিক আচৰণ কৰা বিজেপি দলৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈ আহ্বান জনায় । ইপিনে মৰিগাঁও জিলা জেষ্ঠ নাগৰিক সভাৰ সভাপতি মহেন্দ্ৰ নাথ হাজৰিকাইয়ো অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নিজৰ অপকৰ্মৰ প্ৰত্যুত্তৰ দিবলৈ গৈ সংবাদকৰ্মীক ৰাজহুৱাকৈ কৰা অপমানক ধিক্কাৰ দি ৰাজহুৱাকৈ ক্ষমা খোজাৰ দাবী উত্থাপন কৰিছে। আনফালে সদৌ অসম সাংবাদিক সংস্থাৰ মৰিগাঁও জিলা সমিতি তৰফৰ পৰাও মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই গণতন্ত্ৰ চতুৰ্থ স্তম্ভ তথা সাংবাদিকক লৈ কৰা এনে তৰল মন্তব্যক তীব্ৰ সমালোচনা কৰে। লগতে মন্ত্ৰী গৰাকী এই মন্তব্যক সদৌ অসম সাংবাদিক সংস্থাৰ মৰিগাঁও জিলা সমিতিৰ লগত জড়িত কোনো লোকে মানি নলয় ।এই ক্ষেত্ৰত তেওঁ ৰাজহুৱাকৈ সংবাদ কৰ্মী সকলৰ ক্ষমা খুজিব লাগে বুলি সদৌ অসম সাংবাদিক সংস্থাৰ মৰিগাঁও জিলা সমিতি সভাপতি পুলিন কাকতি আৰু সম্পাদক মিলন কাকতিয়ে মন্তব্য প্ৰকাশ কৰে।

## দেৰগাঁও বঙ্গাল গাঁৱৰ এটা পথৰ কদয্য অৱস্থাই জীয়াতু ভোগাইছে ৰাইজক

### কাণসাৰ নাই লোকনিৰ্মাণ বিভাগৰ

**অসম বাৰ্তা, দেৰগাঁও, ৩০ জুন ঃ** দেৰগাঁৱৰ খুমটাই সমষ্টিৰ অৰ্ন্তগত ইতিহাস প্ৰসিদ্ধ অসুৰ আলিৰ দুৰৱস্থাই বহুদিন ধৰি জলাকলা খুৱাইছে পথটোৰে অহা যোৱা কৰা পথাচাৰিৰ লগতে এক বৃহৎ অঞ্চলৰ ৰাইজক। দেৰগাঁও চহৰৰ গাতে লাগি থকা বঙ্গাল গাঁৱৰ মাজেৰে যোৱা পথটো আজি প্ৰায় ১৩ ১৪ বছৰ পূৰ্বে নিৰ্মাণ কৰা হৈছিল আৰু তাৰপিছত নিয়মিতভাৱে কোনো মেৰামতিৰ কাম হোৱা নাছিল। এবাৰ পথটোৰ মেৰামতি হৈছিল যদিও কাম চূড়ান্ত বেয়া হোৱাৰ বাবে এবছৰৰ ভিতৰতে পুনৰ বেয়া হৈ যায়। ইয়াৰ পিছৰ পৰা কোনো ধৰণৰ মেৰামতি নোহোৱাত পথটো পুনৰ জহি-খহি যোৱা আৰম্ভ হ'ল। আজিৰ তাৰিখত এই পথটোৰ অৱস্থা একেবাৰে তথৈবচ। চাৰিকিলোমিটাৰ দৈঘ্যৰ পথটোত বহু ঠাইত দ-দ গাত। এদিন বৰষুণ দিলে কমেও দহদিনৰ বাবে গাতৰ পানী নুশুকাই। উল্লেখ্য যে, বৰষুণৰ বতৰত এই পথটোৰে পথাচাৰি কোন কাৰণতে খোজকাঢ়ি অহা-যোৱা কৰিব নোৱাৰে। পথৰ বহু অংশত গাতহে আছে। গাতৰ মাজত ক'ৰবাতহে পথ দেখা যায়। ভৰিৰ জোতা-চেন্দেল খুলি নললে কোনো কাৰণতে আগুৱাব নোৱাৰি পথটোৰে।। ৰাইজৰ অভিযোগ নিশা হ'লে এই পথৰ নানা অংশত বাগৰি পৰে চাইকেল আৰু বাইক আৰোহী। ইপিনে এই পথেৰে অহা-যোৱা কৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অৱস্থা দুগুনে শোচনীয় হয়। দেৰগাঁও শান্তিপুৰৰ চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দেৰগাঁও-গোলাঘাট সংযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথ সংযোগী পথটোৰ দুৰাৱস্থা দেখিলে সচেতন সকলো ব্যক্তিয়েই ক'ব এইয়াই নেকি আজিৰ দিনৰ উন্নয়নৰ প্ৰকৃত ছবি। বৃহৎ বৃহৎ খালৰ মাজত ক'ৰবাতহে জিলিকি থাকে পথৰ সামান্য কিছু অংশ। চহৰৰ গাতে থকা এই পথটো অতি ব্যস্ত পথ। দৈনিক শ-শ লোক আৰু কেইবাখনো গাঁৱৰ ছাত্ৰ-ছাত্ৰী এই পথেৰেই শিক্ষানুষ্ঠানলৈ ওলাই যাব লাগে এনেক্ষেত্ৰত সকলো লোক ভয়াৱহ সমস্যাৰ সন্মুখীন হৈছে। ইমানৰ পিছতো পথটো মেৰামতিৰ ক্ষেত্ৰত কাণসাৰ নাই লোক নিৰ্মান বিভাগ আৰু ৰজাঘৰৰ। আন নালাগে দহদিনলৈ দ-দ গাত সমূহ বোকা-পানীৰে ভৰ্তি হৈ থাকিলেও লোকনিৰ্মান বিভাগৰ কোনো লোক এজনে ইয়াত ভুমুকি নামাৰে। ৰাইজে বৰ্তমান সংলিষ্ট কৰ্তৃপক্ষৰ ওচৰত পথটো মেৰামতিৰ দাবী জনাইছে।

## চিপিপিৰাইএছ এনজিঅ'ৰ উদ্যোগত সজাগতা সভা

**অসম বাৰ্তা, কোকিলা, ৩০ জুন ঃ** বঙাইগাঁও জিলাৰ কোকিলা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত চাকলা পশ্চিমপাৰা যুৱ সংঘৰ উদ্যোগত অনুষ্ঠিত হোৱা সজাগতা সভাত উপস্থিত থাকে অভয়াপুৰী সমজিলাৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক ড০ অনুপজ্যোতি বৰা। জানিব পৰা মতে - চাকলা পশ্চিমপাৰা যুৱ সংঘ(এনজিঅ)ৰ উদ্যোগত লৰা ছোৱালীৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ দিনজোৰা কাৰ্যসূচীৰে ছাত্ৰ ছাত্ৰীৰ মাজত বিভিন্ন খেল-ধেমালি অনুষ্ঠিত কৰে। আবেলি কোকিলা প্ৰেছ ক্লাবৰ সভাপতি মকিবুল ইছলামৰ সঞ্চালনাত শিশুৰ অধিকাৰ, বাল্য বিবাহ, ড্ৰাগছ, মহিলা সৱলীকৰণ আৰু অন্ধ বিশ্বাস দূৰীকৰণ সম্পৰ্কে যুৱ সমাজৰ কৰণীয় শীৰ্ষক সজাগতা সভা অনুষ্ঠিত হয়। সভাত অভয়াপুৰী সমজিলাৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক ড০ অনুপজ্যোতি বৰা, সাংবাদিক ইয়াছিন আলী, বঙাইগাঁও জিলা যুৱকংগ্ৰেছৰ সভাপতি আইৰিচ আহমেদ, এনজিঅৰ সভাপতি লোকমান হুছেইন খান, আৰু সম্পাদক সাহাজুল ইছলামে উক্ত বিষয় সমূহৰ ওপৰত বিতং ভাৱে বক্তব্য দিয়ে ।সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰে অসম বাৰ্তা কাকতৰ কোকিলাৰ সাংবাদিক ইয়াছিন আলী। সাংবাদিক ইয়াছিন আলীয়ে ভাষণ প্ৰসংগত কয় যে এখন নিকা সমাজ গঢ়িবলৈ হলে প্ৰশাসনৰ লগতে স্থানীয় সচেতন যুৱ সমাজ আগবাঢ়ি আহিব লাগিব লগতে বাল্য বিবাহ সম্পৰ্কে কয় যে অপ্ৰাপ্ত বয়স্কত কোনো লৰা ছোৱালী বিবাহপাশত আবদ্ধ হলে নিজৰ জীৱন্ত শৱদেহ নিজে কঢ়িয়াই ফুৰিব লাগিব। সাংবাদিক ইয়াছিন আলীয়ে আৰু কয় যে অপৈনত অৱস্থাত যদি কোনো লৰা ছোৱালী বিবাহ পাশত আৱদ্ধ হয় তেতিয়াহলে তাৰ পৰা অপৈনত সন্তান জন্ম হোৱাৰ সম্ভাৱনা থাকে। সেয়ে অপ্ৰাপ্ত বয়সত যাতেঞ্জ কোনো লৰা ছোৱালী বিবাহ পাশত আৱদ্ধ নহয় তাৰ প্ৰতি সমাজৰ সকলোকে সজাগ হবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত সমজিলা আৰক্ষী অধীক্ষক ডা০ অনুপজ্যোতি বৰাই কয় যে শিশু সকলোক জীৱনৰ আদিপাঠৰ পৰাই বুজাই উঠাব লাগে যে মদ, ভাং ড্ৰাগছ আদি যে এটা এটা জীৱন ধ্বংসকাৰী বস্তু লগতে কয় যে আৰক্ষী সকলোৰ লগত সমাজৰ সচেতন ব্যক্তি সকলে সহযোগ কৰিলে সোনকালে এখন নিকা সমাজ গঢ়ি উঠিব। আৰক্ষী সদা সক্ষম হৈ আছে অসামাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে । সভাপতি মকিবুল ইছলামে কয় যে প্ৰতিটো অঞ্চলতে যাতে এনেদৰে সজাগতা সভা অনুষ্ঠিত হয় আৰু যুৱ সমাজে যাতে নিকা সমাজ গঢ় দিবলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ হয়। সন্ধিয়া এনজিঅৰ সভাপতি লোকমান হুছেইন খানৰ পৌৰহিত্বতত মুকলি ও বটা বিতৰনী সভা অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাবে উপস্থিত থাকে অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ নেতা নুৰুল ইছলাম, বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে ১১ নং কোকিলা জিলা পৰিষদৰ সদস্য ৰমেজ উদ্দিনসহ বহু সংখ্যক লোক থাকে। সন্ধিয়া জিলা পৰিষদৰ সদস্য ৰমেজ উদ্দিনে সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে।

## শিৱসাগৰত সন্মিলিত নাগৰিক মঞ্চ গঠন

**অসম বাৰ্তা, দিচাংমুখ, ৩০ জুন ঃ** গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত সংবিধানৰ ৰক্ষণাবেক্ষণৰ স্বাৰ্থত ন্যায়-আদালতৰ সুৰক্ষাৰ স্বাৰ্থত ইতিমধ্যে গঠিত অসম সন্মিলিত নাগৰিক মঞ্চৰ অহা ৫ আৰু ৬ জুলাইত গুৱাহাটীত হ'ব লগা ৰাজ্যিক অভিৱৰ্তনৰ প্ৰাক মুহূৰ্তত শিৱসাগৰ ৰংপুৰজ্যোতি ক্লাৱত বিশিষ্ট শিক্ষাবিদ নিৰঞ্জন চেতিয়া আৰু প্ৰাক্তন প্ৰশাসনিক বিষয়া সোণাৰাম খনিকৰৰ দ্বাৰা গঠিত সঞ্চালক মণ্ডলীৰ পৌৰহিত্যত জিলাখনৰ অন্তৰ্গত শিৱসাগৰ-নাজিৰা আৰু ডিমৌ সমষ্টিৰ সচেতন নাগৰিকবৃন্দৰ মাজত এখন মত বিনিময় অনুষ্ঠান হৈ যায় ।উদ্দেশ্য ব্যাখ্যাত আহব্বায়ক মণ্ডলীৰ হৈ চামচুল বাৰিকে কয় যে দেশৰ গণতন্ত্ৰক স্বৈৰাচাৰী শক্তিবোৰৰ আঘাতৰ পৰা সুৰক্ষিত কৰিবলৈ সমাজ সচেতক নাগৰিকবৃন্দৰ এখন সমন্বয় ৰক্ষাকাৰী নাগৰিক মঞ্চৰ অন্যতম ভূমিকা আছে ।সঞ্চালকমণ্ডলীৰ আসনৰ পৰা নিৰঞ্জন চেতিয়াই কয় যে ফেচীবাদ বিৰোধী দল আৰু নাগৰিক সমাজ একত্ৰিত হ'লেহে জনমুখী পৰিৱৰ্তনৰ পথ মুকলি হ'ব ।কেন্দ্ৰীয় সমিতিৰ দ্বাৰা প্ৰেৰিত গোহাৰি পাঠ কৰে আন এগৰাকী আহব্বায়ক অজিত খাটনীয়াৰে ।পূৰ্ণেশ্বৰ চেতিয়াই বিৰোধী দল সমূহক একত্ৰীত কৰাটো যদিও সৰু কাম নহয়,কিন্তু নাগৰিকসকলৰ মাজত সজাগতা লাগিবই ।তেহে বিৰোধী ৰাজনীতিয়ে গতি লাভ কৰিব ।উমেশ গগৈ আনচাৰউদ্দিন বৰা, আলিমুদ্দিন আহমদ, আছাদ উল্লাহ আদিয়ে বক্তব্য ৰাখে। এই অফ লাইন সভাৰ মাজতে কেন্দ্ৰীয় সমিতিৰ সৈতে এখনি চুটি অন লাইন সভাও হয়, য'ত কেন্দ্ৰীয় উদ্যোক্তা মণ্ডলীৰ হৈ পৰেশ মালাকাৰ আব্দুল মান্নান আৰু মচদ্দৰ হৈছেইনে শুভেচ্ছামূলক বক্তব্য ৰাখে ।পুণৰ অনুষ্ঠিত অফ লাইন এই সভাতেই সোণাৰাম খনিকৰ আৰু পূৰ্ণেশ্বৰ চেতিয়াক ক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে লৈ শিৱসাগৰ জিলাৰ ১২ জনীয়া তদৰ্থ সমিতিখন গঠন হৈ যায়। উপদেষ্টা মণ্ডলীত অন্তৰ্ভূক্ত হয় নিৰঞ্জন চেতিয়া জ্যোতিপ্ৰসাদ দত্ত ,বকুল বৰঠাকুৰ আদিকে ধৰি কেইবাগৰাকী ব্যক্তি। সঞ্চালকমণ্ডলীৰ হৈ সামৰণি বক্তব্যত সোণাৰাম খনিকৰে ক'ৰপৰেট পূঁজিবাদৰ পৰা দেশক বচাবলৈ নাগৰিক সমাজৰ ঐক্যবদ্ধ সংগ্ৰাম অপৰিহাৰ্য বুলি কয় ।পৰৱৰ্তী জিলা বৈঠক অনুষ্ঠিত হ'ব নাজিৰাত ।ৰাজ্যিক অভিৱৰ্তনত অংশগ্ৰহণৰ বাবে ৭ গৰাকী প্ৰতিনিধি নিৰ্বাচিত হয়।

### দিনত ড্ৰাগছ বিৰোধী অভিযান চলোৱা সংগঠনৰ নেতা নিশা মেনেজ হোৱাৰ অভিযোগ

## যুৱ-ছাত্ৰ পৰিষদৰ নেতা তৰুণ মৰাণক অব্যাহতি

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৩০ জুন ঃ** তিনিচুকীয়া জিলাৰ ফিল'বাৰী আৰক্ষী থানাৰ অন্তৰ্গত বাহিৰ ৰংদৈ গাঁৱৰ চিত্ৰ চুংক্ৰাংৰ বাসগৃহৰ পিছফালে তামোল বাৰীৰ মাজত এটা জুপুৰি সাজি নিচাজাতীয় টেবলেটসহ কানি সৰবৰাহ কৰা ঘাটিৰ পৰা চিত্ৰ চুংক্ৰাং সহিতে দিপক ৰাজপুত আৰু বীৰবল তাঁতীক নিচাজাতীয় টেবলেটসহ ৰাইজে কৰায়ত্ত কৰি স্থানীয় ফিল'বাৰী আৰক্ষীক চমজাই দিয়ে। ঘটনাৰ দিনাই স্থানীয় দল-সংগঠনৰ নেতৃত্বই ফিল'বাৰীত ড্ৰাগছৰ ৰমৰমীয়া বেহা চলোৱাৰ অভিযোগত ফিল'বাৰী তিনিআলিৰ সঞ্জয় গুপ্তা নামৰ ব্যৱসায়ী এজনক সতৰ্ক বাণী দিয়াৰ কথা সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমত ব্যাপক ৰূপত প্ৰচাৰ হৈছিল। সেইদিনা ফিল'বাৰী আৰক্ষীয়ে নিজাববীয়াকৈ চলোৱা আন এক অভিযানত ড্ৰাগছ ব্যৱসায়ী সঞ্জয় গুপ্তাৰ লগতে আন দুজন লোকক কৰায়ত্ত কৰা বুলি জানিবলৈ দিছিল যদিও নিশাই সঞ্জয় গুপ্তাৰ ভায়েক উদয়ভান গুপ্তাই আৰক্ষী মেনেজ কৰি ককায়েক সঞ্জয় গুপ্তাক থানাৰ পৰা উলিয়াবলৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতা তথা ফিল'বাৰী আৰক্ষী থানাৰ অন্তৰ্গত ১ নং কাকজান গাঁৱৰ তৰুণ মৰাণে নেতৃত্ব লোৱা বুলি সংবাদ মাধ্যমত প্ৰচাৰ হ'য়। চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ সময়তে সঁচাকৈয়ে ৰাজ্যৰ স্মাৰ্ট আৰক্ষীয়ে এনেধৰণৰ দল-সংগঠনৰ দ্বাৰা মেনেজ হ'য় নেকি বুলিও এতিয়া সকলোৰে প্ৰশ্ন উত্থাপন কৰিছে। অভিযোগ অনুসৰি, ফিল'বাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকী একাংশ দল-সংগঠনৰ লগতে একাংশ প্ৰভাৱশালী তথা সমাজ বিৰোধী লোকৰ দ্বাৰা মেনেজ হোৱাৰ বাবেই বৃহত্তৰ ফিল'বাৰী অঞ্চলত গোধন চুৰি, গৰুৰ অবৈধ ব্যৱসায় তথা সৰবৰাহ, লালি গুৰৰ অবাধ ব্যৱসায়, অবৈধ ড্ৰাগছৰ ব্যৱসায়ৰ ফলত অঞ্চলটোৰ সামাজিক আৰু শৈক্ষিক পৰিৱেশ ক্ৰমাৎ বিনষ্ট হোৱাই নহ'য়, দুই নম্বৰীৰ ঘাটিলৈ পৰিণত হৈ পৰিছে বৃহত্তৰ ফিল'বাৰী অঞ্চল। পৰিতাপৰ কথা এয়ে যে বিজুলীবন মিচিং গাঁঞৰৰ শ্মশানৰ ভিতৰতো ড্ৰাগছৰ ঘাটি পতা ড্ৰাগছ মাফিয়াই মুঠতে নিজান ঠাই পালেই ফিল'বাৰীৰ দৰে ঐতিহ্যমণ্ডিত ঠাইক বদনাম কৰিবলৈ চেষ্টা চলাইছে। এক কথাত ড্ৰাগছ আসক্ত আৰু ড্ৰাগছ বেপাৰীৰ মাজত চলিছে এক অঘোষিত প্ৰতিযোগিতা। ইয়াত সাৰ-পানী যোগাবলৈ উঠি-পৰি লাগিছে জাতীয়-জনগোষ্ঠীয় একাংশ নিকৃষ্ট মনোবৃত্তিৰ নেতা, যাৰ উদ্দেশ্য যিকোনো প্ৰকাৰে ধন ঘটা। এইসকল তথাকথিত নেতাই টকাৰ বাবে কিমান তললৈ নামিব পাৰে বুলিও অঞ্চলটোৰ একাংশ সচেতন লোকে প্ৰশ্ন কৰিছে। শেহতীয়াভাৱে এই ড্ৰাগছ বিৰোধী অভিযানত সংগঠনৰ নীতি-আদৰ্শক জলাঞ্জলি দি ৰাতিটোৰ ভিতৰতে মেনেজ হোৱাৰ বাবদ নাম সাঙোৰ খোৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ফিল'বাৰী আঞ্চলিক সমিতিৰ সম্পাদক তৰুণ মৰাণক তিনি মাহৰ বাবে অব্যাহতি আৰু অভিযোগৰ ওপৰত তদন্ত সমিতি গঠন কৰে সংগঠনটোৰ তিনিচুকীয়া জিলা সমিতিয়ে। সমান্তৰালকৈ এখন সংবাদ মেলত বহুকেইটা আপত্তিজনক অভিযোগ উত্থাপন কৰে পৰিষদৰ ফিল'বাৰী আঞ্চলিক সমিতিয়ে। কেৱল তৰুণ মৰাণেই নহয় এইক্ষেত্ৰত জাতীয় সংগঠনৰ নেতাও জড়িত থকাৰ কথা উল্লেখ কৰে সংগঠনটোৱে। ইতিমধ্যে উদয়ভান গুপ্তাৰ বিৰুদ্ধে ফিল'বাৰী আৰক্ষী থানাত এক লিখিত অভিযোগো দাখিল কৰিছে যুৱ-ছাত্ৰ পৰিষদে। আৰক্ষীৰ সোধা-পোছাত উদয়ভান গুপ্তাই মেনেজৰ নামত তৰুণ মৰাণৰ উপৰিও আন দুই তিনিজনৰ নাম উল্লেখ কৰিছে বুলিও বিশেষ সূত্ৰে জানিব পৰা গৈছে।

## বিশিষ্ট সাহিত্যিক অৰুণ চন্দ্ৰ বৰুৱা, গিৰিজা ভট্টাচাৰ্য আৰু আৰতি শৰ্মালৈ ৰ'দ প্ৰকাশন বঁটা

**অসম বাৰ্তা, বিশ্বনাথ, ৩০ জুন ঃ** বিশ্বনাথৰ অন্যতম সাহিত্য অনুষ্ঠান ৰ'দ গোষ্ঠীৰ আৰু ৰ'দ প্ৰকাশনৰ উদ্যোগত আজি ১১ বজাৰ পৰা বিশ্বনাথ চাৰিআলিৰ কস্তূৰী পেলেচত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। ৰদ ৰ কাৰ্যকৰী সভাপতি তেজেন হাজৰিকাই আঁত ধৰা এই অনুষ্ঠানত বিশিষ্ট সাহিত্যিক অৰুণ চন্দ্ৰ বৰুৱা , গিৰিজা ভট্টাচাৰ্য আৰু আৰতি শৰ্মালৈ ৰ'দ প্ৰকাশন বঁটা,২০২৫ প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰে ৰ'দ গোষ্ঠীৰ সভাপতি বিমান ৰায় বৰুৱা, সম্পাদক জয়ন্ত বৰুৱা আৰু বিশিষ্ট ব্যক্তি সকলে।

## বৰলুইতৰ খহনীয়াত নদীৰ বুকুত বিলীন ফকিৰগঞ্জৰ ঐতিহাসিক মছজিদ

**অসম বাৰ্তা, ধুবুৰী, ৩০ জুন ঃ** দক্ষিণ শালমাৰাৰ ফকিৰগঞ্জ ওৱাহাব বজাৰৰ জামে মছজিদখন আজি বৰলুইতৰ ভয়ংকৰ খহনীয়াৰ কবলত পৰি সম্পূৰ্ণৰূপে নদীৰ বুকুত তল গৈ গ'ল। কেইদিনমান আগতে মছজিদটোৰ একাংশ বৰলুইতৰ প্ৰবল সোঁতে ভাগি ভাগি পৰাৰ দৃশ্য স্থানীয় লোকে কেমেৰাত বন্দী কৰিছিল। তেতিয়াৰে পৰা স্থানীয় ৰাইজৰ মাজত আতঙ্কৰ সৃষ্টি হৈছিল। অৱশ্যে মূল বিল্ডিংখন আৰু মিনাৰখন মাটি খহি যোৱাৰ পিছতো বহুত দিন ধৰি অৱশিষ্ট আছিল। অৱশেষত আজি বৰলুইতৰ প্ৰচণ্ড সোঁত আৰু খহনীয়াই মছজিদটোৰ মাটি সম্পূৰ্ণৰূপে খহাই লোৱাৰ ফলত মছজিদখন নদীৰ বুকুত বিলীন হৈ যায়। বৰ্তমান মছজিদৰ মিনাৰখন নদীৰ মাজত দৃশ্যমান হৈ আছে, যি দৃশ্যই স্থানীয় ৰাইজৰ হৃদয় বিদাৰক কৰি তুলিছে। এই মছজিদখন বহু বছৰ ধৰি স্থানীয় লোকসকলৰ ধৰ্মীয় বিশ্বাস আৰু একতাৰ প্ৰতীক আছিল। স্থানীয় ৰাইজে চৰকাৰক দ্ৰুত খহনীয়া ৰোধৰ ব্যৱস্থা গ্ৰহণ কৰাৰ আহ্বান জনাইছে যাতে আগন্তুক দিনত এনে দুখনিয়াকৈ ঘটা ঘটনাৰ পুনৰাবৃত্তি নহয়।

## মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক ক্ষমা খুজিবলৈ আহ্বান 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৩০ জুন ঃ** নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কালি এক সংবাদ মেলত সাংবাদিকক চূড়ান্তভাৱে অপমান কৰা কাৰ্যক সহজভাৱে ল'ব পৰা নাই 'আসাম প্ৰেছ ক'ৰেছপ'ণ্ডেণ্টছ ইউনিয়ন' চমুকৈ 'আপকু' ৰ তিনিচুকীয়া জিলা সমিতিয়ে। সংগঠনটোৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰবীন মৰাণ আৰু সম্পাদক দীপেন লহকৰে এই সন্দৰ্ভত সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰা অনুসৰি সংবাদমেলত উপস্থিত থকা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ অতন্দ্ৰ প্ৰহৰীস্বৰূপ জনৈক সাংবাদিকক ''তলৰ মানুহ, পঢ়িব নজনা অশিক্ষিত লোক, আপোনাৰ দৰে তলৰ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মই বাধ্য নহয়' ইত্যাদি শব্দৰে অভব্য আচৰণ কৰি দৰাচলতে সমগ্ৰ সংবাদিককুলকে অপমানিত কৰিলে। তেওঁ আনকি 'অসমীয়া ভাষাৰ ওজা', হেমকোষ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ সন্দৰ্ভতো কটূক্তি কৰি তেওঁৰ পৰিনাতি তথা 'অসমীয়া প্ৰতিদিন' আৰু 'প্ৰতিদিন টাইম' ৰ স্বত্বাধিকাৰ জয়ন্ত বৰুৱাৰ প্ৰতি উদ্দেশ্য প্ৰণোদিতভাৱে চূড়ান্ত অপমানসূচক মন্তব্যৰে বহুৱালি কৰি অভব্য আচৰণৰ সীমা চেৰাই গৈছে।'' আপকুৰ জিলা সভাপতি তথা ৰবীন মৰাণৰ মতে জয়ন্তমল্ল বৰুৱাৰ দৰে মুখৰ লেকাম নথকা অশিষ্ট মানুহৰ মন্ত্ৰীত্বৰ গাদীত থকাৰ অধিকাৰেই নাই। তেওঁ কৰা মন্তব্যসমূহ যে সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহ'য় সেয়া ইতিমধ্যেই সচেতন মহলৰ ওচৰত ধৰা দিছে। বিবৃতিটোত আপকুৰ তিনিচুকীয়া জিলা সমিতিয়ে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক মহৎ লোকৰ (অন্ততঃ অসমৰ) জীৱনী অধ্যয়ন কৰিবলৈকো পৰামৰ্শ আগবঢ়ায়। বিবৃতিটোত লগতে মন্ত্ৰীগৰাকীয়ে পত্নীৰ নামত ৫০ লাখ টকাৰ 'ৰাজ সাহাৰ্য' (ছাবছিডি) প্ৰাপ্তিৰ বিতৰ্ক তল পেলাবলৈকে ভিত্তিহীন তথ্যৰে এটা সংবাদ গোষ্ঠীৰ স্বত্বাধিকাৰক অযথা টাৰ্গেট কৰি লোৱাটো মুঠেও সমীচীন নহ'য় বুলিও স্পষ্ট কৰি দিয়াৰ লগতে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক সংবাদ মেলত দিয়া উক্ত মন্তব্য উঠাই লৈ ৰাজহুৱাকৈ ক্ষমা বিচৰাৰ লগতে অনাগত দিনত এনে মন্তব্যৰ পৰা বিৰত থাকিবলৈ আপকুৰ তিনিচুকীয়া জিলা সমিতিয়ে আহ্বান জনাইছে।

## ডিব্ৰুগড়ৰ লাহোৱাল বাইপাছত ভয়ংকৰ পথ দুৰ্ঘটনা-থিতাতে নিহত গাণনিক বিষয়া

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩০ জুন ঃ** ডিব্ৰুগড়ৰ পূব ৰাজহ চক্ৰ অধীনৰ লাহোৱালত ২৭-৬-২০২৫ তাৰিখে এক পথ দুৰ্ঘটনাত এজন স্কুটি আৰোহী থিতাতে মৃত্যু হোৱাৰ লগতে দুগৰাকী মহিলা গুৰুতৰ ভাবে আহত হৈ সংকটজনক অৱস্থাত অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে।ঘটনা অনুসৰি লাহোৱালৰ বাইপাছত এ এছ ০৪ এ জি ০৪৭৫ নম্বৰৰ মহিন্দ্ৰা এ'ইউ ভি বাহনখনে এ এছ ০৬ এতএন ৪৩৪৬ টিভিএছ জুপিটাৰ স্কুটিখনক মহটিয়াই নিয়াত এজন ব্যক্তি থিতাতে নিহত হোৱা লগতে দুগৰাকী মহিলা গুৰুতৰ ভাৱে আহত হয়। দুৰ্ঘটনাস্থলীত লাহোৱাল আৰক্ষী উপস্থিত হৈ আহত মহিলা দুয়োগৰাকীক সংকট জনক অৱস্থাত অসম চিকিৎস্যা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।থিতাতে মৃত্যু হোৱা ব্যক্তি জন মদাৰখাত মৌজাৰ নাহৰসাঁকো গাওঁ নিবাসী লিখেশ্বৰ গগৈ ।মদাৰখাত এছ আৰ চি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উচ্চবৰ্গ গাননিক বিষয়া লিখেশ্বৰ গগৈৰ মৃত্যু সময়ত বয়স আছিল প্ৰায় ৬৫ বছৰ। বিদ্যালয়খনৰ লগতে অঞ্চলটোৰ বিভিন্ন ধৰ্মীয় তথা অনুষ্ঠানৰ সৈতে জড়িত গগৈয়ে মৃত্যু সময়ত পত্নী, তিনি পুত্ৰ, বোৱাৰী,নাতি নাতিনীকে ধৰি বহু আত্মীয় স্বজনক এৰি থৈ যায় ।তেখেতৰ মৃত্যুত বিদ্যালয়খনৰ অধ্যক্ষা অৰ্পনা বৰগোঁহাই,প্ৰাক্তন অধ্যক্ষ কেশৱ দত্ত, হিৰণ্য সেনাপতি,মৰ্জিনা গগৈ,মদাৰখাত বালিকা বিদ্যালয় প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী অণু কোঁৱৰ,বৰ্তমানৰ প্ৰধান জয়ন্ত দত্ত,ৰমাই মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মঞ্জু দত্ত গোহাঁই, মদাৰখাত মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ যতীন গোহাঁই,ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমী শৈক্ষিক বিষয়া যাদৱ গগৈ,জিলা পৰিষদৰ প্ৰাক্তন সদস্য ভূপেন কুমাৰ গগৈ প্ৰমুখ্যে বিভিন্ন জনে শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনাইছে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত লিখেশ্বৰ গগৈৰ নিজ বাস গৃহৰ চৌহদত মায়ামৰা ধৰ্মীয় ৰীতি নীতিৰে অসংখ্য লোকৰ উপস্থিতিত শেষকৃত সম্পন্ন কৰা হয়।

# দুৰ্নীতিৰ ভূস্বৰ্গলৈ পৰিণত হৈছে মন্দিয়া উন্নয়ন খণ্ড

### খণ্ড উন্নয়ন বিষয়াক অভিযোগ দাখিল ভুক্তভোগী হিতাধিকাৰীৰ

**অসম বাৰ্তা, বাঘবৰ, ৩০ জুন ঃ** বৰপেটা জিলাৰ পূৰ্বৰ জনীয়া সমষ্টি তথা বৰ্তমানৰ নৱগঠিত মন্দিয়া সমষ্টিৰ অন্তৰ্গত চিতুলী গাওঁ পঞ্চায়তত পি এম এ ওৱাই জি ৰ গৃহ নিৰ্মাণত চৰম দূৰ্ণীতি। প্ৰধান মন্ত্ৰী আৱাস যোজনা(গ্ৰামীন)ৰ গৃহ নিৰ্মাণৰ নামত পঞ্চায়তখনৰ জি, পি,ছি শ্বাহানূৰ ইছলামৰ ধন সংগ্ৰহ ।চিতুলী গাৱৰ আব্দুল মালেক নামৰ এজন দৰিদ্ৰ হিতাধিকাৰীৰ পৰা জি,পি,ছি শ্বাহানূৰ ইছলামে সংগ্ৰহ কৰিলে ৮ হাজাৰকৈ টকা। এইবাৰ আচল ঘৰ নিৰ্মাণ কৰাৰ পূৰ্বেই চৰকাৰী পক্ষই গোচৰ ৰুজো কৰাৰ ভয় ভাবুকি প্ৰদান কৰি পূৰ্বতে বনাই থোৱা পাক ঘৰৰ ফটো তুলি ততাতৈয়াকৈ হিতাধিকাৰীৰ পৰা ৮ হাজাৰকৈ টকা উৎকোচ হিচাপে সংগ্ৰহ কৰিলে। টকা নিদিলে অচিৰেই চৰকাৰৰ ফালৰ পৰা গোচৰ ৰুজো কৰিব বুলি হিতাধিকাৰীক ভয় ভাবুকি প্ৰদান কৰি জি,পি, ছি শ্বাহানূৰ ইছলামে সংগ্ৰহ কৰিলে উৎকোচ। বিজেপি চৰকাৰৰ শাসনকালত চিতলী গাওঁ পঞ্চায়তৰ পঞ্চায়ত সচিব আপতাপ হুছেইন আৰু জি, পি,ছি শ্বাহানুৰ ইছলামে এনেদৰে নানা ভয় ভাবুকিৰে সংগ্ৰহ কৰি আহিছে লাখ লাখ টকা । আব্দুল মালেকে জানিবলৈ দিয়া মতে আন বহুতো হিতাধিকাৰীয়ে চৰকাৰী অনুদানেৰে ঘৰ নিৰ্মাণ নকৰি একাউন্টৰ পৰা টকা কেনেকৈ তুলিব পাৰিছে সেই লৈ পঞ্চায়ত খনত এক হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হৈছে ।ভুক্তভোগী আব্দুল মালেকে জি,পি, ছি শ্বাহানূৰ ইছলামৰ ধন সংগ্ৰহ সন্দৰ্ভত মন্দিয়া খণ্ড উন্নয়ন বিষয়া নৱৰত্ন পাটোৱাৰীক অৱগত কৰায় যদিও কোনো সদোত্তৰ লাভ নকৰিলে ভুক্তভোগীয়ে। খণ্ড উন্নয়ন বিষয়া নৱৰত্ন পাটোৱাৰীও জি , পি, ছি, শ্বাহানূৰ ইছলামৰ উৎকোচৰ সপক্ষে থকাৰ সন্দেহ প্ৰকাশ কৰিছে ভুক্তভোগী আব্দুল মালেকে। আব্দুল মালেকে জনোৱা মতে, চিতুলী গাওঁ পঞ্চায়তৰ চৰকাৰী ঘৰ নকৰি উক্ত গাঁৱখনৰ আব্দুল হালিম , মিৰজান আলী , ছফিয়া খাতুন , বাচ্ছু মিয়া , একাব্বৰ আলী , আফিল উদ্দিন , ইয়ুছুফ আলী , ৰফিক আলীৰ উপৰিও আছে বহু হিতাধিকাৰী । ইয়াৰ মাজতে এজন পৰিয়ালৰ দুজন কৈ হিতাধিকাৰীয়ে দুখন চৰকাৰী ঘৰ লাভ কৰিছিল যদিও জি , পি, ছি, শ্বাহানূৰ ইছলামৰ নেতৃত্বত এটা ঘৰ কৰিয়েই মুকলি কৰিছে দুটাকৈ গৃহ ধন ।অন্যান্য বহুকেইজন হিতাধিকাৰীয়ে ঘৰ নিৰ্মাণ নকৰি জি, পি, ছি, শ্বাহানূৰ ইছলামৰ জৰিয়তে কেনেকৈ চৰকাৰী ধন একাউন্টৰ পৰা তুলি লৈছে সেইটো সঠিক তদন্ত কৰি দুখীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে ভুক্তভোগীয়ে।

## সম্পাদকীয়

# অব্যৱস্থাৰ তীৰ্থ

তীৰ্থস্থানসমূহ ভক্তৰ আস্থা আৰু শ্ৰদ্ধাৰ কেন্দ্ৰই নহয়, এইবোৰ পৰ্যটন আৰু ৰাজহ সংগ্ৰহৰ এক গুৰুত্বপূৰ্ণ উৎসও। এনে স্থানসমূহত ভক্ত-পৰ্যটকৰ যাতায়াত, থকা-খোৱা আৰু অন্যান্য মৌলিক সুবিধা সুচাৰুৰূপে প্ৰদান কৰাটো এক প্ৰাথমিক দায়িত্ব। চৰকাৰে তীৰ্থস্থানৰ উন্নয়ন আৰু পৰ্যটকক আকৰ্ষণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰে— পথ সম্প্ৰসাৰণ, সুৰংগ নিৰ্মাণ, হোটেলৰ ব্যৱস্থা আদিৰ জৰিয়তে। কিন্তু ইয়াৰ লগে লগে এই স্থানসমূহত অদক্ষ ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণহীনতাৰ বাবে কিছু কিছু সময়ত অৰাজক পৰিস্থিতিৰ সৃষ্টি হৈছে। ফলত দুৰ্গম পৰ্বতীয়া তীৰ্থস্থানসমূহত দুৰ্ঘটনা বৃদ্ধি পাইছে, যʼত প্ৰতি বছৰে বহু তীৰ্থযাত্ৰী আৰু পৰ্যটকৰ মৃত্যু হৈছে। উত্তৰাখণ্ডৰ চাৰিধাম যাত্ৰা এই সমস্যাৰ এক উৎকৃষ্ট উদাহৰণ। যাত্ৰা আৰম্ভ হোৱাৰ মাত্ৰ দুমাহৰ ভিতৰতে পথত দুৰ্ঘটনা, হেলিকপ্টাৰৰ বিপৰ্যয় আদিৰ ফলত প্ৰায় যাঠিজন লোকৰ মৃত্যু হৈছে। প্ৰশাসনে যাত্ৰীসকলৰ সুবিধাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা বুলি দাবী কৰিলেও, বাস্তৱত সকলো মিছা। যাত্ৰীসকলে যানজঁট, অস্বাস্থ্যকৰ পৰিস্থিতি, নিৰাপত্তাহীনতা আদিৰ সন্মুখীন হʼবলগীয়া অভিযোগ বাৰে বাৰে উঠিছে। আনহাতে, পৰ্যটকৰ সংখ্যা বৃদ্ধি আৰু উন্নয়নমূলক কাম-কাজে উত্তৰাখণ্ডৰ পৰিবেশৰ ওপৰত প্ৰচণ্ড চাপৰ সৃষ্টি কৰিছে। পৰ্বতসমূহত নিৰ্মাণ কাৰ্য, অনিয়ন্ত্ৰিত গৃহনিৰ্মাণ, ডায়নামাইটৰ ব্যৱহাৰ আদিৰ বাবে ফাট মেলাৰ অভিযোগ উঠিছে। বৰষুণ বৃদ্ধিৰ বাবে ভূমিস্খলনৰ ঘটনাও বৃদ্ধি পাইছে। সেয়েহে, পৰ্যটন কাৰ্য্যক নিয়ন্ত্ৰণ কৰি ৰাখিবলৈ কঠোৰ নীতি গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। হেলিকপ্টাৰ সেৱা প্ৰদানকাৰীসকলে নিৰ্ধাৰিত নিয়ম অমান্য কৰি ভিন্ন সময়ত উৰা মাৰি থাকে। টেটি আৰু অন্যান্য যাতায়াত সেৱাও একেই ধৰণৰ অসংগঠিত। উত্তৰাখণ্ডৰ তীৰ্থস্থানসমূহ এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়—প্ৰায় সকলো তীৰ্থস্থানতে একেই অৱস্থা। যʼত অধিক ভিৰৰ আশংকা থাকে, তাত যাত্ৰীসকলৰ সংখ্যা নিয়ন্ত্ৰণৰ বাবে পদ্ধতিগত ব্যৱস্থা হোৱা উচিত। কিন্তু বেছিভাগ ধৰ্মীয় স্থানত যাত্ৰীক স্বতঃপ্ৰণোদিতভাৱে চলাচল কৰিবলৈ এৰি দিয়া হয়। কেতিয়াবা স্বেচ্ছাসেৱকসকলে ভিৰ নিয়ন্ত্ৰণৰ চেষ্টা কৰে, কিন্তু সংখ্যা বেছি হʼলে তেওঁলোকো অসহায় হৈ পৰে। অমৰনাথ যাত্ৰাত এটা সুসংহত ব্যৱস্থা আছে- যাত্ৰীসকলৰ পঞ্জীয়ন কৰা হয় আৰু সময় অনুযায়ী দলবদ্ধ যাত্ৰা কৰোৱা হয়। চাৰিধাম যাত্ৰাৰ ক্ষেত্ৰতো এনে এক পদ্ধতি কিয় প্ৰৱৰ্তন কৰিব নোৱাৰি সেয়া প্ৰশ্ন হয়। যাত্ৰীসকলৰ নিৰাপত্তা, স্বাস্থ্য আৰু পৰিবেশৰ সুৰক্ষাৰ বাবে কঠোৰ নীতি প্ৰয়োগ কৰিব লাগিব। তীৰ্থস্থানসমূহ অব্যৱস্থা আৰু বিপৰ্যয়ৰ তীৰ্থ নহয়, শান্তি আৰু আধ্যাত্মিকতাৰহে কেন্দ্ৰ সেই দিশত চৰকাৰ, প্ৰশাসন আৰু স্থানীয় জনতাই চিন্তা কৰাটো সময়ৰ দাবী।

> *উত্তৰাখণ্ডৰ তীৰ্থস্থানসমূহ এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়—প্ৰায় সকলো তীৰ্থস্থানতে একেই অৱস্থা। যʼত অধিক ভিৰৰ আশংকা থাকে, তাত যাত্ৰীসকলৰ সংখ্যা নিয়ন্ত্ৰণৰ বাবে পদ্ধতিগত ব্যৱস্থা হোৱা উচিত। কিন্তু বেছিভাগ ধৰ্মীয় স্থানত যাত্ৰীক স্বতঃপ্ৰণোদিতভাৱে চলাচল কৰিবলৈ এৰি দিয়া হয়। কেতিয়াবা স্বেচ্ছাসেৱকসকলে ভিৰ নিয়ন্ত্ৰণৰ চেষ্টা কৰে, কিন্তু সংখ্যা বেছি হʼলে তেওঁলোকো অসহায় হৈ পৰে।*

# ভাৰতৰ অন্ধকাৰ ইতিহাসৰ ৫০ বছৰ

**ড° আৰ কে বেজবৰুৱা**

ভাৰতৰ স্বাধীনতাৰ সপোনে বাস্তৱ ৰূপ পোৱাৰ আকাংক্ষাত মহাত্মা গান্ধীৰ অনুমোদন ক্ৰমে পণ্ডিত জৱাহৰলাল নেহৰুক প্ৰধান মন্ত্ৰিত্ব প্ৰদান কৰা হৈছিল। পণ্ডিত নেহেৰুৱে ভাৰতক দুটা পঞ্চবাৰ্ষিক কাল পৰিচালনা কৰাৰ পিছত প্ৰধান মন্ত্ৰিত্বলৈ আহে লালবাহাদুৰ শাস্ত্ৰী। শাস্ত্ৰীৰ ৰহস্য জনক মৃত্যুৰ পিছত শাসনত অধিষ্ঠিত হয় ইন্দিৰা গান্ধী। চতুৰ্থ লোক সভাৰ কাৰ্য্যকালত ইন্দিৰা গান্ধীৰ সৈতে সেই সময়ৰ কংগ্ৰেছৰ সভাপতি কামাতচি কামৰাজ, মোৰাৰজী দেশাই আদি কিছু সংখ্যক জেষ্ঠ্য নেতাৰ মতভেদ আৰম্ভ হয়। সেই মতভেদে পিছলৈ অন্তৰ্কলহৰ ৰূপ ধৰে। ফলস্বৰূপে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক দলীয় শৃংখলা ভংগৰ অভিযোগত ১৯৬৯ চনত কংগ্ৰেছ দলৰ পৰা নিলম্বন কৰা হয়। সেই সময়ত দলীয় শৃংখলা আছিল সকলোৰে উৰ্দ্ধত। কে কামৰাজৰ দলৰ প্ৰতি নিষ্ঠা আৰু দলীয় নিয়মানুৱৰ্তিতা ৰক্ষাৰ প্ৰতি সংবেদনশীলতা আছিল নজিৰ বিহীন। কিন্তু সেই নিলম্বনৰ ভৱিষ্যত আছিল এক অকল্পনীয় সময়ৰ পদধ্বনি। ভাৰতীয় গণতন্ত্ৰক নিচ্ছিদ্ৰ অন্ধকাৰৰ পিনে অপ্ৰতিৰোধ্য গতিৰে টানি লৈ গৈছিল সেই ঘটনাটোৱে।

ইন্দিৰা গান্ধীক কংগ্ৰেছ দলৰ পৰা বহিষ্কাৰ কৰাৰ লগে লগে দলত বিভাজন সুনিশ্চিত হৈ পৰিছিল। স্বাভাৱিকতে এচাম কংগ্ৰেছৰ নেতাৰ আছিল শাসনৰ প্ৰতি লোভ আৰু নেহৰু পৰিয়ালৰ প্ৰতি অকুণ্ঠ আনুগত্য। কংগ্ৰেছ কমিটিৰ তেতিয়া মুঠ সদস্য সংখ্যা আছিল ৭০৫ জন। ইন্দিৰা গান্ধীৰ বহিষ্কাৰৰ লগে লগে কংগ্ৰেছ কমিটিৰ মাজতো বিভাজন হৈছিল। বিভাজন হৈ ৭০৫জন সদস্যৰ ৪৪৬জন সদস্যই ইন্দিৰা গান্ধীৰ লগ লʼলে আৰু ২৫৯জন কে কামৰাজৰ দলত ৰৈ গʼল। অখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ ৪৪৬জন সদস্যক লৈ ইন্দিৰা গান্ধীয়ে কংগ্ৰেছ আৰ (R - Requisition) নামেৰ নতুন দল গঠন কৰিলে। বাকীখিনি সদস্যৰে কংগ্ৰেছৰ মূল অংশটো 'ভাৰতীয় জাতীয় কংগ্ৰেছ ও ( O-Organization) নামেৰে পৰিচিত হʼল। সেই সময়ত ব্যঙ্গাত্মক ভাবে 'চিণ্ডিকেট' শব্দটো কংগ্ৰেছ মূল দলটোৰ প্ৰতি আৰু 'ইণ্ডিকেট' শব্দটো ইন্দিৰা গান্ধীৰ দলৰ প্ৰতি ব্যৱহাৰ কৰা হৈছিল। কংগ্ৰেছ 'আৰ'ক নিৰ্বাচন আয়োগে প্ৰকৃত কংগ্ৰেছ বুলি স্বীকৃতি দিলে। ইন্দিৰা গান্ধীৰ চৰকাৰ বাহাল থাকিল। তেনেকৈয়ে অতিক্ৰম কৰিলে দুটা বছৰে।

তাৰ পিছতে আহিছিল ১৯৭১ চনৰ মাৰ্চত পঞ্চম অন্তৰ্বৰ্তীকালীন সাধাৰণ নিৰ্বাচন। ইন্দিৰা গান্ধীয়ে লোকসভা নিৰ্বাচনত ৪৪২জন প্ৰাৰ্থী থিয় কৰাই ৩৫১খন আসন লাভ কৰিলে। কংগ্ৰেছে 'ও'ৰ হাতলৈ যায় ১৬খন আসন। ইন্দিৰা গান্ধীয়ে ৰায়বেৰেলি সমষ্টিৰ পৰা মনোনয়ন দি লাভ কৰিছিল ১, ৮৩, ৩০৯টা ভোট। স্বাভাৱিকতে তেওঁ দলৰ নেতা আৰু প্ৰধান মন্ত্ৰী নিৰ্বাচিত হয়। কিন্তু অভিযোগ উঠিছিল, ভোট গ্ৰহণৰ সময়ত ৰায়বেৰেলিৰত আপত্তি জনক ঘটনা সংঘটিত হৈছিল বুলি। সেই সন্দৰ্ভত জয়প্ৰকাশ নাৰায়ণে এলাহাবাদ উচ্চ ন্যায়ালয়ত ইন্দিৰা গান্ধীৰ বিৰুদ্ধে নিৰ্বাচনী প্ৰৱঞ্চনাৰ অভিযোগ তুলি গোচৰ তৰিলে। তাৰ পিছত ভাৰতীয় ৰাজনীতিত ১৯৭৩ চনৰ পৰা ১৯৭৫ চনলৈ কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে অস্থিৰতা বৃদ্ধি পাবলৈ ধৰিলে। গণ বিক্ষোভ, বিহাৰত সম্পূৰ্ণ বিপ্ৰ, গুজৰাটত নৱ নিৰ্মাণ আন্দোলন আদিয়ে ব্যপক জনসমৰ্থন লাভ কৰিলে। ইপিনে আদালতত দীঘলীয়া সময়ৰ বাবে কেচ চলিল। ১৯৭৫ চনৰ ১২ জুনত ইন্দিৰা গান্ধীৰ নিৰ্বাচনী প্ৰৱঞ্চনা গোচৰৰ ৰায় আহিল। এলাহাবাদ উচ্চ ন্যায়ালয়ে ইন্দিৰা গান্ধীক দোষী সাব্যস্ত কৰিলে। সেই ৰায়ত ইন্দিৰা গান্ধীক পৰৱৰ্তী ৬ বছৰৰ বাবে নিৰ্বাচনত অংশ লʼব নোৱাৰিব বুলি আদেশ দিলে। সেয়াই সূত্ৰপাত ভাৰতীয় গণতন্ত্ৰৰ কলা অধ্যায়ৰ। ইন্দিৰা গান্ধীয়ে আদালতৰ ৰায়ক কোনো গুৰুত্ব নিদিলে।




তেতিয়া ভাৰতৰ ৰাষ্ট্ৰপতি আছিল ফকৰুদ্দিন আলি আহমেদ। সংসদৰ কোনো সদস্যৰ সৈতে আলোচনা নকৰাকৈয়েই ইন্দিৰা গান্ধীয়ে ভাৰতত জৰুৰী কাল প্ৰৱৰ্তনৰ নিৰ্দেশত ফকৰুদ্দিন আলি আহমেদক স্বাক্ষৰ কৰালে। ১৯৭৫ চনৰ ২৫ জুনৰ নিশা ৰাষ্ট্ৰপতিয়ে দেশত জৰুৰীকাল ঘোষণা কৰিলে। ২৬ জুনত ইন্দিৰা গান্ধীয়ে আকাশবাণীৰ দ্বাৰা দেশবাসীক জৰুৰী কাল জাৰি কৰাৰ কথা অৱগত কৰিলে। ৩০ জুনত MISA আইন সংশোধন কৰি জনসাধাৰণৰওপৰত জাপি দিলে। এইআইন মতে চৰকাৰৰ যিকোনো ধৰণৰ বিৰোধক দেশদ্ৰোহ বুলি গণ্য কৰা হৈছিল। বিৰোধ কৰাসকলক বিচাৰ অবিহনে দোষী সাব্যস্ত কৰি আটক কৰাৰ অনুমতি প্ৰদান কৰা হৈছিল।

নাগৰিকৰ সকলো ধৰণৰ অধিকাৰ খৰ্ব কৰা হʼল। আৰ এছ এছ, জামাত-ই-ইছলামীকে আদি কৰি ২৬টা সংগঠনৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিলে। MISAৰ অধীনত অটল বিহাৰী বাজপেয়ী, এল কে আডোৱানি, অৰুণ জেটলী, জয়প্ৰকাশ নাৰায়ণ, জৰ্জ ফাৰ্ণাণ্ডেজ, লালু প্ৰসাদ যাদৱ, মোলায়েম সিং যাদৱকে ধৰি এক লাখতকৈ অধিক নেতাক জেলত ভৰোৱা হʼল। বাতৰি কাকতত কেৱল চৰকাৰক সমৰ্থন কৰি লেখা প্ৰকাশৰ বাবে বাধ্য কৰোৱা হʼল। চৰকাৰৰ অনুমোদিত বাতৰি প্ৰকাশৰ বাবে কাকতৰ সম্পাদকক নিৰ্দেশ দিয়া হʼল। ১৯৭৬ চনৰ ৪ ফেব্ৰুৱাৰীত এক আধ্যাদেশ জাৰি কৰি লওক সভাৰ সময় সীমা ১ বছৰৰ বাবে বৃদ্ধি কৰিলে। সেই সময়ত সঞ্জয় গান্ধী হৈ পৰিছিল কংগ্ৰেছ তথা দেশৰ অঘোষিত সৰ্বেসৰ্বা নেতা। ১৯৭৬ চনৰ ছেপ্টেম্বৰ মাহত সঞ্জয় গান্ধীয়ে এক অভিযান আৰম্ভ কৰিলে 'বলপূৰ্বক বন্ধ্যাকৰণ' কাৰ্যসূচী। ১৯৭৬ চনৰ ২ নৱেম্বৰত সংবিধান সংশোধন কৰি আদালতৰ অধিকাৰো হ্ৰাস কৰা হʼল।

ইন্দিৰা গান্ধীৰ অমানুষিক অত্যাচাৰে দেশৰ জনতাক তেওঁৰ প্ৰতি বীতশ্ৰদ্ধ কৰি তুলিলে। ১৯৭৭ চনৰ ২৪ জানুৱাৰীত মিত্ৰশক্তিৰ নেতৃত্বত নতুনকৈ জনতা পাৰ্টী নামৰ দল এটা গঠন কৰা হয়। ১৬ মাৰ্চত অনুষ্ঠিত হোৱা নিৰ্বাচনত জনতা পাৰ্টীয়ে ৩৪৫খন আসন লাভ কৰি চৰকাৰ গঠন কৰিলে। প্ৰধান মন্ত্ৰী ৰূপে শপত গ্ৰহণ কৰিলে মোৰাৰজী দেশায়ে। কিন্তু ইন্দিৰা গান্ধীৰ ওপৰত কোনো বিচাৰ চলোৱা নহʼল, নাইবা পূৰ্বতে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ৰায়ো অপ্ৰাসংগিক হৈ ৰৈ গʼল। তাৰ পিছত ১৯৮০ চনৰ সাধাৰণ নিৰ্বাচনত পুনৰ ইন্দিৰা গান্ধীয়ে বৃহৎ সংখ্যা গৰিষ্ঠতাৰে জিকি প্ৰধান মন্ত্ৰী হয়। তেনেদৰেই ১৯৮৪ চনৰ ৩১ অ'ৌবৰ পৰ্য্যন্ত প্ৰধান মন্ত্ৰী হৈ আছিল। জনসাধাৰণৰ মনৰ পৰা ইমাৰজেন্সীৰ দুঃস্বপ্ন নাইকিয়া হৈছিল।

তাৰ উপৰিয়ো, এক মাত্ৰ কংগ্ৰেছ চৰকাৰৰ শাসনৰ স্বাৰ্থতেই ভাৰতৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশত প্ৰায় ১৩৪ বাৰ ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰা হৈছিল। ১৯৫১ চনতে উত্তৰ প্ৰদেশ, পাঞ্জাৱ আৰু মণিপুৰে ৰাষ্ট্ৰপতিৰ শাসনৰ সোৱাদ পাইছিল।

অসম আৰু পাঞ্জাৱে কংগ্ৰেছৰ শাসনত কালত কি ধৰণৰ জীয়াতু ভুগিছিল, সেই কথাও আজি বহুতেই পাহৰিলে। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনৰ কংগ্ৰেছ চৰকাৰৰ আতিশায্যৰ সাক্ষীয়ে সেই দিনবোৰ স্মৰণ কৰিলে আজিও উচপ খাই উঠে। ইমাৰজেন্সীৰ সময়ত যিসকলে কংগ্ৰেছ চৰকাৰৰ উৎপীড়নৰ বলি হৈছিল, তেওঁলোকে কেতিয়াও সেই কথা পাহৰিব নোৱাৰে। সেই সময়তে লালু প্ৰসাদ যাদৱৰ এটি কন্যাৰ জন্ম হৈছিল। MISA আইনৰ দুৰ্ব্যৱহাৰ সজীৱ কৰি ৰাখিবলৈ তেওঁৰ কন্যাৰ নাম ৰাখিছিল মিছা ভাৰতী। গতিকে, আজি ৫০ বছৰৰ পিছতো কংগ্ৰেছ চৰকাৰে জাৰি কৰা 'জৰুৰী অৱস্থা'ৰ কথাপাহৰিব পৰা নাই। এক মাত্ৰ নিজৰ শাসন বৰ্তাই ৰাখিবলৈ দেশক অন্ধকাৰত নিক্ষেপ কৰা দলৰ দৰ্শন পাহৰা উচিত নহয়। অৱশ্যে শাসন আৰু শোষণৰ লোভত যিসকলে ইমাৰজেন্সীৰ কথা পাহৰিব খোজে তেৰোঁলোকৰ কথা সুকীয়া। কিন্তু দেশৰ শান্তি, প্ৰগতি আৰু মানৱ অধিকাৰৰ খৰ্ব কৰাৰ প্ৰতীক হিচাপে ২৫ জুনৰ দিনটো সদায়ে স্মৰণ যোগ্য বুলি বিবেচিত হৈ থাকিব।

# অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যপুথি সন্দৰ্ভত

পাঠ্যপুথি একোখন একোটা পাঠ্যবিষয় বা পাঠ্যক্ৰম আগুৱাই নিয়াৰ ক্ষেত্ৰত মূল আধাৰ স্বৰূপ। শিশুসকলৰ পাঠ্যপুথি পৈণত শিক্ষাৰ্থীসকলৰ পাঠ্যপুথিতকৈ স্বাভাৱিকতে পৃথক হয়। আমাৰ দৃষ্টিৰে শিশুসকলৰ পাঠ্যপুথিসমূহ যিমানদূৰ সম্ভৱ আকাৰ তথা কলেৱৰত অত্যন্ত সৰু, শিশুৰ বাবে অতিশয় উপভোগ্য হোৱাকৈ ৰঙীন, ছবিযুক্ত আৰু অতি সহজে আদান প্ৰদান কৰিব পৰা হোৱা উচিত। প্ৰাথমিক পৰ্যায়ৰ শিশুসকলৰ বাবে অত্যাৱশ্যকীয় শিকনীয় অৰ্হতাকেইটা যিমানদূৰ সম্ভৱ সহজ আৰু অতি কম পৰিসৰতে প্ৰদান কৰিব পৰাকৈ পাঠ্যপুথি এখন অতিশয় সুচল হʼব লাগে। কেন্দ্ৰীয় চৰকাৰৰ এক নিৰ্দেশনা অনুসৰি প্ৰাক্ প্ৰাথমিক পৰ্যায়ৰ শিশুসকলৰ বাবে স্কুল বেগ ব্যৱহাৰ কৰাটোৱেই নিষেধ কৰা হৈছে। সেইদৰে প্ৰথম, দ্বিতীয় শ্ৰেণীলৈকে স্কুল বেগৰ ওজন ১.৬ পৰা সৰ্বোচ্চ ২.২ কিলোগ্ৰামলৈকেহে অনুমোদন জনোৱা হৈছে। কিন্তু আমাৰ ৰাজ্যত প্ৰাথমিক শিক্ষা বিভাগে এই নিৰ্দেশনা যথাৰ্থতে অনুসৰণ কৰা পৰিলক্ষিত হোৱা নাই। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰ অধীনত মুখ্যতঃ প্ৰাক্ প্ৰাথমিক শ্ৰেণীৰ পৰা দ্বিতীয় তৃতীয় শ্ৰেণীলৈকে শিশুসকলৰ মাজত সাক্ষৰতা আৰু সাংখ্যিকতাৰ ক্ষেত্ৰত প্ৰয়োজনীয় অৰ্হতা আৰু দক্ষতা সুনিশ্চিত কৰিবলৈ ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে ২০২১ বৰ্ষৰ ৫ জুলাইত 'নিপুন ভাৰত' (National Initiative for Proficiency in Reading with Understanding and Numeracy-চমুকৈ NIPUN Bharat অৰ্থাৎ শিশুসকলৰ বোধ সক্ষমতা আৰু দক্ষতা সহ সাক্ষৰতা আৰু সাংখ্যিকতাৰ অৰ্হতা প্ৰাপ্তি সুনিশ্চিত কৰিবলৈ এক ৰাষ্ট্ৰীয় পদক্ষেপ) শীৰ্ষক এক অভিযান ঘোষণা কৰিছিল। এই অভিযানটোৰ সৈতে সংগতি ৰাখি একেটা বছৰৰে ১৬ নৱেম্বৰত অসম চৰকাৰৰ শিক্ষা বিভাগেও 'নিপুন অসম' নামেৰে একেটা অভিযান অসমত সূচনা কৰে। এই অভিযানৰ জৰিয়তে সাক্ষৰতাৰ ক্ষেত্ৰত শিশুসকলৰ মাজত মৌখিক ভাষাৰ বিকাশ, ধ্বনি সজাগতা, পাঠোদ্ধাৰ, শব্দ ভাণ্ডাৰ, ছপা সজাগতা, পঠনবোধ, পঠন সাৱলীলতা, পঠন সংস্কৃতি, লিখন আদি দিশসমূহ সামৰি সাক্ষৰতাৰ লক্ষ্যত উপনীত হʼবলৈ মূলতঃ শিশুৰ মৌখিক ভাষাৰ বিকাশ, পাঠোদ্ধাৰ, পঠন আৰু লিখন -এই চাৰিটা মূল ব্লক বা খণ্ডত উৎকৰ্ষ সাধন কৰাত অগ্ৰাধিকাৰ দিছে। আনহাতে সাংখ্যিকতাৰ ক্ষেত্ৰত বিকাশ কৰিবলগীয়া মূল ক্ষেত্ৰসমূহ সাতোটা উপাংশত বিভক্ত কৰিছেঃ প্ৰাক্ সাংখ্যিক ধাৰণা, সংখ্যা আৰু সংখ্যাৰ প্ৰক্ৰিয়া, আকাৰ-আকৃতি, জোখ-মাখ, স্থান আৰু অৱস্থানবোধ, চানেকি আৰু তথ্যৰ ব্যৱহাৰ। শিশুক বিকাশ কৰিবলগীয়া এই ক্ষেত্ৰসমূহত শিশুসকলক অতি সহজে আৰু উপভোগ্যজনকভাৱে প্ৰৱেশ কৰাবলৈ পাঠ্যপুথিৰ পাঠসমূহ আকৰ্ষণীয় আৰু সীমিত পৰিসৰৰ হোৱা বাঞ্ছনীয়। কিন্তু চৰকাৰী প্ৰাথমিক পৰ্যায়ৰ পাঠ্যপুথিসমূহ অনাৱশ্যকভাৱে বৃহৎ আৰু পাঠসমূহ প্ৰয়োজনাধিকভাৱে বাহুল্য হোৱা পৰিলক্ষিত হৈছে। ঞ্জ বিশেষকৈ গণিত বিষয়ৰ পাঠ্যপুথিখনত গণিতৰ প্ৰাথমিক অৰ্হতাকেইটা শিকোৱাৰ ক্ষেত্ৰতে পাঠসমূহ ইমানেই বাহুল্য কৰা হৈছে যে শিকাবলগীয়া অৰ্হতাটো সহজে প্ৰাপ্তি হোৱাৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ লগতে বহুসময়ত শিক্ষকজনো বিমোৰতহে পৰিবলগীয়া হয়। ফলশ্ৰুতিত পাঠসমূহৰ আকৰ্ষণ স্বাভাৱিকতে ম্লান পৰিছে। শিশুসকলৰ আগ্ৰহ আৰু উৎকণ্ঠা অটুট থকাকৈ পাঠসমূহ পাৰ্যমানে সংক্ষিপ্ত পৰিসৰৰ হোৱা উচিত। সেইদৰে সাক্ষৰতাৰ ক্ষেত্ৰতো পাঠসমূহ সৰু আৰু চিত্তাকৰ্ষক হোৱা উচিত। আমাৰ দৃষ্টিৰে প্ৰাথমিক শিক্ষা বিভাগে শেহতীয়াকৈ প্ৰকাশ কৰা 'ঝংকাৰ'ৰ দৰে কৰা পাঠ্যপুথিৰ নামকৰণে শিশুৰ মনোজগতত সহজে আকৰ্ষণ কৰিব নোৱাৰে। আমি শিশু অৱস্থাত 'কুঁহিপাঠ' পাঠ্যপুথিভাগ লৈ আমাৰ মনত যি অনামী সুখ আৰু এক বুজাব নোৱাৰা শিহৰণ অনুভৱ কৰিছিলোঁ তেনে অনুভূতি 'ঝংকাৰ'ৰ দৰে জটিল শব্দই শিশুৰ কোমল মনত নিশ্চয়কৈ সৃষ্টি কৰিবলৈ সমৰ্থ নহয়। 'কুঁহিপাঠ' পাঠ্যপুথিভাগে আমাক পঢ়াৰ প্ৰতি অতিশয় আগ্ৰহী কৰি তুলিছিল আৰু কিতাপখন স্পৰ্শ কৰিয়েই মনটো ভৰি গৈছিল। সেই 'কুঁহিপাঠ' পাঠ্যপুথিভাগক পুনৰ প্ৰচলন কৰিব নোৱাৰিনে? কিছু পাঠৰ প্ৰয়োজন সাপেক্ষে সংশোধন কৰি হʼলেও পাঠ্যপুথিৰ নামটো পুনৰ 'কুঁহিপাঠ' নামেৰেই নামকৰণ কৰিবলৈ অনুৰোধ কৰিলোঁ। আনহাতে আমাৰ দৃষ্টিৰে শিশুসকলৰ মনত সততা, নৈতিকতা, শিষ্টাচাৰ, সহানুভূতি আদি মানৱীয় গুণসমূহৰ বিকাশ কৰিবলৈ প্ৰাক্ প্ৰাথমিক পৰ্যায়ৰ পৰাই কেতবোৰ বাচকবনীয়া সৰু আকৰ্ষণীয় সাধু আৰু সাধাৰণ জ্ঞানৰ সমাহাৰেৰে এখন সৰু সুকীয়া পাঠ্যপুথিৰো প্ৰচলনৰ ব্যৱস্থা কৰা উচিত।

**ৰঞ্জিত শইকীয়া**
কুৰালগুৰি, দেৰগাঁও
ভ্ৰাম্যভাষ ঃ ৮৬৩৮৩৮৮৫০১

# বিৰোধী ঐক্যমঞ্চ আৰু ২০২৬ৰ নিৰ্বাচন

**সঞ্জয় ৰবিদাস**

সোণাপুৰৰ আতিথ্য ৰিজৰ্টত ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোহাঁই, সাংসদ অজিত কুমাৰ ভূঞা, হৰেকৃষ্ণ ডেকা প্ৰমুখ্যে সচেতন নাগৰিকৰ নেতৃত্বত ৰাজ্যৰ বিৰোধী দলসমূহৰ বৈঠক যোৱা ১ মাৰ্চত অনুষ্ঠিত হৈ গʼল। বৈঠকত সিদ্ধান্ত হʼল যে ২০২৬ৰ বিধানসভা নিৰ্বাচনত একত্ৰিতভাৱে বিজেপিৰ বিৰুদ্ধে নিৰ্বাচনত অৱতীৰ্ণ হʼব। ৰাজ্যৰ শাসনগাদীৰ পৰা শাসকীয় বিজেপি দলক উৎখাত কৰিবলৈ সংকল্প লোৱা এই বিৰোধী ঐক্যমঞ্চ নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত আসনৰ ভাগ-বটোৱাৰাক লৈ বহু বিভাজিত নহʼলেই ৰক্ষা। ইফালে অসম প্ৰদেশ কংগ্ৰেছৰ নতুন সভাপতি হʼলগৈ গৌৰৱ গগৈ। গৌৰৱ গগৈয়ে অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈৰ ৰাজনৈতিক দলৰ সৈতে মিত্ৰতাৰ প্ৰস্তাৱ বা আসনৰ অংকক লৈ কেনেধৰণৰ সন্মতি দিয়ে সেয়া লক্ষণীয় হয়। বৰ্তমান অগপ, বিজেপিক বাদ দি চকুৰ আগত ধৰা দিয়া মুখ্য তৃতীয় বিকল্প হৈছে বিৰোধী ঐক্যমঞ্চৰ জোঁট। কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰা এই আঞ্চলিক ৰাজনৈতিক দলসমূহ হৈছে ৰাজ্য সভাৰ সাংসদ অজিত কুমাৰ ভূঞা নেতৃত্বাধীন আঞ্চলিক গণ মৰ্চা, কৃষক মুক্তিৰ 'ৰাইজৰ দল' আৰু 'আছু'ৰ গৰ্ভত জন্ম হোৱা লুৰীণজ্যোতি গগৈ নেতৃত্বাধীন অসম জাতীয় পৰিষদ। নিৰ্বাচনত জিকিবলৈ গৰিষ্ঠসংখ্যক ভোটৰ প্ৰয়োজন। কথা হʼল এই ত্ৰিকোণীয়া আঞ্চলিক ৰাজনৈতিক শক্তিৰ সমৰ্থনৰ অবিহনে কংগ্ৰেছেও অকলে বিজেপিৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব খোজা নাই অথবা আগবঢ়ালেও বিজয় অনুকূল নহয়। ২০২১ৰ নিৰ্বাচনত দেখা গৈছিল যে 'কা' বিৰোধী ভোটসমূহ অৰ্থাৎ ৰাইজৰ দল আৰু অজাপৰ মাজত ভোট বিভাজনৰ ফলত বিজেপিয়ে কংগ্ৰেছক হৰুৱাই বহু সমষ্টিত 'ৱাক অভাৰ' পাইছিল। ইফালে কংগ্ৰেছৰ সৈতে মিত্ৰতা নকৰিলে উক্ত তিনি আঞ্চলিক ৰাজনৈতিক দলে নিৰ্বাচনত প্ৰতিদন্দ্বিতা কৰিব ঠিকেই, কিন্তু অসমৰ ১২৬টা বিধান সভা সমষ্টিত স্থানীয় শক্তিশালী প্ৰাৰ্থী থিয় কৰাব পৰাকৈ প্ৰস্তুতি সম্পূৰ্ণ কৰিব পৰা নাই আৰু সেই অনুসৰি চৰকাৰ গঠনৰ সপোনো বাস্তৱ নহʼব। কাৰণ বিকল্প আঞ্চলিক দলৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব শাসনাধিষ্ঠিত বিজেপি দল, কংগ্ৰেছ, অগপ, এআইইউডিএফ আদি দল। অগপ-বিজেপিৰ মিত্ৰতা অটুত থকাৰ সম্ভাৱনাই প্ৰবল। এই দলসমূহে নিৰ্বাচনত ধনবলৰ ৰাজনীতিৰে চমক সৃষ্টি কৰাৰ ক্ষেত্ৰত কেতিয়াও পিছপৰি নাথাকে। প্ৰতিশ্ৰুতি, বিয়াগোম নিৰ্বাচনী হৰ্ডিং, হেলিকপ্তাৰৰে নিৰ্বাচনী প্ৰচাৰ কৰি ভোটাৰৰ মন জয় কৰাৰ পুৰণি কায়দাবোৰ আকৌ চলিব। নিৰ্বাচনৰ সময়ত আসনৰ ভাগ-বটোৱাৰাত অসন্তুষ্ট হৈ কংগ্ৰেছৰে মিত্ৰতা নকৰিলে নতুন আঞ্চলিক ৰাজনৈতিক দলে এইসমূহৰে ফেৰ মাৰিব পাৰিবনে? অসমত এতিয়া 'কা' বিৰোধী আন্দোলনৰ পৰিৱেশ নাই। ২০২১ ত সৰ্বানন্দ সোণোৱাল চৰকাৰৰ বিৰুদ্ধে সেই পৰিৱৰ্তনৰ ঢৌ বিকল্প শক্তিৰ বাবে নিৰ্বাচনত জয়লাভৰ অনুকূল আছিল। কিন্তু তৎসত্বেও ৰাইজৰ দলে পালে এখন আসন, অজাপৰ বিজয়ী আসন শূন্য হৈ থকাৰ বিপৰীতে কংগ্ৰেছেও চৰকাৰ গঠন কৰিব পৰাকৈ সংখ্যাগৰিষ্ঠতা নাপালে। বিবেকৱান মানুহৰ মনত কিন্তু 'কা' বিৰোধী ক্ষোভ এতিয়াও বৰ্তমান। সেই চাম বিবেকৱানক বাদ দি খাটি খোৱা দৰিদ্ৰ শ্ৰমিক জনতাই 'কা'ৰ কথা পাহৰিলে। 'কা' বিৰোধী আন্দোলনৰ সময়তো বিজেপিৰ শান্তি সমদলত লাখ লাখ অসমীয়া জনতাই ভাগ লোৱা দেখিছিলো। সেই সকলে ২০২৬ৰ নিৰ্বাচনত নিশ্চয় বিজেপিকে ভোট দিব। ইফালে বিজেপিৰ ধনবলৰ প্ৰয়োগো চকুত লগা। ভোটাৰক নগদ ধন বিলোৱা হিতাধিকাৰী আঁচনিবোৰ আছেই। কংগ্ৰেছ, বিজেপিৰ ষ্টাম্পড ভোটাৰসকলে কেতিয়াও নতুন আঞ্চলিক ৰাজনৈতিক দলক সমৰ্থন নোযোগাব। অসমৰ অশিক্ষিত ভোটাৰে বিবেক বিক্ৰী কৰি মদ, মাংসৰ লোভত ভোট দিয়ে। বৰ্তমান বিকল্প হিচাপে বিৰোধী ঐক্যমঞ্চই শক্তিশালী ইছ্যু লৈ ৰাইজৰ ওচৰলৈ যাব পাৰিব লাগিব, জাতিটোও জাগিব লাগিব। বৰ্তমান চৰকাৰৰ ব্যৰ্থতাবোৰ বিস্তৃত ৰূপত ৰাইজৰ মাজত দাঙি ধৰিব লাগিব। অসমৰ জাতীয়তাবাদী দল-সংগঠন একত্ৰিত হৈ যুঁজ দিব লাগিব প্ৰভাৱশালী ৰাজনৈতিক দলৰ বিৰুদ্ধে। সকলোৰে মাজত থাকিব লাগিব সু-সমন্বয়। ৰাইজে বিৰোধী ঐক্যমঞ্চক আস্থাত লʼলে আৰু সন্তীয়া ৰাজনীতিত ভোল নগʼলে ২০২৬ৰ অসম বিধানসভাৰ নিৰ্বাচনত বিৰোধী শক্তিৰ উত্থান নিশ্চিত।



অসমৰ জাতীয়তাবাদী শিবিৰৰ ভোটবোৰ বিৰোধী ঐক্যমঞ্চই লোৱাৰ চেষ্টা কৰক। কাৰণ অগপৰ জাতীয়তাবাদক মানুহে পাহৰিছে। অসম আন্দোলনৰ বুকুচাত উঠি ছাত্ৰ সন্থাৰ নেতৃত্বত গঠিত হোৱা অগপ দলৰ জাতীয়তাবাদ আজি যেন ধোঁৱাচাঙত উঠিল। শীৰ্ষ নেতৃত্বৰ দুই-এজনে ক্ষমতাৰ স্বাৰ্থত আঞ্চলিক দলৰ চৰিত্ৰ হেৰুৱাই শাসনাধিষ্ঠিত ৰাষ্ট্ৰীয় দল বিজেপিৰে মিত্ৰতা কৰি চৰকাৰৰ প্ৰিয়ভাজন হৈছে। তেওঁলোকে জাতীয় ইচ্ছ্যুক লৈয়ো নিমাত। দলটোৰ এনে সুবিধাবাদী স্থিতিৰ বাবেই আজি অসমত আঞ্চলিকবাদে নতুন দলৰ জন্ম দিলে। অগপৰ নিষ্ক্ৰিয় জাতীয়তাবাদৰ সুযোগ লৈ সম্প্ৰতি বহুকেইটা ন ন আঞ্চলিক দলৰ জন্ম হৈছে। অসমৰ স্বাৰ্থত এই দলসমূহে ৰাজনৈতিকভাৱে কিদৰে যুঁজ দিব সেয়া সময়ে কʼব। 'কা' আন্দোলনত অংশগ্ৰহণ কৰা জাতীয় সংগঠনসমূহৰ প্ৰায়ভাগেই এতিয়া বিকল্প দলৰ নামত ভাগে ভাগে আঞ্চলিক দল গঠন কৰিছে। প্ৰতিপত্তি, ক্ষমতা, শাসন, প্ৰভাৱ বিস্তাৰ, জনপ্ৰিয়তা, ব্যক্তিগত লাভালাভ আৰু মন্ত্ৰী-বিধায়ক হোৱাৰ সপোনে তেওঁলোকক এনে কৰিবলৈ উদগনি যোগাইছে। কিন্তু বিৰোধী আঞ্চলিক দলসমূহ একেলগ নহʼলে ধনবল, বাহুবলে পুষ্ট সোঁপন্থী দলসমূহৰ বিৰুদ্ধে নিৰ্বাচনত জয় লাভ কৰাটো সহজ নহʼব। চৰকাৰ গঠনৰ বেলিকাও তেওঁলোকে সংখ্যাগৰিষ্ঠতা হেৰুৱাব। গতিকে, চৰকাৰ গঠনৰ সময়ত ঘোঁৰা হৈ বিক্ৰী যোৱাতকৈ জাতীয়তাবাদী আদৰ্শৰ সকলো নেতাই ভিন ভিন ৰাজনৈতিক দলত নাথাকি একেখন উমৈহতীয়া আৰু শক্তিশালী আঞ্চলিক ৰাজনৈতিক মঞ্চলৈ আহক।

নতুনকৈ গঠিত আঞ্চলিক ৰাজনৈতিক দলৰে কংগ্ৰেছৰ মিত্ৰতাৰ স্বাৰ্থ আছে। 'কা' বিৰোধী আন্দোলনত যোগদান কৰা আৰু এই আন্দোলনক সমৰ্থন জনোৱাসকলৰ ভোট নতুন আঞ্চলিক দলে লাভ কৰিব এই কথা কংগ্ৰেছে জানে। সেয়েহে মিত্ৰতাৰ বাবে তেওঁলোক আগ্ৰহী। অন্যথা ভোট বিভাজনে কংগ্ৰেছৰ জয়ত ঋণাত্মক প্ৰভাৱ পেলাব। কা আন্দোলনকাৰীসকলে এটা বিকল্প ৰাজনৈতিক দল বিচাৰিছিল আৰু অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলক লগ লগাই সমুখত এতিয়া দুটাকৈ নতুন আঞ্চলিক দল। আন্দোলন কৰি তেওঁলোকে জাতীয়তাবাদী শিবিৰক ভোট নিদিলে দুমুখীয়া স্থিতি গ্ৰহণ কৰাহে বুজাব। জাতীয়তাবাদত বিশ্বাসীসকলে অগপক ভোট কেনেকৈ দিব যিহেতু ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰে মিত্ৰতা কৰি অগপই আঞ্চলিকতাবাদৰ চৰিত্ৰ বিসৰ্জন দিছে। আগন্তুক বিধানসভাৰ নিৰ্বাচনত আঞ্চলিক দলসমূহে কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰাটো সময়ৰ আহ্বান। একত্ৰিত নহʼলে অকলে নতুন আঞ্চলিক দলৰ বাবে চৰকাৰ গঠন কৰাটো সহজ নহʼব। বিজেপিক উফৰোৱাৰ স্বাৰ্থত আৰু জাতীয়তাবাদী ৰাজনীতিৰ খাতিৰত অসমৰ ৰাইজে নৱগঠিত আঞ্চলিক দলসমূহ একজোঁট হৈ শক্তিশালী বিৰোধী ঐক্যমঞ্চ গঠন কৰাটো বিচাৰিছে। ইফালে বিৰোধী ঐক্যমঞ্চৰ নেতাৰ মাজৰ আঁকোৰগোজ, মইমতালি, অহংভাৱ, খোৱা-কামোৰা, বাক-বিতণ্ডা, সমালোচনা, নিন্দা ইত্যাদিবোৰ বিষয় সংবাদ মাধ্যমত প্ৰকাশ হোৱাত সচেতন মহলে নিজা নিজা টিপ্পনিও আগবঢ়োৱা পৰিলক্ষিত হৈছে। বিশিষ্ট লেখক ময়ূৰ বৰাই ফেচবুকত লিখিছে - ''বিৰোধী 'অনৈক্য মঞ্চ'ই সাংঘাতিক আশাৰ সঞ্চাৰ কৰিছে এইবাৰ কাৰোবাক উৎখাত কৰিহে এৰিব অৱশ্যে নিজেও উৎখাত হৈ যাব পাৰে। অন্য এজন ৰাজনৈতিক বিশ্লেষক ছাইদুল ইছলামৰ মতে ঐক্য লাগে, বিজেপিক হৰুৱাবলৈ। কিন্তু বিজেপিক আঁতৰাই বৰ্তমানৰ বিৰোধীক শাসনৰ ভাৰ অৰ্পণ কৰাৰ বাবে ড° গোহাঁই ছাৰ আৰু সহযোগী নাগৰিকসকলে কি কি চৰ্ত বান্ধি দিছে বিৰোধী শিবিৰক? অসমৰ অমীমাংসিত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক সমস্যাৰ সমাধানৰ পথ নিৰূপণ কৰিব পৰাকৈ কোনো নিৰ্দিষ্ট উদ্দেশ্য, লক্ষ্য, ভিজন আৰু পৰিকল্পনা অবিহনে কেৱল বিজেপিৰ প্ৰতিৰোধেই একমাত্ৰ ৰাজনৈতিক চৰ্ত হʼব নোৱাৰে। ৰাজনৈতিক দলবোৰৰ কুচকাৱাজ হʼব পাৰে, কিন্তু কেৱল সমষ্টিৰ বিতৰণক লৈ হোৱা মিত্ৰতাকেন্দ্ৰিক ৰাজনীতিত ড° গোঁহাই ছাৰৰ নেতৃত্বত আৰম্ভ হোৱা প্ৰচেষ্টা হʼবগৈ কেৱল মাত্ৰ ৰাজনৈতিক। বিৰোধীৰ মাজত কাজিয়া হৈছে, বৈঠকত হোৱা অৰিয়াঅৰি আৰু বিতৰ্কই প্ৰমাণ কৰিছে এই মিত্ৰতা এই মুহূৰ্তলৈ কেৱল মাত্ৰ সমষ্টিৰ বিতৰণকেন্দ্ৰিক। মোৰ দৃষ্টিত আজিৰ দিনত বিজেপিক ক্ষমতাচ্যুত কৰাটোৱেই বিৰোধী মিত্ৰতাৰ একমাত্ৰ এজেণ্ডা হৈ আছে, অসমৰ ৰাইজৰ বাবে বিৰোধীৰ উমৈহতীয়া ন্যূনতম এজেণ্ডা নিৰূপণ কৰিবৰ বাবে প্ৰচেষ্টা দেখা নাই। বিৰোধীশূন্য গণতন্ত্ৰ একনায়কত্ববাদৰ লক্ষণ বা লাইচেন্স। সেয়ে ড° হীৰেণ গোহাঁই ছাৰ, হৰেকৃষ্ণ ডেকা, অজিত কুমাৰ ভূঞা আদিৰ দৰে সামাজিক নেতৃত্বত আৰম্ভ হোৱা বিৰোধী ঐক্যৰ বাবে চলা প্ৰচেষ্টা সফল হওক, কিন্তু কেৱল মাত্ৰ ৰাজনৈতিক দলৰ আসনকেন্দ্ৰিক মিত্ৰতাই হয়তো সমস্যাৰ সমাধানৰ বাট মুকলি কৰিবলৈ সক্ষম নহব। তেনেক্ষেত্ৰত কথাবোৰ অসমৰ ৰাইজক আশ্বস্ত কৰিবলৈও টান হবগৈ।"

ৰাজ্যৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক পংকজ দুৱৰাই লিখিছে- ''২০২৬ত বিৰোধী ঐক্য মঞ্চই প্ৰতিটো সমষ্টিত উমৈহতীয়া প্ৰাৰ্থী ঠিয় কৰাবলৈ লোৱা সিদ্ধান্তটো ভাল সিদ্ধান্ত। আমি কʼব বিচাৰো- উমৈহতীয়া প্ৰাৰ্থী মানে কেৱল দল কেইটাৰ কৰ্মীক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাতে বিৰোধী ঐক্য সীমাবদ্ধ নাথাকি এক তৃতীয়াংশ আসনত ৰাজ্যৰ আগশাৰীৰ সৎ আৰু আদৰ্শবান ব্যক্তিক বিৰোধী ঐক্য মঞ্চৰ উমৈহতীয়া প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাৰ বাবেও চিন্তা কৰক। বিৰোধীয়ে ২০২৬ৰ বিধান সভা নিৰ্বাচনত ভোটাৰৰ মাজত অসুৰৰ বিৰুদ্ধে দেৱতাৰ, অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ যুঁজৰ পৰ্যায়লৈ নিব পাৰিলে কিবা অকণমান ভাল ফল পোৱাৰ আশা কৰিব পাৰি কিন্তু চোৰৰ বিৰুদ্ধে চোৰক বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে এই প্ৰচেষ্টাই কোনো ফল নধৰিব। গতিকে বিৰোধী ঐক্যমঞ্চৰ নেতৃত্বই অসমৰ সমাজ সচেতন লেখক, বুদ্ধিজীৱী, সাংবাদিক আৰু ৰাইজৰ পৰামৰ্শ লৈ পৰৱৰ্তী যিকোনো সিদ্ধান্ত গ্ৰহণ কৰিলে ২০২৬ৰ নিৰ্বাচনত আশাপ্ৰদ ফলাফল লাভ কৰিব বুলি আশা কৰিব পাৰি।" ইফালে সাংসদ গৌৰৱ গগৈক অসম কংগ্ৰেছে নতুনকৈ সভাপতি পোৱাৰ পিছতে দলটোৰ কৰ্মীসকলৰ মাজত যি এক উল্লাসৰ পৰিৱেশৰ সৃষ্টি হৈছে সেয়াও কংগ্ৰেছৰ বাবে আশাৰ বতৰা।

ঠিকনা: বৰহোলা, যোৰহাট
ফোন: ৬৯০১১৫৪৫৮৩



## অসমীয়া ভাষাৰ সোৱাদ,

ভাষাটোৰ সুৰ-লালিত্যত এনে সুন্দৰ আকৰ্ষণ আছে যে যিকোনো ভাষা-ভাষীৰ লোকে অতি সোনকালে আৰু সহজতে এই ভাষা শিকিব পৰা হয়, কথা ক'ব পাৰে আৰু পাৰস্পৰিকভাৱে মনৰ ভাৱ বিনিময় বা আদান-প্ৰদান কৰিব পাৰে, যিটো কাম অন্যান্য ভাষাৰ বেলিকা বৰ সহজসাধ্য নহয়। আমি আমাৰ অসম ৰাজ্যত বসবাস কৰা বহুবোৰ অনা অসমীয়া অৰ্থাৎ অন্য ভাষা কোৱা মানুহক লক্ষ্য কৰিছোঁ, দিনচেৰেক অসমৰ অসমীয়া সমাজৰ স'তে সততে উঠা-বহা কৰা লোকক দেখা পাইছোঁ যে তেওঁলোকে কম সময়ৰ ভিতৰতে অসমীয়া ভাষাটো আয়ত্ব কৰি ল'য়। অৱশ্যে এই ক্ষেত্ৰত আগ্ৰহ আৰু আন্তৰিকতাৰ অতীৱ প্ৰয়োজন। লক্ষ্যণীয় যে, হেঁপাহ আৰু অভ্যাস কৰিলেও আনকি অসমীয়া মানুহেও সহজতে হিন্দী, ইংৰাজী আৰু আন আন আঞ্চলিক ভাষা সাৱলীলতাৰে শিকি ল'ব নোৱাৰে। অনা অসমীয়া মানুহৰ ক্ষেত্ৰত লক্ষ্য কৰা যায় যে তেওঁলোকে বৈয়াকৰণিক সুচিতা ৰক্ষা কৰি ভাষা প্ৰকাশ কৰাত অভ্যস্ত নহ'য় যদিও, কিন্তু পৰিৱেশৰ সাহচৰ্যত পৰি প্ৰায় নিৰ্ভুল অসমীয়া উচ্চাৰণ প্ৰয়োগেৰে কথা ক'ব পৰা হ'য় । এয়া হয়তো অভ্যাস, অনুশীলন আৰু ব্যৱহাৰিক প্ৰকাশৰ ফল। অইনৰ অৰ্থাৎ আচহুৱা ভাষা এটা ব্যৱহাৰ কৰি কথা ক'বলৈ স্বৰূপতে আমি লাজ, ভয়, শংকা-সংকোচ আদি কৰোঁ। গতিকে কথাবোৰ ভবা মতে সম্ভৱ হৈ নুঠেগৈ। ভাষা শিক্ষণ বা শিকনৰ বেলিকা এয়া এক প্ৰকাৰ মহান অন্তৰায় আৰু হেঙাৰস্বৰূপ।

আমি স্বৰূপতে অসমীয়া মানুহবোৰেই বিশুদ্ধভাৱে অসমীয়া ভাষাটো প্ৰকাশ কৰিব নোৱাৰোঁ, নেজানো বা প্ৰকাশৰ শুদ্ধ পথ নিবিচাৰোঁ। ভাষাৰ বেলিকা অৰ্থাৎ যিকোনো ভাষাৰ ক্ষেত্ৰতেই কথিত আৰু লিখিত দুটা দিশেই থাকে। বহু সময়ত লক্ষ্য কৰা যায় যে কথিত ভাষাত পূৰ্ণ মাত্ৰাই ব্যাকৰণৰ শুদ্ধ ৰূপ নাথাকিব পাৰে। ভুলে-ভালে মনৰ ভাৱ ৰাশি প্ৰকাশ কৰিব পাৰিলেই সকলোৰে বাবে বোধগম্য হ'য়। ইয়াকে যেনিবা লেখাৰ সময়ত মানুহ বৰ যত্ন সহকাৰে সতৰ্ক হ'ব লগা হয়।

জানি-বুজিও আমি প্ৰায় অসমীয়া মানুহে সুৰীয়া অসমীয়া ভাষা বিভ্ৰান্তিকৰ আৰু বিসংগতিপূৰ্ণ কৰি পেলাওঁ। ভাষা প্ৰকাশত অসতৰ্কতাৰ বাবেই নিশ্চয় এনে ভুল হয়। আমাৰ অসমীয়া মানুহে আনকি জনা বুজা শিক্ষিত কিছুলোকেও এনেহেন কিছুমান ভুলৰ বাটেৰে কথা কোৱাত অভ্যস্ত হ'য় । উদাহৰণস্বৰূপে অসমীয়া মানুহে সচৰাচৰ ভুল কৰি থকা কেতবোৰ কথা উল্লেখ কৰিব পাৰি - "মই তোমালৈ ৰখি ৰখি আমনি লাগিল, গুছি আহি দিলোঁ"। আমি জনাত ৰখি ৰখি হ'ব নেলাগে, বৈ বৈহে হ'ব লাগে। আহি দিলোঁ নহয়, গুছি আহিলোঁহে শুদ্ধ হ'য়। আকৌ কয় মানুহে এনেদৰে, "মই গুৱাহাটীলৈ যাই পেনে এটা ফোন কৰিম বাৰু"। এনেদৰে হ'ব নালাগে, এয়াহে শুদ্ধ হ'ব - মই গুৱাহাটীলৈ গৈ পেলাই তোমালৈ ফোন কৰিম বাৰু। আৰু আছে তই ক'ত যাব অ'? উত্তৰত কয় মই দোকানত যাওঁ, মই গুৱাহাটী যাওঁ, কলেজত যাওঁ। এয়া ভুল - ক'ব লাগে তই ক'লৈ যাব বা কোনফালে যাব ? উত্তৰ আহিব লাগে মই দোকানলৈ যাওঁ, কলেজলৈ যাওঁ বা গুৱাহাটীলৈ যাওঁ । নামনিৰ ভাষাৰে কোৱা হয় - তই ক'ক যা এ বা ক'ক লাগি যা এ ? এনেবোৰ ভুল। এইক্ষেত্ৰত অসমীয়া ব্যাকৰণৰ ২ য়া বিভক্তি চিন 'লৈ' ব্যৱহাৰ হ'য়। কিছু লোকে আকৌ এনেদৰে কয় - তই ক'লৈ যাব ন' ? 'ন' ৰূপটো এনে ক্ষেত্ৰত প্ৰয়োগ নহয়। এনেকুৱাহে হ'ব লাগে, যদি 'ন' প্ৰয়োগ কৰি কয় - চুলি কোছা এনেকৈ কাটিলেহে ভাল হ'ব ন' ? এনেকৈয়ে দেখাত ভাল লাগিছে ন' ? 'ন' ৰ প্ৰয়োগটো আমি যথাযথভাৱে জনা উচিত।

একোচাম উতনুৱা যুৱকৰ মাজত আমি এনে কেতবোৰ আচহুৱা আৰু বিজতৰীয়া শব্দ/ধ্বনি শুনিবলৈ পাওঁ যেনে - আবে, গুলি, গেহেৰা, বিন্দাচ আদিৰ দৰে শব্দ। এইকেইটা মাথোঁ থিতাতে মনলৈ অহা কথাহে - আৰু আছে বহুবোৰ। এনেবোৰ শব্দ, বাক্য আৰু কথাৰ বাবে আমাৰ অসমীয়া ভাষাৰ সুচিতা হানি হোৱাহে পৰিলক্ষিত হ'য়।

বানান উচ্চাৰণ আদিৰ ক্ষেত্ৰটো অনেক বিভ্ৰাট ধৰা পৰে। চেনিটোক চিনি, খেতিৰ স্থানত খিতি, অৰুণাচলৰ জেগাত অৰুণাঞ্চল, হাইস্কুলৰ পৰিৱৰ্তে হাইচস্কুল আদি বহুবোৰ বানান আৰু উচ্চাৰণ বিভ্ৰাট পৰিলক্ষিত হ'য়। আৰু আছে বহুতো, এয়া মাথোঁ দুটিমান সাধাৰণ নমুনাহে।

## গোলাঘাটত মুখ্যমন্ত্ৰীৰ

উপস্থিত হোৱাৰ বিষয়ে গোলাঘাট জনসংযোগ বিভাগে ঘোষণা কৰিছিল যদিও কংগ্ৰেছ কৰ্মীৰ প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত উক্ত সময়সূচী সালসলনি কৰিবলৈ বাধ্য হোৱা দেখা যায়। মুখ্যমন্ত্ৰীগৰাকী দুপৰীয়া প্ৰায় ১.৪৫ বজাত জি ডি এছ এ-ৰ ইনড'ৰ ষ্টেডিয়াম উদ্বোধন কৰিবলৈ পলমকৈ উপস্থিত হয়। গোলাঘাট জিলা যুৱ কংগ্ৰেছ কমিটিৰ সভাপতি ৰূপান্তৰ তাঁতী, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা গোলাঘাটৰ তত্বাৱধায়ক পাৰ্থ সাৰথি বৰা, যুৱ কংগ্ৰেছৰ উপ সভানেত্ৰী সাগৰিকা শইকীয়াই বিজেপি নেতৃত্বাধীন অসম চৰকাৰক তীব্ৰ সমালোচনা কৰি গীৰ গাই দুৰ্নীতি, দুগ্ধ উন্নয়নৰ ৰাজ সাহায্য্য ইত্যাদি বিষয় উপস্থাপন কৰি প্ৰতিবাদী কাৰ্যসূচী উত্তাল কৰি তোলে। মুখ্যমন্ত্ৰী গৰাকীৰ কনভয় গোলাঘাট ষ্টেডিয়াম ৰোডত উপস্থিত হোৱাৰ প্ৰাক্ মুহূৰ্তত কংগ্ৰেছৰ প্ৰতিবাদী কৰ্মীসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। শতাধিক আৰক্ষী মোতায়েন কৰাৰ পিছতো কংগ্ৰেছৰ দুৰ্নীতি বিৰোধী প্ৰতিবাদ দমন কৰিবলৈ সক্ষম নহ'ল। গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক(সাংগঠনিক) দিগন্ত বাইলুঙে অসম আৰক্ষীৰ জোৱান জিলা কংগ্ৰেছ কাৰ্যালয়ৰ প্ৰাঙ্গনত প্ৰবেশ কৰি আক্ৰমণ কৰিবলৈ উদ্যত হৈ পৰাত এনে কাণ্ডক তীব্ৰ সমালোচনা কৰি অসম আৰক্ষীক তীব্ৰ ধিক্কাৰ দিয়ে। গোলাঘাট সদৰৰ এজন আৰক্ষী উপ পৰিদৰ্শকে গোলাঘাট জিলা কংগ্ৰেছৰ কাৰ্যালয়ত প্ৰবেশ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ পতাকা টানি নষ্ট কৰিবলৈ চেষ্টা কৰা কাৰ্যক কঠোৰ ভাষাৰে সমালোচনা কৰাত গোলাঘাট প্ৰশাসনৰ এগৰাকী বিষয়া উপস্থিত হৈ বিষয়াজনক আঁতৰি যাবলৈ নিৰ্দেশ দিয়া দেখা যায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা জি ডি এছ এ-ৰ ইনড'ৰ ষ্টেডিয়াম উন্মোচন কৰিবলৈ উপস্থিত হওঁতে কংগ্ৰেছৰ প্ৰতিবাদী কৰ্মীসকলে ক'লা পতাকা প্ৰদৰ্শন কৰি প্ৰতিবাদ সাব্যস্ত কৰা দেখা যায়। মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী জয়ন্ত মল্লবৰুৱাক আৰক্ষীৰ বাধা নেওচি ক'লা পতাকা প্ৰদৰ্শন কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ কনভয়লৈ লক্ষ্য কৰি বটল নিক্ষেপ কৰে প্ৰতিবাদকাৰীয়ে। গোলাঘাট জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা ববীতা সিং ৰাজপুত, জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰূপান্তৰ তাঁতী, যুৱ কংগ্ৰেছৰ নেতা অৰিন্দম বড়ি, সত্যজিৎ টাইড, আৰিফ আলি আদি যুৱ নেতাসকলক আৰক্ষীয়ে চোচৰাই প্ৰতিবাদ দমন কৰিবলৈ চেষ্টা কৰে। গোলাঘাট জিলা কংগ্ৰেছৰ উপ সভাপতি আব্দুল আলি, সাধাৰণ সম্পাদক ক্ৰমে বুলি গগৈ, লাচিত বৰা, আশিস ৰাজখোৱা, গোলাঘাট নগৰ ব্লক কংগ্ৰেছৰ সভাপতি নয়নমণি বৰা, কংগ্ৰেছৰ নেতা হেৰম্ব শইকীয়া, মৃদুজ্যোতি বৰা, দিপেন ছেত্ৰী, বিদ্যুৎ বৰা, মমিন আহমেদ আদিয়ে বিভিন্ন শ্ল'গানৰ উদ্যোগ লয়। ধৰ ঐ ধৰ, গৰু চোৰক ধৰ, মা আমি নলবাৰীলৈ যা-মেই, মা আমি গৰু চোৰ চা-মেই, খা-মেই, খা-মেই গীৰ গাই গাখীৰ খাম, চিকিৎসালয় আছে, ডাক্তৰ নাই, খুটি আছে, গৰু নাই, জয়ন্ত মল্লই গীৰ গাই গাখীৰ খাই, তেওঁৰ মূৰত মাল নাই, বিজেপি হায় হায় ইত্যাদি শ্ল'গান দিয়ে। গোলাঘাট জিলা কংগ্ৰেছ সামাজিক মাধ্যম আৰু তথ্য প্ৰযুক্তি বিভাগৰ অধ্যক্ষ ৰুস্তম বৰাৰ ফেচবুক লাইভ সম্প্ৰচাৰ চলি থকা অৱস্থাত তেখেতক গতিয়াই দাবি ধমকি দি বহু সময় তেওঁৰ মোবাইল ফোন গোলাঘাট আৰক্ষীৰ লোকে জব্দ কৰি ৰাখে। কংগ্ৰেছৰ দুই শতাধিক প্ৰতিবাদকাৰীক দমন কৰিবলৈ শতাধিক আৰক্ষী মোতায়েন কৰি হতাহতিত লিপ্ত হোৱা দেখা যায়। দুগ্ধ উন্নয়নৰ ৰাজ সাহায্য মন্ত্ৰী আৰু বিজেপি নেতাই সৃজন-তোষণ কৰা, গৰুখুটিৰ গীৰ গাই চোৰ কৰাৰ লগতে ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ লিগেছী বিজেপিৰ বিতৰ্কক ধিক্কাৰ দি প্ৰতিবাদ উত্তাল কৰা দেখা যায়। বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ দুৰ্নীতি, অনিয়ম, স্বজন-তোষণ আৰু লুণ্ঠনে সামাজিক মাধ্যম ভাইৰেল হৈ পৰিছে। গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সভাপতি গোলাপ শইকীয়াই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি, সাংসদ গৌৰৱ গগৈৰ নেতৃত্বত বিজেপি বিৰোধী চৰকাৰ গঠন হ'ব বুলি সাংবাদিকক জানিবলৈ দিছে।

## ভৰা বাৰিষাৰ মাজতো

ঘাটৰ পৰা সকলোধৰণৰ ফেৰী চলাচল বিভাগে বন্ধ ৰাখিবলৈ বাধ্য হৈছে। কালি ঘাটটোৰ বিয়লি ২ বজাত কমলাবাৰী-নিমাতী ঘাট অভিমুখী যাত্ৰীবাহী এছবি জলতৰী নামৰ ফেৰীখন নদীৰ বালিচৰত লাগি ধৰাৰ ফলত প্ৰায় ৩ ঘণ্টাতকৈ অধিক সময়ৰ বাবে নদীৰ মাজত আৱদ্ধ হৈ থাকিবলগীয়া হোৱাৰ লগতে আজিও পুৱা ৭ বজাৰ এছবি প্ৰীতিষ নামৰ ফেৰীখনো নিমাতী অভিমুখে যাত্ৰা কৰি বালিচৰত আৱদ্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত পুনৰ ফেৰীখন উদ্ধাৰ কৰি কমলাবাৰী ঘাটলৈ উভটাই আনি যাত্ৰীসকলক অফলামুখ ঘাটেৰে নিমাতী যোৱাৰ ব্যৱস্থা কৰি দিয়ে। ইফালে এই ঘটনাৰ পিছতে আজিৰে পৰা ঘাটটো সাময়িক ভাৱে বিভাগে বন্ধ ঘোষণা কৰে। ঘাটটোৰ চেনেল খন্দাৰ পিছতহে পুনৰ ফেৰী চলাচল নিয়মীয়া হোৱাৰ সম্ভাৱনা আছে।

## চাপানালাৰ বালিজুৰিত

জিলা। নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদামৰ সমীপৱৰ্তী চাপানালাৰ বালিজুৰিত আজি বিয়লি পাঁচ মান বজাত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিজন লোক থিতাতে নিহত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত চাপানালা কুণ্ডৰ বনভোজস্থলীৰ পৰা বালিজুৰি অভিমুখে আহি থকা এখন তীব্ৰবেগী মটৰ চাইকেলে চাপানালা লুংচুং চমচিয়া লাইনৰ নিজৰ গৃহলৈ গৈ থকা আন এখন মটৰ চাইকেলত প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলত মটৰ চাইকেল আৰোহী শোণিতপুৰ জিলাৰ বৰভেটিৰ ৰকিবুল হুছেইনৰ থিতাতে মৃত্যু হোৱাৰ উপৰিও লুংচুং চমচিয়া লাইনৰ নিজৰ গৃহলৈ গৈ থকা মহিলাসহ মটৰ চাইকেল আৰোহী এজন থিতাতে মৃত্যু হয়। উক্ত পথ দুৰ্ঘটনাটো ইমানেই ভয়াৱহ আছিল যে নিহত মহিলা মেনকা বাকতি ছিটিকি গৈ ওচৰতে ৰখাই থোৱা এখন ই-ৰিক্সাৰ ভিতৰত সোমাই থিতাতে মৃত্যু হয়। ইয়াৰ উপৰিও মহিলাগৰাকীসহ মটৰ চাইকেলখনৰ আৰোহী আৰু বিনোদ বাকতি নিহত হয়। উল্লেখ্য যে, মেনকা বাকতি আৰু বিনোদ বাকতি মাতৃ আৰু পুত্ৰ। স্থানীয় লোকে জানিব দিয়া মতে, পুত্ৰ বিনোদে মাতৃক ধৰমতুলৰ পৰা ঘৰলৈ আনি থকা অৱস্থাত শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত মহিলাসহ আৰু দুজন লোক গুৰুতৰভাৱে আহত হয়। আহত কেইজন [illegible] মুণ্ডা আৰু ৰবিকুল ইছলাম। চাপানালা বনভোজস্থলীৰ [illegible]২-বি- ৭৫৩০ নম্বৰৰ মটৰ চাইকেলখনে লুংচুঙলৈ গৈ থকা এ- এছ- ০২- কিউ- ০১০৯ নম্বৰৰ মটৰ চাইকেলখনত খুন্দা মৰাৰ ফলতেই আজি ভয়াৱহ দুৰ্ঘটনাটো সংঘটিত হয় বুলি জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ঘটনাৰ তদন্ত কৰাৰ লগতে নিহত লোক কেইজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, চাপানালা চম্পাৱতী জলপ্ৰপাত, লুংচুঙৰ হদহদী জলপ্ৰপাতলৈ জলকেলি কৰিবলৈ যোৱা মটৰ চাইকেল আৰোহীৰ তীব্ৰ গতিবেগে এতিয়া ত্ৰাহি মধুসুধন দেখুৱাইছে সাধাৰণ পথাচাৰীক। মটৰ চাইকেলসমূহৰ তীব্ৰ গতিবেগ নিয়ন্ত্ৰণ কৰিবৰ বাবে স্থানীয় লোকে পুৰণিগুদাম আৰক্ষীক অৱগত কৰাৰ পিছতো আৰক্ষীয়ে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাৰ ফলতেই সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে বুলি অভিযোগ উত্থাপন হৈছে। আজিও তীব্ৰ গতিবেগৰ বাবে এনে ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হৈছে বুলি স্থানীয় লোকে অভিযোগ কৰিছে। লুংচুং চমচিয়া লাইনৰ মাতৃ পুত্ৰৰ থিতাতে মৃত্যু হোৱা খবৰে লুংচুং চাহ বাগিছাত গভীৰ শোকৰ ছাঁ পৰিছে।

## বোকাখাতৰ CRPF কেম্পত

মূল অভিযুক্তকো আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এই ঘটনাৰ তদন্ত অব্যাহত থকাৰ সময়তে যোৱা নিশা এনকাউণ্টাৰত উক্ত গ্ৰেণেড বিস্ফোৰণত জড়িত দুই লিংকমেন আহত হোৱা বুলি বুলি জানিব পৰা গৈছে। আৰক্ষীৰ গুলীত গ্ৰেণেড বিস্ফোৰণত সহায় কৰা দুই লিংকমেন ভৰেশ কলিতা আৰু সঞ্জীৱ বৰুৱা আহত হৈছে। দেওবাৰে নিশা গ্ৰেণেড বিস্ফোৰণ ঘটনাৰ তদন্তৰ বাবে আৰক্ষীয়ে দুয়োগৰাকীকে এক স্থানলৈ লৈ যোৱাৰ সময়তে এই এনকাউণ্টাৰৰ ঘটনা সংঘটিত হয় বুলি জানিব পৰা গৈছে। উল্লেখ্য যে যোৱা ২৪ জুনত বোকাখাতৰ সাপজুৰিৰ পানবাৰী কৃষিপামৰ CRPF কেম্পত সংঘটিত হৈছিল এই গ্ৰেণেড বিস্ফোৰণ ঘটনা। এই গ্ৰেণেড বিস্ফোৰণ কাণ্ডৰ লিংকমেন আছিল ভৰেশ কলিতা আৰু সঞ্জীৱ বৰুৱা। দুয়োগৰাকীয়ে এই বিস্ফোৰণৰ বাবে অংকুৰ দাস আৰু ৰূপজ্যোতি দাসক গ্ৰেণেড যোগান ধৰিছিল। এই ঘটনাৰ পিছতে ২৬ জুনৰ নিশা আৰক্ষীয়ে দুয়োকে তেজপুৰ আৰু লখিমপুৰৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীৰ জেৰাত দুয়ো পানবাৰী কৃষিপামৰ সমীপত দুটা পিষ্টল লুকুৱাই থোৱাৰ তথ্য প্ৰকাশ কৰে। জেৰাত এই বিষয়ে স্বীকাৰ কৰাৰ পিছতে দেওবাৰে নিশা আৰক্ষীয়ে দুয়োকে লগত লৈ পিষ্টল দুটাৰ সন্ধান চলাইছিল বুলি প্ৰকাশ পাইছে। কিন্তু ঘটনাস্থলীত দুই অভিযুক্তই আৰক্ষীক গতিয়াই লুকুৱাই থোৱা পিষ্টলেৰে আৰক্ষীক লক্ষ্য কৰি গুলীচালনা কৰে বুলি সূত্ৰই প্ৰকাশ কৰিছে। এই আক্ৰমণৰ প্ৰত্যুত্তৰত আৰক্ষীয়ে কৰা গুলীচালনাত ভৰেশ কলিতাৰ বাওঁ ভৰিত আৰু সঞ্জীৱ বৰুৱাৰ সোঁভৰিত গুলী লাগে বুলি প্ৰকাশ পাইছে। ইয়াৰ পিছতে দুয়োকে বোকাখাতৰ শ্বহীদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়ত প্ৰাথমিক চিকিৎসাৰ অন্তত JMCH লৈ প্ৰেৰণ কৰা হয়। ইতিমধ্যে আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা দুটা পিষ্টল উদ্ধাৰ কৰা বুলি প্ৰকাশ পাইছে। অৱশ্যে এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে বৰ্তমানলৈকে সংবাদ মাধ্যমৰ আগত কোনোধৰণৰ মন্তব্য দিয়াৰ পৰা বিৰত আছে।

## ১৪৫০টা গৰু একেদিনাই

আলোচনা কৰি এটা পুঁজি আগবঢ়াইছিলো। সেই পুঁজি মন্ত্ৰী অজন্তা নেওগ আৰু আঠখেলীয়া নামঘৰ পৰিচালনা সমিতিয়ে সদব্যৱহাৰ কৰি নাটঘৰ আৰু চাকি জ্বলোৱা স্থান, পানী যোগানৰ ব্যৱস্থা, অতিথিশালা নিৰ্মাণ কৰাত নামঘৰৰ পৰিৱেশ সম্পূৰ্ণ হৈছে। আঠখেলীয়া অসমৰ এক পবিত্ৰ ধৰ্মীয় স্থান আৰু এই স্থানত ৰাইজৰ ব্যাপক জনসমাগম হয়। এইবাৰ ভাদ মাহত আঠখেলীয়া নামঘৰলৈ আহিলে প্ৰশান্তি লাভ কৰিব।" মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "অহা ৮ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱিত অসম ভ্ৰমণ আছে। অসমৰ কোন কোন ঠাইত প্ৰধানমন্ত্ৰীক আনিব পাৰো সেই স্থানসমূহ পৰিদৰ্শন কৰিছো। তাৰ ভিতৰত নুমলীগড় শোধনাগাৰো আছে। নুমলীগড় শোধনাগাৰত এটা বায়'ইথানেল প্ৰজেক্ট লোৱা হৈছে য'ত বাঁহৰ পৰা ইথানেল তৈয়াৰ কৰা হ'ব আৰু ই হ'ব ভাৰতবৰ্ষৰ প্ৰথমটো বায়' শোধনাগাৰ। নুমলীগড় শোধনাগাৰৰ এটা অত্যধিক ৰাজহুৱা গুৰুত্ব আছে। সেই বাবে প্ৰধানমন্ত্ৰীক দেখুৱাবলৈ চেষ্টা কৰিছোঁ।" গৰুখুটি প্ৰকল্প সন্দৰ্ভত সাংবাদিকে প্ৰশ্ন কৰাত মুখ্যমন্ত্ৰীয়ে কয়, "ধুবুৰীত ১৪০০ গৰু এইবাৰ কোৰবাণী দিয়া হ'ল। কোৰবাণী দিয়া গৰু নামঘৰত ৰখা হ'ল, সেই কথা কোনেও নোসোধে। এইকেইটা গৰু জীয়াই ৰখা হৈছে। যিকেইটা গৰু নৃশংসতাৰে মাৰি পেলোৱা হৈছে সেই নৃশংসতাই অসমৰ সাংবাদিকৰ হৃদয় নকপায় নেকি? ১৪৫০টা গৰু একেদিনাই কাটি পেলোৱা হ'ল, কোনেও দুখ প্ৰকাশ কৰা দেখা নাই। গতিকে যি প্ৰসংগ উত্থাপন কৰিলে ৰাইজৰ লাভ হয় সেই প্ৰসংগ উত্থাপন কৰা উচিত। ১৪৫০টা গৰু একেদিনাই কাটি পেলোৱা হ'ল অথচ কোনো এটা টেলিভিছন চেনেলত এটাও টক শ্ব' নাই। এইকেইটা গৰু অন্ততঃ জীয়াই আছে। আপোনালোকে জীয়াই থকা গৰুৰ ওপৰত আলোচনা কৰে; কিন্তু কোৰবাণী হোৱা গৰুক লৈ আলোচনা নকৰে।" গোলাঘাটৰ চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ১৩০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা অত্যাধুনিক ক্ৰীড়া প্ৰকল্পও আজি উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে। ইয়াৰ লগতে গোলাঘাটৰ নগৰত ২৪ ঘণ্টা পানী যোগান প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। তাৰ পাছত গোলাঘাট ক্ৰীড়া সন্থাৰ খেলপথাৰত নৱনিৰ্মিত টেবুল টেনিছ আৰু বেডমিণ্টন ইনড'ৰ ষ্টেডিয়াম তেওঁ উদ্বোধন কৰে। ইয়াৰ সমান্তৰালভাৱে গোলাঘাট নগৰৰ ৰাইজক খোৱাপানী যোগান ধৰিবলৈ ১৩০ কোটি টকা ব্যয় সাপেক্ষে এটা প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে।

## তেলেংগানাৰ ফাৰ্মা প্লাণ্টত

বিস্ফোৰণ সংঘটিত হোৱা পছুম্যালাম ঔদ্যোগিক এষ্টেটৰ চিগাচি ফাৰ্মা কোম্পানীত বহু শ্ৰমিক আবদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। তেওঁলোকক উদ্ধাৰৰ প্ৰচেষ্টা অব্যাহত আছে। অগ্নিনিৰ্বাপক বাহিনীৰ এজন বিষয়াই জনোৱা মতে, দুৰ্ঘটনাস্থলীৰ পৰা ছটা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু চিকিৎসকে দুজনক মৃত ঘোষণা কৰিছে। আহত লোকসকলক চিকিৎসালয়লৈ লৈ যোৱা হৈছে আৰু চিকিৎসাধীন হৈ আছে। উদ্ধাৰ অভিযান এতিয়াও চলি থকাৰ বাবে তেওঁলোকৰ অৱস্থা তাৎক্ষণিকভাৱে জানিব পৰা হোৱা নাই। পশম্যালামৰ ৰাসায়নিক উৎপাদন কাৰখানা ছিগাচি ফাৰ্মা প্লাণ্টত এই বিস্ফোৰণ সংঘটিত হোৱা বুলি মাল্টি জ'ন। মহাপৰিদৰ্শক ভি সত্যনাৰায়ণে জানিবলৈ দিয়ে। পুৱা ৮: ১৫ৰ পৰা ৯: ৩৫ বজাৰ ভিতৰত সংঘটিত হয় এই ঘটনা। এই ঘটনাত মুঠ ৮জন লোকৰ মৃত্যু হৈছে। আহত হৈছে আন ২৬ জন। উদ্ধাৰ হৈছে ৬টা মৃতদেহ। চন্দা নগৰত চিকিৎসাৰ সময়ত দুজন লোকৰ মৃত্যু। ২০ মিনিটৰ ভিতৰতে আমি সেই ঠাইত উপস্থিত হওঁ। এন ডি আৰ এফ, এছ ডি আৰ এফকে ধৰি অন্যান্য উদ্ধাৰকাৰী দলে ১০খন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী লৈ ঘটনাস্থলীত আছে। জুই নিয়ন্ত্ৰণৰ প্ৰচেষ্টা অব্যাহত আছে। যুদ্ধকালীন গতিত উদ্ধাৰ অভিযান চলোৱা হৈছে। এই ঘটনাত মৃত্যু হোৱাসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁ কয়, 'এই ঘটনাত মই দুখিতঃ। যিসকলে আপোনজনক হেৰুৱাইছে তেওঁলোকৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিলোঁ। আহতসকলৰ আশু আৰোগ্য কামনা কৰিলোঁ। প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিজন মৃতকৰ পৰিয়াললৈ ২ লাখ টকাৰ সাহায্য প্ৰদান কৰা হ'ব। আহতসকলক ৫০ হাজাৰ টকাৰ সাহায্য দিয়া হ'ব।'

## কাজিৰঙা এলেকাক ন'

বিভাগ, চক্ৰ বিষয়াৰ উপস্থিতিত অবৈধ পাৰ্কিঙৰ বিৰুদ্ধে অভিযান চলোৱা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ স্পৰ্শকাতৰ অঞ্চলত অবৈধ পাৰ্কিঙৰ বাবে জীৱ-জন্তুৰ অহা-যোৱাত যাতে কোনো অসুবিধাৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি কঠোৰ পদক্ষেপ কলিয়াবৰ সমজিলা প্ৰশাসনৰ। এই সন্দৰ্ভত কলিয়াবৰ সমজিলাৰ আয়ুক্ত ৰাজ বৰুৱাই কয়, "কলিয়াবৰ সমজিলাৰ অন্তৰ্গত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলৰ দক্ষিণ দিশেৰে যোৱা ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা কেইমাহমানৰ পৰা বলবৎ হৈ থকা ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা অনুসৰি অবৈধ পাৰ্কিং বন্ধ কৰা হৈছে। তথাপি বিধি উলংঘা কৰি যান-বাহন ৰখোৱাৰ বিৰুদ্ধে এই অভিযান চলোৱা হৈছে। এই অভিযানত সমজিলা আৰক্ষী বিষয়া, কলিয়াবৰ চক্ৰ বিষয়া মিলি ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হোৱা জীৱ-জন্তুৰ সুৰক্ষা নিশ্চিত কৰা হৈছে। অবৈধভাৱে পাৰ্কিং কৰা ট্ৰাকসমূহ সতৰ্ক হোৱা দেখা গৈছে।" তেওঁ লগতে কয়, "যিহেতু অঞ্চলটো পৰ্যটনৰ দিশেৰেও গুৰুত্বপূৰ্ণ, সেয়ে অনাগত দিনত এনে অভিযান চলি থাকিব। লগতে অবৈধ পাৰ্কিঙৰ বাবে বহু সময়ত দুৰ্ঘটনা সংঘটিত হৈ আহিছে, যাৰ বাবে কঠোৰ হৈছে প্ৰশাসন।"

## ব্ৰহ্মপুত্ৰ চাপৰিত বন্যহস্তী

লোকক মৃত্যু আৰু চিৰঘূনীয়া পৰ্যন্ত কৰে। নিৰাপদ স্থান হিচাপে হাতীৰ জাকটোৱে জিলা খনত দিনে নিশাই ঘূৰি ফুৰে। বছৰৰ বাৰ মাহেই নদীদ্বীপটোত সময়ে সময়ে মুক্ত মনে ঘূৰি ফুৰা বন্যহস্তী পালটোৰ বতৰা পোৱাৰ লগে লগে অঞ্চলত বাসী ৰাইজৰ নিদ্ৰাহৰণ হয়। ভীতিগ্ৰস্ত ৰাইজে লাইট জ্বলাই ; ফটকা আটচবাজী আদি ফুটাই জাকটোক আঁতৰাই পঠাবলৈ চেষ্টা কৰিয়ো বিফল হয়। বন বিভাগৰ বিষয়া কৰ্মচাৰীয়ে দিনে নিশাই পহৰা দি হাতীৰ জাকটোক নিৰাপদ স্থানলৈ পঠাবলৈ চেষ্টা কৰি থাকে যদিও কেতিয়াবা কেতিয়াবা বিফল হ'ব লগা হয়। যাৰ ফলত জাকটোৱে ব্ৰহ্মপুত্ৰৰ দাঁতি কাষৰীয়া গাঁও অঞ্চলত সোমাই ৰাইজৰ খেতি পথাৰত বিস্তৰ ক্ষতি কৰে। উজনি দিশৰ পৰা হাতীশাল; জাঁজীমুখ আদি অঞ্চল হৈ জাকটোৱে কোৱাল সোঁত অতিক্ৰম কৰি বৰ নৈ পাৰ হৈ নদীৰ দাঁতি কাষৰীয়া গাঁও অঞ্চলত সোমাই ৰাইজৰ খেতি পথাৰৰ বিস্তৰ ক্ষতি কৰাৰ বাতৰি সঘনাই সংবাদপত্ৰত প্ৰকাশ পাই আহিছে। শেহতীয়াকৈ প্ৰায় ডেৰ শৰোধিক এটি বৃহ বন্যহস্তীৰ পাল যোৱা ২৮ জুনৰ দিনৰ ভাগতে বৰ- নৈ ব্ৰহ্মপুত্ৰৰ গাতে লাগি থকা টিকিৰাই নামৰ ব্ৰহ্মপুত্ৰৰ মাজৰ চাপৰিত অৰ্তকিতে প্ৰৱেশ কৰি তাত থকা দক্ষিণপাট কুমাৰ গাঁৱৰ গো পালকৰ প্ৰায় সত্তৰ টাৰোধিক পৰিয়ালৰ খুটি সহ আন আন ঘৰ সমূহ ভাঙি চুৰমাৰ কৰে। যাৰ ফলত পৰিয়াল সমূহৰ বিস্তৰ ক্ষতি হয়। উল্লেখ থাকিল যে ; আজি দীৰ্ঘ কাল ধৰি দক্ষিণপাট কুমাৰ গাঁৱৰ বহু পৰিয়াল টিকিৰাই নামৰ চৰ চাপৰিত গো-পালন কৰি উপাৰ্জন কৰা অৰ্থৰে পৰিয়াল পোহপালন দি আহিছে। যোৱা ২৮ জুনত হঠাৎ বন্যহস্তীৰ পালে কৰা ক্ষতিৰ বাবে আজিয়ো গোসকলে জিলাৰ বাহিৰে ভিতৰে গাখীৰ যোগান দিব পৰা নাই। এই বাতৰি পৰলৈ হাতীৰ জাকটো টিকিৰাই চাপৰিৰ পৰা উত্তৰ দিশে ওলাই আহি দক্ষিণপাট দিশৰ চাপৰিত প্ৰৱেশ কৰে। জিলা বন বিভাগে জাকটোক নিৰাপদ দিশে পঠাবৰ বাবে দিনি নিশাই পহৰা দি আছে।

## অশান্ত মণিপুৰ ! দুৰ্বৃত্তৰ

ভিতৰত এগৰাকী ৬০ বছৰীয়া বৃদ্ধাও আছে। জানিব পৰা মতে, ভুক্তভোগী কেইজন গাড়ীৰে গৈ থকা অৱস্থাত আগৰ পৰাই বৈ থকা বন্দুকধাৰী দুৰ্বৃত্তই তেওঁলোকক হত্যা কৰে। এই ঘটনাৰ ফলত আটাইকেইজনৰ থিতাতে মৃত্যু হয়। আৰক্ষীয়ে জনোৱা অনুসৰি, ঘটনা সংঘটিত হোৱা গাঁওখন চুৰাচান্দপুৰ চহৰৰ পৰা প্ৰায় সাত কিলোমিটাৰ আঁতৰত অৱস্থিত। চুৰাচান্দপুৰ জিলা সদৰৰ এজন বিষয়াই জনোৱা মতে, চাৰিওজন লোকক ওচৰৰ পৰা গুলীয়াই হত্যা কৰা যেন অনুমান হয়। মৃত কেইজনৰ পৰিচয় এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। তেওঁলোকৰ চিনাক্তকৰণৰ কাম চলি আছে। আৰক্ষীয়ে জানিবলৈ চেষ্টা কৰিছে যে মৃত লোকসকল কোন আছিল, ক'ৰ পৰা আহিছিল, কলৈ গৈছিল। বৰ্তমান সময়লৈকে এই ঘটনাৰ দায়িত্ব কোনো সংগঠনে গ্ৰহণ কৰা নাই। ঘটনাৰ পাছত সমগ্ৰ অঞ্চলটোত তীব্ৰ আতংকৰ সৃষ্টি হৈছে। ঘটনাৰ বিষয়ে অৱগত হোৱাৰ লগে লগে আৰক্ষী আৰু নিৰাপত্তাৰক্ষী উক্তস্থানত উপস্থিত হৈ মৃতদেহসমূহ উদ্ধাৰ কৰে। তদন্তৰ সময়ত সেই স্থানৰ পৰা উদ্ধাৰ কৰা হৈছে ১২টাতকৈও অধিক খালী কাৰ্টিজ। নিৰাপত্তা বাহিনীয়ে তালাচী অভিযান চলাইছে অঞ্চলটোত। উল্লেখ্য যে, ২০২৩ চনত মণিপুৰত আৰম্ভ হৈছিল গোষ্ঠীগত সংঘৰ্ষ। তেতিয়াৰ পৰা এই সংঘৰ্ষ বৰ্তমান পৰ্যন্ত চলি আছে। মেইটেই আৰু কুকি জনগোষ্ঠীৰ মাজত হোৱা এই সংঘৰ্ষত বহু লোকৰ মৃত্যু হোৱাৰ লগতে বহু আহত হৈছে। তাৰ মাজতে কিছুমাহ পূৰ্বে ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন জাৰি কৰা হৈছিল। কিন্তু তাৰ পাছতো ৰাজ্যখনৰ পৰা বিভিন্ন সময়ত বহু হিংসাত্মক ঘটনা পোহৰলৈ আহিছে। পূৰ্বতকৈ পৰিস্থিতি কিছু শাম কাটিছে যদিও এই আক্ৰমণে ৰাজ্যৰ পৰিস্থিতি আৰু বেয়া কৰি তুলিব পাৰে। এই আক্ৰমণৰ পিছত প্ৰশাসনে ৰাইজক শান্তি বজাই ৰাখিবলৈ আৰু উৰাবাতৰিৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে। বৰ্তমান আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ওচৰৰ চিচিটিভি ফুটেজ স্কেন কৰি আক্ৰমণকাৰীক চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে ওচৰ চুবুৰীয়াৰ সৈতে কথা পাতি ঘটনাৰ সবিশেষ জনাৰ চেষ্টা কৰিছে। এই সমগ্ৰ ঘটনা সন্দৰ্ভত বৰ্তমান আৰক্ষীয়ে তদন্ত কৰি আছে। গতিকে তদন্তৰ অন্তত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## জাগুনত বনৰক্ষী-চোৰাং

উদ্দেশ্যে বাহৰ পাতি আছিল। বন বিভাগৰ দলটোৱে উক্ত ঠাইত কোনোবাই অৱস্থান কৰাৰ উমান পোৱাৰ লগে লগে সতৰ্ক হয় যদিও চোৰাং চিকাৰীৰ দলটোৱে বন বিভাগৰ দলটোৰ উপস্থিতি গম পাই দলটোক লক্ষ্য কৰি গুলি বৰ্ষণ কৰিবলৈ আৰম্ভ কৰে। প্ৰত্যুত্তৰত বন বিভাগৰ দলটোৱেও গুলিবৰ্ষণ কৰে। ইয়াৰ মাজতেই তিনিজনীয়া চোৰাং চিকাৰীৰ দলটোৰ দুজন পলাই যাবলৈ সক্ষম হয় যদিও আনজনক আটক কৰিবলৈ সক্ষম হয় বন বিভাগৰ দলটো। আটকাধিন লোকজন অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ বৰডুমচা আৰক্ষী থানাৰ অন্তৰ্গত বিজয়পুৰ গাঁৱৰ নাজুকে চাকমা বুলি জানিব পৰা গৈছে। আটকাধিন লোকজনৰ পৰা দহ (১০) জাই সজীৱ গুলি আৰু আপত্তি জনক সামগ্ৰী উদ্ধাৰ কৰিছে বন বিভাগে। বৰ্তমান লোকজনক জাগুন বন বিভাগৰ জিম্মাত ৰখা হৈছে আৰু অহা কালি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ যে অসমৰ বনাঞ্চল সমূহত অৰুণাচলৰ একাংশ চোৰাং চিকাৰীয়ে বন্যপ্ৰাণী হত্যা কৰি অহাৰ অভিযোগ উত্থাপন হৈ আহিছে। এইক্ষেত্ৰত বনবিভাগক অধিক কঠোৰ হ'বলৈ আহ্বান জনাইছে বন্যপ্ৰেমী সকলে। আটকাধীন ধৃত ব্যক্তিজনৰ পৰা বনবিভাগে চোৰাং চিকাৰী নে'ছৰ অধিক তথ্য লাভ কৰিবলৈ সক্ষম হ'ব বুলি ধাৰণা কৰা হৈছে।

## জাগুন কথা কাষৰনীত

নামৰ ব্যক্তিজনৰ বাৰীত পুৱা ৬: ০০ মান বজাত বোৱাৰীয়েকে ছাগলী বান্ধিবলৈ গৈ হাতীটো পৰি থকা প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতেই খবৰটো গাঁৱত বিয়পি পৰাত ঘটনা স্থলীত স্থানীয় ৰাইজ উপস্থিত হৈ বন বিভাগক বিষয়টো সন্দৰ্ভত অৱগত কৰে। অৱশ্যে কোন সময়ত হাতীটোৰ মৃত্যু হয় সেই কথা নিশ্চিত নহয় যদিও ৰাতিৰ ভাগত হাতীটোৰ মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। কিয়নো নিশা উক্ত অঞ্চলটোত গাঁওবাসীয়ে বন্য হস্তীৰ এটা জাকে বিচৰণ কৰাৰ উমান পোৱাৰ উপৰিও বন্যহস্তীৰ জাকটোৱে বহু চিএঞৰ বাখৰ কৰাও শুনিছিল যদিও বন্যহস্তীৰ বিচৰণস্থলী হোৱাৰ বাবে নিত্য নৈমিত্তিক ঘটনাৰ দৰে গাঁৱৰ ৰাইজে বিশেষ গুৰুত্ব দিয়া নাছিল। হাতীৰ জাকটোৱে কিছু চিএঞৰ বাখৰ কৰাৰ অন্তত পৰিৱেশ শান্ত হৈ পৰে। হাতীটোৰ গাত থকা এটা ফোঁহা ফাটি পূঁজ ওলাই থকাৰ প্ৰতি লক্ষ্য ৰাখি দীৰ্ঘদিনীয়া অসুখজনিত কাৰণতেই হাতীটো মৃত্যু মুখত পৰা বুলি সন্দেহ কৰা হৈছে। পৰৱৰ্তী সময়ত জাগুন বন বিষয়া প্ৰমোদ ফুকনৰ নেতৃত্বত অহা এটা বন কৰ্মীৰ দল তথা পশু চিকিৎসা বিষয়া ড° দিবাকৰ শৰ্মা ঘটনা স্থলীত উপস্থিত হৈ বিভাগীয়ভাৱে হাতীটোৰ মৃত্যুৰ প্ৰকৃত কাৰণ উদঘাটন কৰি স্বাভাৱিক মৃত্যু হোৱা বুলি জানিবলৈ দিয়ে আৰু মৃত হাতীটো গাত খান্দি সংকাৰ কৰে।

## নুমলীগড়ত দেশৰ প্ৰথমটো

শুভ উদ্বোধন কৰিব। তেওঁ কয়, "এই উদ্যোগৰ সফলতাই আগন্তুক দিনত এনেধৰণৰ আৰু অধিক উদ্যোগ অসমত স্থাপনত উৎসাহ প্ৰদান কৰিব।" ইয়াৰ লগতে প্ৰকল্পটো উদ্বোধনৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ সফল কৰি তোলাৰ বাবে সোমবাৰে নুমলীগড়ত মন্ত্ৰী, সাংসদ, বিধায়ক আৰু উচ্চপদস্থ বিষয়াসকলৰ সৈতে এক বিশেষ আলোচনাত মিলিত হোৱাৰ কথাও জানিবলৈ দিছে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী শৰ্মাই নুমলীগড় শোধনাগাৰ পৰিসৰত উপস্থিত হৈ নুমলীগড় শোধনাগাৰত কৰ্মৰত আবাসীসকলৰ বাবে ধনশিৰী নগৰ নামৰ নৱনিৰ্মিত টাউনশ্বিপৰ শুভ উদ্বোধন কৰে। লগতে শোধনাগাৰ কৰ্তৃপক্ষৰ সৈতেও পৰ্যালোচনা বৈঠকত মিলিত হয় মুখ্যমন্ত্ৰী। উল্লেখ্য যে, ভাৰত ৰত্ন ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানত অংশ ল'বলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে ৮ ছেপ্টেম্বৰত অসমত উপস্থিত হোৱাৰ কথা পূৰ্বে জানিবলৈ দিছিল মুখ্যমন্ত্ৰী শৰ্মাই। সোমবাৰে নুমলীগড় শোধনাগাৰ লিমিটেডৰ স্থান পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় মুখ্যমন্ত্ৰী শৰ্মাই আৰু বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। আছাম বায়'ইথানল প্ৰাইভেট লিমিটেড (এবিইপিএল) হৈছে বাঁহৰ পৰা ইথানল উৎপাদন কৰা প্ৰথমটো বায়'-ৰিফাইনেৰী। এই প্ৰকল্পৰ সৈতে জড়িত হৈ আছে এনআৰএল আৰু ফিনলেণ্ডৰ দুটা কোম্পানী -ফৰ্টাম আৰু কেম্পলিছ অয়। আনুমাণিক ৪ হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা এই জৈৱ শোধনাগাৰত ৩০০ KTPA বাঁহক ফিডষ্টক হিচাপে ব্যৱহাৰ কৰি ৪৯ KTPA ইথানল উৎপাদন ক্ষমতা থাকিব বুলি জানিব পৰা গৈছে। বায়'-ৰিফাইনেৰী প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "কোভিড মহামাৰীৰ বাবে দুটা বছৰ পিছুৱাই গ'ল আৰু তাৰ পাছত ভাৰত চৰকাৰে অনুমোদন দিলে। নুমলীগড়ত প্ৰায় ৩০ হাজাৰ কোটি টকাৰ কাম আৰম্ভ হৈ গ'ল। প্ৰথমতে বায়'-ৰিফাইনেৰী আছিল। তাৰ পাছত সম্প্ৰসাৰণ হ'ল, তাৰ পিছত আকৌ পেট্ৰোকেমিকেল। এই বায়'-ৰিফাইনেৰীয়ে অসমত এখন ডাঙৰ বাঁহৰ বজাৰ গঢ়ি তুলিব। নুমলীগড়ৰে ৫০টা অঞ্চলত বাঁহৰ চিপছ প্ৰস্তুত কৰা উদ্যোগ স্থাপন কৰিব। গাঁৱৰ ৰাইজে বাঁহ বিক্ৰী কৰিব আৰু চিপছ প্ৰস্তুত কৰি ইয়ালৈ লৈ আনিব। ইয়াৰ দ্বাৰা অসমৰ বাঁহৰ খেতিয়কসকলক বহু সহায় কৰিব। পূৰ্বতে অসমত বাঁহৰ মূল্য থাকিব বুলি কোনেও ভবা নাছিল। কিন্তু এতিয়া নতুনকৈ সেউজীয়া সোণ হৈ আহিব।"

# ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৩০ জুন ঃ** শতবৰ্ষ গৰকা তিনিচুকীয়া জিলাৰ ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত আজি এক অভিনন্দন জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ বৈকুণ্ঠ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ আঁত ধৰে বিদ্যুৎ বিকাশ শইকীয়াই। উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দিপুল সোণোৱালে। সভাত বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক তথা সুসাহিত্যিক তথা 'অসম বাৰ্তা' কাকতৰ মুখ্য সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকন, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হিৰণ্য দাসকে ধৰি কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে উদগনিমূলক ভাষণ দিয়ে। বিদ্যালয়খনৰ পৰা ২০২৫ বৰ্ষৰ হাইস্কুল উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২১ গৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতি ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্দ্ধনা জনোৱা হয়। লগতে বিদ্যালয়খনৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্ব্বোচ্চ নম্বৰপ্ৰাপ্ত দুগৰাকী ছাত্ৰ-ছাত্ৰীক বকুলমল্ল বড়াই তেখেতৰ পিতৃৰ সোঁৱৰণত আগবঢ়োৱা নগদ ধনৰ বটাঁ এই সভাতেই প্ৰদান কৰে। এইবাৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত জানমণি হাজৰিকা আৰু উচ্চতৰ মাধ্যমিকত হিমাক্ষী শইকীয়াই এই বটাঁ লাভ কৰিবলৈ সক্ষম হয়। তদুপৰি বিজ্ঞান প্ৰকল্প প্ৰস্তুতেৰে ৰাজ্যিক পৰ্যায়ত সুনাম কঢ়িয়াবলৈ সক্ষম হোৱা ৰিনাক্ষী বৰশইকীয়াই আৰু আশীৰিত কাৰাকো এই সভাতেই সম্বৰ্দ্ধনা জনোৱা হ'য়। তদুপৰি সভাত জ্যোতিস্মান সোণোৱালক জে ই ই মেইন (ৰাষ্ট্ৰীয় পৰ্যায়) পৰীক্ষাত, হিৰণ্য শইকীয়া আৰু অসীম মৰাণক চি ই ই (ৰাজ্যিক পৰ্যায়) পৰীক্ষাৰ ফলাফলত দেখুওৱা ভাল প্ৰদৰ্শনৰ বাবে বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হ'য়। সম্বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা হিমাক্ষী শইকীয়া আৰু জানমণি হাজৰিকাই মনৰ ভাৱ প্ৰকাশ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি দুআষাৰ কয়।

## বান সাহায্যত দুৰ্নীতি ! মাত মতাৰ অপৰাধত আটক কংগ্ৰেছ কৰ্মীক

**অসম বাৰ্তা, লখিমপুৰ, ২৯ জুন ঃ** লখিমপুৰ জিলাৰ কদম গজিশলা মিচিং গাঁৱত বানাক্ৰান্ত লোকক প্ৰদান কৰা সাহায্যৰ নামত দুৰ্নীতিৰ অভিযোগ তোলাৰ অপৰাধত ২৮ জুনৰ নিশা ১০-৩০ বজাত বগীনদী আৰক্ষীৰ এটা দলে কদম গজিশলা মিচিং গাঁৱৰ ধৰ্মেন্দ্ৰ নৰহ নামৰ এজন লোকক আটক কৰি থানালৈ অনা কাৰ্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যোৱা ২৫ জুনত প্ৰদান কৰা বান সাহায্য প্ৰদানৰ নামত ব্যাপক দুৰ্নীতি, অনিয়ম সংঘটিত হোৱাৰ অভিযোগ আনি সংবাদ মাধ্যমৰ সহায় লৈছিল ধৰ্মেন্দ্ৰ নৰহে। সামাজিক মাধ্যমৰ চৰ্চিত ভিডিঅ' অনুসৰি লখিমপুৰ জিলাৰ কদম গজিশলাত বান সাহায্য প্ৰদানৰ নামত ব্যাপক দুৰ্নীতি হয়। ১৯৫ ঘৰ বানাক্ৰান্তৰ বিপৰীতে বান সাহায্য বিতৰণ কৰিলে মাত্ৰ ১৫০ ঘৰ লোকক। পৰিমাণতকৈ যথেষ্ট কমকৈ বান সাহায্য বিতৰণ কৰি বানাক্ৰান্ত ৰাইজলৈ অহা সাহায্য কৰা হৈছিল লুণ্ঠন। মাধৱ দলে নামৰ লোকজনৰ নেতৃত্বত কদম গজিশলা মিচিং গাঁৱত প্ৰদান কৰা হৈছিল প্ৰশাসনৰ পৰা প্ৰদান কৰা বান সাহায্য। ৰাইজলৈ অহা বান সাহায্য সঠিকভাৱে বিতৰণ নকৰি বিশ্ব কামান নামৰ এজনৰ গৃহত ৬ বেগ চাউল, আঢ়ৈ বেগ দাইল আৰু এক কাৰ্টন মিঠাতেল হস্তগত কৰি ৰাখি থৈ দিয়াৰ অভিযোগ উত্থাপিত হৈছিল। অনুৰূপ ঘটনা সংঘটিত হৈছিল কদম টেঙাবস্তি অংশতো। ৰাইজলৈ অহা বান সাহায্য সঠিকভাৱে বিতৰণ নকৰাৰ অভিযোগ উত্থাপিত হৈছিল। টেঙাবস্তিত তীৰ্থ গগৈ নামৰ লোকজনৰ বাসগৃহত বান সাহায্য বিতৰণ কৰাৰ নামতো অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছিল। চৰকাৰী তথ্য মতে ২২৫ ঘৰ লোকলৈ আৱন্তন হৈছিল ২০৪০ কেজি চাউল, ৩৭৫ কেজি দালি, মিঠাতেল ১১২.৫ লিটাৰৰ লগতে ১১২.৫ কেজি নিমখ। ইয়াৰে ৪, ৫, ৬, কেজিকৈ চাউল, প্ৰায় তিনি পোৱাকৈ দালি আৰু ২শ গ্ৰাম কৈ মিঠাতেল আৰু ২ শ গ্ৰাম নিমখ আৰু ৫ টকীয়া এটাকৈ বিস্কুটৰ পেকেট প্ৰতি ঘৰ বানাক্ৰান্ত পৰিয়ালৰ মাজত বিতৰণ কৰা হৈছিল। এই অনিয়মৰ সম্পৰ্কে ভিডিঅ' কৰি সংবাদ মাধ্যমক দিয়াৰ বাবেই কালি ধৰ্মেন্দ্ৰ নৰহৰ বিৰুদ্ধে মানহানিৰ গোচৰ দাখিল কৰিছিল।

সংবাদ মাধ্যমলৈ বিবৃতি প্ৰেৰণ

## ভূমি দখলৰ কথা অস্বীকাৰ লখিমপুৰৰ ব্যৱসায়ীৰ

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ২৯ জুন ঃ** পংকজ চাহু নামৰ ব্যৱসায়ী পিতা-পুত্ৰই সৰস্বতী মুণ্ডা আৰু তেওঁৰ পৰিয়ালৰ ভূমি বেদখল কৰাৰ অভিযোগ সম্পৰ্কে বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অস্বীকাৰ কৰিছে ৰাজেন চাহু আৰু পংকজ চাহুৱে। এক বিবৃতিত ৰাজেন চাহু আৰু পংকজ চাহুৱে কয় যে তেওঁলোকৰ সৰলতাৰ সুযোগ লৈ চৰকাৰী কতৃৰ্পক্ষক বিপথে পৰিচালিত কৰি সৰস্বতী মুণ্ডা আৰু তেওঁৰ পৰিয়ালে মাটিখিনি তেওঁলোকৰ নামত নামজাৰি কৰিছে। এই কথা স্পষ্ট যে ৰাজেন চাহু আৰু তেওঁৰ তিনি ভাতৃক সৰস্বতী মুণ্ডা আৰু তেওঁৰ পৰিয়ালৰ পিতৃ জগন্নাথ মুণ্ডাই চৰকাৰী পঞ্জীয়নভুক্ত বিক্ৰী দলিলত নকাড়ী মৌজাৰ চুকুলীভৰীয়াত থকা ডেৰ বিঘা ভূমি (দাগ নং- ২৫৮, পট্টা নং- ৩৫৬) সৰস্বতী মুণ্ডাৰ পৰিয়ালৰ সদস্য গুনিয়ত মুণ্ডা, পিতা- ৰিঙু মুণ্ডাই এই মাটিখিনি আইনগত ভাৱে বিক্ৰী কৰিছিল। ১৯৮২ চনৰ ২২ এপ্ৰিলত ক্ৰয় কৰা এই ভূমি ৰাজেন চাহুৰ পৰিয়ালবৰ্গই তেতিয়াৰে পৰা প্ৰায় ৪০ বছৰ দিন এই পৰ্যন্ত ভোগ দখল কৰি অহাৰ লগতে মালিকীস্বত্বৰ দখল বৰ্তাই খেতি কৰি আহিছে। ফলত ৰাজেন চাহু আৰু পংকজ চাহুৰ বিৰুদ্ধে সৰস্বতী মুণ্ডাৰ পৰিয়ালবৰ্গই যি ভূমি বে-দখলৰ অভিযোগ উত্থাপন কৰিছে সেয়া সত্য নহয়। আনহাতে, তেওঁলোকক বহিৰাগত বুলি উল্লেখ কৰাটো তেওঁলোকৰ দীৰ্ঘদিনীয়া অসমীয়া সংস্কৃতি আৰু সামাজিক সহাৱস্থানৰ অপমান কৰা হৈছে। আনহাতে, ভূমি বেদখলৰ সন্দৰ্ভত ৰাজেন চাহু আৰু পংকজ চাহুৱে সৰস্বতী মুণ্ডাৰ পৰিয়ালক মৃত্যু আৰু ভয় ভাবুকিৰ ভাবুকি সম্পূৰ্ণ তথ্যহীন আৰু প্ৰৰোচনামূলক বুলি ব্যক্তি কৰে। এই অভিযোগ উত্থাপিত কৰা সকলৰ বিৰুদ্ধে ইতিমধ্যে আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে পংকজ চাহুৱে।

## ছাত্ৰ জীৱনৰ পৰা ৰাজ্যিক নেতৃত্বলৈ

# দিলীপ শইকীয়া ডাঙৰীয়াৰ এক প্ৰেৰণাদায়ক যাত্ৰা

**ভবেন্দ্ৰ দাস**

*২০২৫ চনত দিলীপ শইকীয়া ডাঙৰীয়াক বিজেপি অসম প্ৰদেশৰ সভাপতি হিচাপে নিযুক্তি দিয়া হৈছিল। তেওঁৰ উন্নীতকৰণে তেওঁৰ কৌশলগত দৃষ্টিভংগী আৰু সৰ্বাংগীণ দৃষ্টিভংগীৰ ওপৰত দলৰ কেন্দ্ৰীয় নেতৃত্বই যি আস্থা ৰাখিছিল সেই কথা প্ৰতিফলিত কৰিছিল।*



১. পৰিচয়- উদ্দেশ্যৰ দ্বাৰা গঠিত জীৱন

অসম আৰু ভাৰতৰ বৈচিত্ৰ্যময় আৰু গতিশীল ৰাজনৈতিক পৰিৱেশত শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াৰ দৰে প্ৰেৰণাদায়ক আৰু নীতিগত যাত্ৰা অতি কমেই আছে। ছাত্ৰ সক্ৰিয়তাৰ আদৰ্শবাদী দিনৰ পৰা সংসদ সদস্য হিচাপে উন্নীত হোৱালৈকে আৰু এতিয়া ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি হিচাপে তেওঁৰ পথত মতাদৰ্শৰ প্ৰতি অদম্য দায়বদ্ধতা, নেতৃত্বৰ প্ৰতি নম্ৰতা, আৰু সৰ্বাংগীণ উন্নয়নৰ প্ৰতি আকৰ্ষণ প্ৰতিফলিত হৈছে।

১৯৭৩ চনৰ ১ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা দিলীপ শইকীয়া ডাঙৰীয়াৰ অনুশাসন আৰু সেৱাৰ জৰিয়তে- তৃণমূল পৰ্যায়ৰ এবিভিপি নেতাৰ পৰা সংসদৰ সদস্য, বিজেপিৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক আৰু লোকসভাৰ পেনেল সদস্যলৈ উন্নীত হৈছে, যিটো স্বীকৃতি সংসদত বিশিষ্ট আচৰণৰ মাত্ৰ নিৰ্বাচিত কেইজনমানকহে প্ৰদান কৰা হয়।

এই লেখাটোত তেওঁৰ ৰাজহুৱা জীৱনৰ প্ৰেৰণাদায়ক চাপ-ৰাইজৰ বাবে জীয়াই থকা, মূল্যবোধৰ দ্বাৰা পৰিচালিত, আৰু অসমৰ মাটিত ভিত্তি কৰি জীয়াই থকা জীৱনটো বন্দী কৰা হৈছে।

২. প্ৰাথমিক জীৱন আৰু গঠনমূলক বছৰ:

অসমৰ সামান্য পাৰিবাৰিক পটভূমিৰ পৰা অহা দিলীপ শইকীয়া ডাঙৰীয়া গভীৰ সাংস্কৃতিক শিপা আৰু শক্তিশালী নৈতিক মূল্যবোধেৰে ডাঙৰ-দীঘল হৈছিল। ছাত্ৰ হিচাপেও তেওঁ নেতৃত্বৰ গুণ, অনুশাসন আৰু আৱেগিক বুদ্ধিমত্তাৰ বাবে পৰিচিত আছিল। কলেজীয়া দিনতেই ভাগ্যই মাতিছিল যেতিয়া তেওঁ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ (ABVP)ৰ সংস্পৰ্শলৈ আহিছিল।

এবিভিপিৰ সাংস্কৃতিক জাতীয়তাবাদ, শৈক্ষিক উত্থান, জাতি গঠনত যুৱক-যুৱতীৰ অংশগ্ৰহণৰ দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হৈ শইকীয়া ডাঙৰীয়া আন্দোলনত সম্পূৰ্ণ হৃদয়েৰে নিজকে বিলীন কৰি লয়। তেওঁৰ অদম্য নিষ্ঠাৰ বাবে অতি সোনকালেই তেওঁ এবিভিপি অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক আৰু পিছলৈ ৰাজ্যিক সাংগঠনিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সক্ষম হয়। এই সময়ছোৱাত তেওঁ ছাত্ৰ আন্দোলনসমূহক শক্তিশালী কৰি তোলা, শৈক্ষিক বিতৰ্ক আৰম্ভ কৰা, সমগ্ৰ অসমৰ যুৱক-যুৱতীসকলক প্ৰভাৱিত কৰা জটিল বিষয়সমূহৰ সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

৩. নেতৃত্বৰ বাবে এবিভিপি-প্ৰশিক্ষণ ক্ষেত্ৰত উত্থান:

এবিভিপিৰ নেতা হিচাপে দিলীপ শইকীয়া ডাঙৰীয়া কাম আছিল ব্যাপক আৰু প্ৰভাৱশালী:

(ক) ছাত্ৰ কল্যাণমূলক আন্দোলন।

(খ)হোষ্টেল, বৃত্তি আৰু কলেজৰ আন্তঃগাঁথনি অভিযান।

(গ) জাতীয়তাবাদ, পৰিৱেশ সজাগতা, আৰু নাগৰিক কৰ্তব্যৰ ওপৰত আলোচনা চক্ৰ।

(ঘ) জাতি, জনজাতি, আৰু জাতিগত ৰেখাৰ মাজেৰে শান্তি নিৰ্মাণ।

*১৯৭৩ চনৰ ১ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা দিলীপ শইকীয়া ডাঙৰীয়াৰ অনুশাসন আৰু সেৱাৰ জৰিয়তে- তৃণমূল পৰ্যায়ৰ এবিভিপি নেতাৰ পৰা সংসদৰ সদস্য, বিজেপিৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক আৰু লোকসভাৰ পেনেল সদস্যলৈ উন্নীত হৈছে, যিটো স্বীকৃতি সংসদত বিশিষ্ট আচৰণৰ মাত্ৰ নিৰ্বাচিত কেইজনমানকহে প্ৰদান কৰা হয়।*

ছাত্ৰাবাসত সন্মুখৰ পৰাই কটোৱা নিশাৰ পৰা নেতৃত্ব দিয়া, দূৰৱৰ্তী চহৰবোৰত চাইকেল ৰেলীৰ নেতৃত্ব দিয়া আৰু অগণন ছাত্ৰ-ছাত্ৰীক নিজৰ অভ্যন্তৰীণ সম্ভাৱনা আৱিষ্কাৰ কৰিবলৈ শক্তিশালী কৰা এজন নেতা হিচাপে তেওঁ পৰিচিত হৈ পৰিছিল। তেওঁৰ মতাদৰ্শৰ স্পষ্টতা আৰু শান্ত অথচ আত্মবিশ্বাসী নেতৃত্বই সমগ্ৰ অঞ্চলটোৰ যুৱ কৰ্মীসকলৰ বাবে এক আৰ্হি হৈ পৰিছিল।

৪. বিজেপিলৈ পৰিৱৰ্তন:

স্বাভাৱিকতে ছাত্ৰ সক্ৰিয়তাৰ পৰা দলীয় ৰাজনীতিলৈ পৰিৱৰ্তিত হৈ দিলীপ শইকীয়া ডাঙৰীয়াই ভাৰতীয় জনতা পাৰ্টিৰ ভিতৰত সাংগঠনিক ভূমিকা গ্ৰহণ কৰে। তৃণমূল পৰ্যায়ৰ গতিশীলতাৰ বিষয়ে তেওঁৰ গভীৰ বুজাবুজিয়ে তেওঁক জিলা আৰু ৰাজ্যিক পৰ্যায়ত এক অমূল্য সম্পদ কৰি তুলিছিল।

তেওঁ এইদৰে কাম কৰিছিল:

(ক) জিলা আৰু মণ্ডল পৰ্যায়ৰ কৌশলবিদ।

(খ) যুৱ আৰু বুথ সমন্বয়ক।

(গ) চাহ জনজাতি আৰু জনজাতীয় আউটৰিচ আয়োজক।

(ঘ) ৰাজ্য আৰু লোকসভা নিৰ্বাচনৰ সময়ত প্ৰচাৰ পৰিকল্পনাকাৰী।

তেওঁ ভ্ৰমণ কৰা গাঁওবোৰৰ ওচৰতে থাকি চৌপাল শৈলীৰ সভা পাতিছিল। জনজাতীয়, চাহ বাগিচা, অনুসূচিত জাতি, অ'বিচি, সংখ্যালঘু সম্প্ৰদায়ৰ সৈতে আস্থা গঢ়ি তুলিছিল।

৫. ৰাষ্ট্ৰীয় নেতৃত্ব বিজেপিৰ সাধাৰণ সম্পাদক:

তেওঁৰ এই প্ৰদৰ্শনে তেওঁক বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক পদত উন্নীত কৰে, যিটো দলৰ ভিতৰত অন্যতম সন্মানীয় আৰু দাবীদাৰ ভূমিকা। এই পৰ্যায়ত দিলীপ শইকীয়া ডাঙৰীয়াই কেন্দ্ৰীয় নেতৃত্বৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি সমগ্ৰ ভাৰতত প্ৰচাৰ অভিযানৰ ডিজাইন, ৰাজ্যিক গোট পৰিচালনা আৰু নিৰ্বাচনৰ নিষ্পাদন নিৰীক্ষণ কৰিছিল।

তেওঁ উত্তৰ-পূৰ্বাঞ্চলৰ কণ্ঠ কঢ়িয়াই দিল্লীলৈ লৈ যায় আৰু অসমৰ সীমান্তৰ আন্তঃগাঁথনি, বান নিয়ন্ত্ৰণ, জনগোষ্ঠীয় সম্প্ৰীতি, খিলঞ্জীয়াৰ অধিকাৰৰ দৰে অনন্য চিন্তাক ৰাষ্ট্ৰীয় নীতিৰ মানচিত্ৰত দৃঢ়তাৰে স্থান দিয়াটো নিশ্চিত কৰে।

৬. ২০১৯ৰ লোকসভা নিৰ্বাচন- উন্নয়নৰ বাবে এক আদেশ:

২০১৯ চনৰ সাধাৰণ নিৰ্বাচনত দিলীপ শইকীয়া ডাঙৰীয়া মঙলদৈ লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ নিৰ্বাচিত হৈছিল। তেওঁৰ পৰিষ্কাৰ ভাবমূৰ্তি, সাংগঠনিক পটভূমি, ব্যৱহাৰিক সমাধানৰ পৰা অনুপ্ৰাণিত হৈ ৰাইজে অতি উৎসাহেৰে সঁহাৰি জনায়।

তেওঁৰ অভিযানত গুৰুত্ব আৰোপ কৰা হৈছিল: :

(ক) গ্ৰাম্য উন্নয়ন আৰু কৃষি সুৰক্ষা।

(খ) বানপানী আৰু খহনীয়া প্ৰশমন।

(গ) পথ, দলং আৰু ৰেল সংযোগ।

(ঘ) নিয়োগ, উদ্যোগীকৰণ আৰু যুৱ দক্ষতা।

(ঙ) চাহ বাগিচাৰ শ্ৰমিক আৰু জনজাতীয় অঞ্চলৰ কল্যাণ।

নিৰ্ণায়ক ব্যৱধানত জয়লাভ কৰি সংসদ সদস্য হিচাপে নিৰ্বাচিত হৈ ৰাষ্ট্ৰীয় মঞ্চত অসমৰ অন্যতম আশাব্যঞ্জক যুৱ নেতা হিচাপে পৰিগণিত হয়।

৭. এটা উদ্দেশ্য থকা সংসদ সদস্য:

লোকসভাত দিলীপ শইকীয়া ডাঙৰীয়া এজন দায়িত্বশীল, কণ্ঠস্বৰ, সু-প্ৰস্তুত সংসদ সদস্য হিচাপে আত্মপ্ৰকাশ কৰিছিল। তেওঁৰ অৱদানৰ আন্তৰিকতা আৰু নিখুঁততাৰ বাবে দলীয় সীমাৰ সিপাৰে প্ৰশংসা কৰা হৈছে।

তেওঁৰ সংসদীয় কাৰ্যকালৰ মূল দিশসমূহ হ'ল: :

(ক) সৰ্বাধিক উপস্থিতি আৰু অংশগ্ৰহণ।

(খ) অসমৰ খহনীয়া আৰু বান সংকটৰ ওপৰত বিতৰ্ক।

(গ) ৰাষ্ট্ৰীয় শিক্ষা আৰু জনজাতীয় অধিকাৰৰ ওপৰত আইনগত তথ্য।

(ঘ) অনুসূচিত জাতি, অনুসূচিত জনজাতি, অবিচি কল্যাণমূলক আঁচনিৰ বাবে হস্তক্ষেপ।

(ঙ) স্থায়ী সমিতি আৰু বিশেষ সমিতিত নেতৃত্ব।

তেওঁৰ বিশিষ্ট অৱদান আৰু আচৰণৰ স্বীকৃতি স্বৰূপে তেওঁক লোকসভাৰ পেনেল মেম্বাৰ হিচাপে নিযুক্তি দিয়া হয়, যিটো সন্মান সংসদীয় অধিৱেশন পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা নিৰ্বাচিত জ্যেষ্ঠ সাংসদসকলক প্ৰদান কৰা হয়।

৮. সংসদীয় বঁটাৰে সন্মানিত:

তেওঁৰ প্ৰশংসাৰ লগতে দিলীপ শইকীয়া ডাঙৰীয়াৰ উৎকৃষ্টতাৰ বাবে সংসদীয় বঁটা আৰু স্বীকৃতিৰে সন্মানিত কৰা হয়:

(ক) বুদ্ধিমান আৰু সুষম বিতৰ্কত অংশগ্ৰহণ।

(খ) এমপিএলএডিএছৰ অধীনত দৃষ্টান্তমূলক সমষ্টি উন্নয়ন।

(গ) স্বচ্ছ, নৈতিক সংসদীয় পদ্ধতি।

(ঘ) ৰাজহুৱা নীতিৰ গভীৰ বুজাবুজি।

এই স্বীকৃতিয়ে তেওঁৰ উচ্চতা বৃদ্ধি কৰাই নহয় সমগ্ৰ ৰাজ্যৰ অসম আৰু বিজেপি কৰ্মকৰ্তাসকলৰ বাবেও অপৰিসীম গৌৰৱ কঢ়িয়াই আনিছিল।

৯. বিজেপি অসম প্ৰদেশৰ সভাপতি নিযুক্তি (২০২৫):

২০২৫ চনত দিলীপ শইকীয়া ডাঙৰীয়াক বিজেপি অসম প্ৰদেশৰ সভাপতি হিচাপে নিযুক্তি দিয়া হৈছিল। তেওঁৰ উন্নীতকৰণে তেওঁৰ কৌশলগত দৃষ্টিভংগী আৰু সৰ্বাংগীণ দৃষ্টিভংগীৰ ওপৰত দলৰ কেন্দ্ৰীয় নেতৃত্বই যি আস্থা ৰাখিছিল সেই কথা প্ৰতিফলিত কৰিছিল।

*২০১৯ চনৰ সাধাৰণ নিৰ্বাচনত দিলীপ শইকীয়া ডাঙৰীয়া মঙলদৈ লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ নিৰ্বাচিত হৈছিল। তেওঁৰ পৰিষ্কাৰ ভাবমূৰ্তি, সাংগঠনিক পটভূমি, ব্যৱহাৰিক সমাধানৰ পৰা অনুপ্ৰাণিত হৈ ৰাইজে অতি উৎসাহেৰে সঁহাৰি জনায়।*

দায়িত্ব লোৱাৰ পিছৰে পৰা মূল পৰিৱৰ্তন:

(ক) সংগঠনত নবীকৃত অনুশাসন আৰু সংহতি।

(খ) ডিজিটেল উদ্ভাৱন আৰু যুৱ প্ৰচাৰ।

(গ) পঞ্চায়তৰ পৰা সংসদলৈ তৃণমূল সংযোগ।

(ঘ) বুথ শক্তিশালীকৰণ আৰু স্থানীয় নেতৃত্ব বিকাশৰ ওপৰত গুৰুত্ব দিয়া।

(ঙ) ভাষিক আৰু জনজাতীয় নিয়োজিততাৰ জৰিয়তে আঞ্চলিক সম্প্ৰীতি।

১০. ৰাভা হাছং পৰিষদৰ বিজয় - এটা সংজ্ঞায়িত মাইলৰ খুঁটি:

ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত বিজেপিৰ ঐতিহাসিক বিজয়ৰ লগে লগে সভাপতি হিচাপে তেওঁৰ কাৰ্যকালৰ এটা স্পষ্ট আলোকপাত আহিল। এই জয়ে এটা পেৰাডাইম শ্বিফ্‌টৰ প্ৰতীক আছিল-

(ক) বিজেপিৰ প্ৰতি জনজাতীয় আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ ক্ৰমবৰ্ধমান আস্থা।

(খ) বিভাজনকাৰী ৰাজনীতি আৰু ভোট-বেংকৰ ছলনা প্ৰত্যাখ্যান।

(গ) বিজেপিৰ শাসনৰ অধীনত সৰ্বাংগীণ উন্নয়নত বিশ্বাস।

(ঘ) দিলীপ শইকীয়া ডাঙৰীয়াৰ নেতৃত্বক বিভিন্ন জাতি-জনগোষ্ঠীৰ দ্বাৰা গ্ৰহণ কৰা।

এই বিজয় কেৱল নিৰ্বাচনী নহয়- এয়া পুনৰ দৃঢ়তা আছিল যে জনজাতীয় আৰু পিছপৰা অঞ্চলকে ধৰি অসমৰ প্ৰতিটো শ্ৰেণীৰ বাবে বিজেপি এতিয়া আকাংক্ষাৰ দল।

১১. নম্ৰতা আৰু সেৱাত মনোভাৱেৰে বৰ্তি থকা এটা নেতৃত্ব:

বহু উচ্চ সন্মান আৰু উচ্চ পদবিৰ অধিকাৰী হয় যদিও দিলীপ শইকীয়া ডাঙৰীয়া গ্ৰাউণ্ডেড আৰু সুলভ হৈয়েই আছে। বুথ কৰ্মকৰ্তাৰ পৰা আৰম্ভ কৰি জিলা কৰ্মীলৈকে সকলোৰে তেওঁৰ সৰলতা, নম্ৰতা আৰু শুনা মনোভাৱৰ নিশ্চয়তা প্ৰদান কৰে।

(ক) কনিষ্ঠ কাৰ্যকৰ্তা তথা শ্ৰমিকৰ ফোন আৰু চিঠিৰ প্ৰতি সঁহাৰি জনোৱা সুলভতা।

(খ) স্বচ্ছতা-দুৰ্নীতি বা পক্ষপাতিত্বৰ প্ৰতি শূন্য সহনশীলতা।

(গ) অনুসূচিত জাতি, অনুসূচিত জনজাতি, অবিচি, সংখ্যালঘু, মহিলাৰ পৰা প্ৰতিনিধিত্ব নিশ্চিত কৰা অন্তৰ্ভুক্তি।

(ঘ) দলীয় কাম- নিয়ন্ত্ৰণ কেন্দ্ৰীভূত কৰাৰ পৰিৱৰ্তে যুৱ নেতাক লালন-পালন কৰা।

(ঙ) তেওঁ নেতৃত্বৰ এক নতুন যুগক প্ৰতিনিধিত্ব কৰে শান্ত, দয়ালু।

১২.. মোৰ ব্যক্তিগত প্ৰতিফলন:

অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সম্পাদক হিচাপে দিলীপ শইকীয়া ডাঙৰীয়াৰ নেতৃত্বত ঘনিষ্ঠভাৱে কাম কৰি আহিছো। মই যি দেখিছো সেয়া কেৱল প্ৰশাসন নহয়, পথপ্ৰদৰ্শন। তেওঁ আটাইতকৈ দুৰ্বল কণ্ঠক শক্তিশালী কৰা, মৰ্চাৰ কাৰ্য্যকলাপক উৎসাহিত কৰা, অনুসূচিত জাতি জনজাতি কল্যাণমূলক যাত্ৰাৰ বাবে সহযোগিতা আগবঢ়োৱা আৰু সাংস্কৃতিক ঐতিহ্যক সন্মান জনোৱাত বিশ্বাস কৰে। তেওঁ সঁচাকৈয়ে বুজি পায় যে ৰাজনীতি কোনো জাতি নহয়- এয়া এক দায়িত্ব।

**অসমৰ সামান্য পাৰিবাৰিক পটভূমিৰ পৰা অহা দিলীপ শইকীয়া ডাঙৰীয়া গভীৰ সাংস্কৃতিক শিপা আৰু শক্তিশালী নৈতিক মূল্যবোধেৰে ডাঙৰ-দীঘল হৈছিল। ছাত্ৰ হিচাপেও তেওঁ নেতৃত্বৰ গুণ, অনুশাসন আৰু আৱেগিক বুদ্ধিমত্তাৰ বাবে পৰিচিত আছিল। কলেজীয়া দিনতেই ভাগ্যই মাতিছিল যেতিয়া তেওঁ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ (ABVP)ৰ সংস্পৰ্শলৈ আহিছিল। এবিভিপিৰ সাংস্কৃতিক জাতীয়তাবাদ, শৈক্ষিক উত্থান, জাতি গঠনত যুৱক-যুৱতীৰ অংশগ্ৰহণৰ দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হৈ শইকীয়া ডাঙৰীয়া আন্দোলনত সম্পূৰ্ণ হৃদয়েৰে নিজকে বিলীন কৰি লয়। তেওঁৰ অদম্য নিষ্ঠাৰ বাবে অতি সোনকালেই তেওঁ এবিভিপি অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক আৰু পিছলৈ ৰাজ্যিক সাংগঠনিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সক্ষম হয়। এই সময়ছোৱাত তেওঁ ছাত্ৰ আন্দোলনসমূহক শক্তিশালী কৰি তোলা, শৈক্ষিক বিতৰ্ক আৰম্ভ কৰা, সমগ্ৰ অসমৰ যুৱক-যুৱতীসকলক প্ৰভাৱিত কৰা জটিল বিষয়সমূহৰ সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।**

১৩. অসমৰ বাবে দৃষ্টিভংগী:

অসমৰ প্ৰতি দিলীপ শইকীয়া ডাঙৰীয়াৰ দৃষ্টিভংগী পৰম্পৰাক উদযাপন কৰা আৰু ৰূপান্তৰক ত্বৰান্বিত কৰা:

(ক) বানমুক্ত অসম-স্থায়ী মথাউৰি, সতৰ্কবাণী ব্যৱস্থা, আৰু নদীৰ চেনেলিং।

(খ) দক্ষতা অসম-নিয়োগ-সংলগ্ন প্ৰশিক্ষণ কেন্দ্ৰ, ডিজিটেল সঁজুলি, উদ্যোগৰ সহযোগিতা।

(গ) শিক্ষিত অসম-বৃত্তি, ডিজিটেল স্মাৰ্ট শ্ৰেণীকোঠা, শিক্ষক প্ৰশিক্ষণ।

(ঘ) উদ্যোগী অসম মহিলা নেতৃত্বাধীন এছ এইচ জি, জনজাতীয় হস্তশিল্প, এম এছ এম ই উদ্যান।

(ঙ) অন্তৰ্ভুক্ত অসম - অনুসূচিত জাতি, অনুসূচিত জনজাতি, অবিচি, চাহ জনজাতিৰ বাবে বিশেষ উন্নয়ন বৰ্ড।

তেওঁৰ নেতৃত্ব কেৱল জিডিপি বৃদ্ধিৰ কথা নহয়-ই মৰ্যাদা, সমতা, আৰু আশাৰ কথা।

১৪. উপসংহাৰ: -

উদ্দেশ্য আৰু দেশপ্ৰেমৰ জীৱন:

এবিভিপিৰ ছাত্ৰ সমাৱেশৰ পৰা আৰম্ভ কৰি লোকসভাৰ ভাষণলৈকে, বুথ পৰ্যায়ৰ বৈঠকৰ পৰা আৰম্ভ কৰি ৰাজ্যব্যাপী কৌশল কক্ষলৈকে, মঙলদৈৰ পামৰ পৰা লোকসভাৰ পেনেলৰ আসনলৈকে-দিলীপ শইকীয়া ডাঙৰীয়াৰ যাত্ৰা অটল সেৱাৰ। তেওঁ ৰাইজৰ প্ৰচাৰক, নীতিৰ সংসদীয় আৰু এতিয়া অসমক গৌৰৱ, ঐক্য, সমৃদ্ধিৰে উত্থান হোৱা দেখাৰ মিছন লৈ এজন সভাপতি। দিলীপ শইকীয়া ডাঙৰীয়াক আমি কেৱল এজন নেতা নহয়-আস্থা, নিষ্ঠা ৰূপান্তৰ প্ৰতিষ্ঠান হিচাপে বিচাৰি পাওঁ।

লেখক ৰাজ্যিক সম্পাদক
ভাৰতীয় জনতা পাৰ্টি, অনুসূচিত
জাতি মৰ্চা, অসম প্ৰদেশ





*জাতি, জনজাতি, আৰু জাতিগত ৰেখাৰ মাজেৰে শান্তি নিৰ্মাণ। ছাত্ৰাবাসত সন্মুখৰ পৰাই কটোৱা নিশাৰ পৰা নেতৃত্ব দিয়া, দূৰৱৰ্তী চহৰবোৰত চাইকেল ৰেলীৰ নেতৃত্ব দিয়া আৰু অগণন ছাত্ৰ-ছাত্ৰীক নিজৰ অভ্যন্তৰীণ সম্ভাৱনা আৱিষ্কাৰ কৰিবলৈ শক্তিশালী কৰা এজন নেতা হিচাপে তেওঁ পৰিচিত হৈ পৰিছিল। তেওঁৰ মতাদৰ্শৰ স্পষ্টতা আৰু শান্ত অথচ আত্মবিশ্বাসী নেতৃত্বই সমগ্ৰ অঞ্চলটোৰ যুৱ কৰ্মীসকলৰ বাবে এক আৰ্হি হৈ পৰিছিল।*

